● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

এটা সুদৃঢ় মনৰ সংকল্পক কোনো সুযোগ অথবা ভাগ্যই কেতিয়াও বাধা দিব অথবা নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

ইলা হুইলাৰ উইলকক্স
*আমেৰিকাৰ লেখিকা*



www.dainikagradoot.in

৫ ৪০০ বিলিয়ন ডলাৰৰ পণ্য ৰপ্তানি ভাৰতৰ
১৫ বৰদলৈ ট্ৰফী ফুটবল আৰম্ভ
৪ নগৰৰ পৰিবৰ্দ্ধন আৰু নতুন নগৰ নিৰ্মাণৰ কিছু দিশ

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৬৫তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১০ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৫ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Friday 25 March 2022 মূল্য ঃ ৯.০০ টকা

■ ২৭ সংগঠনৰ লগত তিনিজনীয়া মন্ত্ৰীগোটৰ বৈঠক ■ এনআৰচিত নাম নাথাকিলেও ২৭ লাখ লোকক আধাৰ প্ৰদানৰ সিদ্ধান্ত ■ কেন্দ্ৰীয় চৰকাৰৰ স'তে যোগাযোগ কৰি ব্যৱস্থা গ্ৰহণ

# শীঘ্ৰে এনআৰচিৰ পুনৰীক্ষণৰ আবেদন

■ আধাৰৰ স'তে সম্পৰ্ক নাই নাগৰিকত্বৰ ঃ মন্ত্ৰী ■ এনআৰচিত নাম বাদ পৰিলে কৰ্তন হ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** নাগৰিকত্ব প্ৰমাণৰ নথি নহয় বাবেই অসমৰ ২৭ লাখ লোকক আধাৰ কাৰ্ড প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। ৰাজ্য চৰকাৰে গ্ৰহণ নকৰিলেও অসমৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) কৰ্তৃপক্ষই প্ৰকাশ কৰা চূড়ান্ত পঞ্জীখনত ১৯ লক্ষাধিক লোকৰ নাম অন্তৰ্ভুক্ত হোৱা নাই। সেইসকলৰ লগতে নাম অন্তৰ্ভুক্ত বহু লোকেও এই পৰ্যন্ত আধাৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। সেই সকলোকে ধৰি বায়'মেট্ৰিক তথ্য জমা দিয়া ২৭ লাখ লোক আধাৰ নথকা বাবেই চৰকাৰী সকলো আঁচনিৰ পৰা বঞ্চিত হৈছে। সেইবাবেই অসম চৰকাৰৰ তিনিজনীয়া মন্ত্ৰীগোটে আজি ২৭টা বিভিন্ন সংগঠনৰ লগত আলোচনামৰ্মে আধাৰ কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়া আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা বাবে অসম চৰকাৰে কেন্দ্ৰৰ লগতহে যোগাযোগ কৰিব লাগিব। আধাৰৰ প্ৰসংগতে অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত বৈঠকত *১০ পৃষ্ঠাত চাওক*



■ ৩১ মাৰ্চৰ পূৰ্বে টেট শিক্ষকৰ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি শিক্ষা সঞ্চালকৰ ■ শিক্ষামন্ত্ৰী পেগুক কঠোৰ সমালোচনা সন্মিলনীৰ

## হেজাৰ হেজাৰ টে'ট শিক্ষকে ঘেৰাও কৰিলে সৰ্বশিক্ষাৰ মিছন সঞ্চালকালয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** 'শিক্ষা বিভাগ চলাবলৈ হ'লে বিভাগটো প্ৰথমে বুজিব লাগিব। শিক্ষামন্ত্ৰীয়ে কিবা মন্তব্য কৰাৰ পূৰ্বে বিভাগটো অধ্যয়ন কৰক।' এই ভাষ্য প্ৰাথমিক শিক্ষা সন্মিলনীৰ সাধাৰণ সম্পাদক ৰাতুল গোস্বামীৰ। আজি মহানগৰীৰ কাহিলিপাৰাত টে'ট শিক্ষকৰ প্ৰতিবাদত অংশ লৈ ৰাজ্যৰ শিক্ষা বিভাগটোত চলি থকা বিসংগতি তথা শিক্ষামন্ত্ৰীৰ ভূমিকা সন্দৰ্ভত মন্তব্য কৰি গোস্বামীয়ে ক্ষোভেৰে কয়, 'শিক্ষা বিভাগটো ইমান সহজ নহয়। তাক বুজিবলৈ অধ্যয়নৰ প্ৰয়োজন। শিক্ষামন্ত্ৰীয়ে বিভাগটো বুজিবলৈ হ'লে অলপ সময় দিব লাগিব। বিভাগটো নুবুজাকৈ তেওঁ যি টি মন্তব্য কৰিলে খেলিমেলি হ'ব। প্ৰথমে তেওঁ অধ্যয়ন কৰক।' উল্লেখ্য যে অৱশেষত শ্ৰেণীকোঠা এৰি ৰাজপথত নামিবলৈ বাধ্য হয় ৰাজ্যৰ হেজাৰ হেজাৰ টে'ট শিক্ষক। টে'ট শিক্ষকসকলৰ প্ৰৱল প্ৰতিবাদৰ মাজতে সংবাদ মাধ্যমৰ আগত গোস্বামীয়ে পুনৰ কয়, 'অসমত ৩১৪খন বিদ্যালয় *১০ পৃষ্ঠাত চাওক*

■ কাৰ্বি সাহিত্য সভাৰ অধিৱেশনত মুখ্যমন্ত্ৰী শৰ্মা ■ কাৰ্বিসকলক অসমৰ কলম্বাছ আখ্যা

## মাতৃভাষা অবিহনে অস্তিত্ব ৰক্ষা নপৰে

ডংকামোকামত বিজেপিৰ নৱনিৰ্মিত কাৰ্যালয় মুকলি

**অগ্ৰদূত বাৰ্তা**


**ডংকামোকাম/ডিফু, ২৪ মাৰ্চ ঃ** নেপী আলাম নে ছিংহন ছেনাম অৰ্থাৎ চিৰ চেনেহী মোৰ ভাষা জননী। বৰ্ণিল কাৰ্যসূচীৰে পশ্চিম কাৰ্বি আংলং জিলাৰ কৰিড'ৰ নগৰ ডংকামোকামস্থিত ডংকা চাৰ্প আক্লামত কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা কাৰ্বি জনগোষ্ঠীৰ অন্যতম জাতীয় অনুষ্ঠান 'কাৰবি লাম্মেত আমেই'ৰ ৩০ সংখ্যক অধিৱেশনৰ আজি অনুষ্ঠিত মুকলি সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰৱচ্ছিন্নভাৱে নিজস্ব ভাষা-সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখি বিশ্ব মানচিত্ৰত আগুৱাই যাবলৈ কাৰ্বি জনগোষ্ঠীৰ প্ৰতি আহ্বান জনায়। কোনোকালেই নিজ ভাষা-সংস্কৃতিক পৰিহাৰ নকৰিবলৈ তেওঁ আহ্বান জনায়। *১০ পৃষ্ঠাত চাওক*



### ডিজিটেল দুনিয়া

**দেশ-কাল-সমাজ**

ড০ দীনেশ বৈশ্য



**সিদ্ধান্ত** লোৱা হ'ল— ছাত্ৰজনক শিক্ষানুষ্ঠানৰ পৰা বহিষ্কাৰ কৰাৰ। সিদ্ধান্ত মৰ্মে ছাত্ৰজনক আৰু ছাত্ৰজনৰ অভিভাৱকক কাৰণ দৰ্শোৱাৰ জাননী দিয়া হ'ল। কিয় ছাত্ৰজনক বহিষ্কাৰ কৰা নহ'ব? ছাত্ৰজনৰ অপৰাধ তেওঁ এদল বাহিৰৰ ল'ৰা আনি লগৰেই এজন ছাত্ৰক মাৰ-ধৰ কৰিছে আৰু তাৰ ফলত শিক্ষানুষ্ঠানখনত এক উচ্ছৃংখল পৰিস্থিতিৰ সৃষ্টি হৈছে। ঘটনাবিলাক *১০ পৃষ্ঠাত চাওক*

### আলফা (স্বা)ত যোগদানৰ পূৰ্বে জালত পৰিল জাতীয় সংগঠনৰ নেতা

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ২৪ মাৰ্চ ঃ** আজি নাজিৰাত আলফা (স্বাধীন)ত যোগদান কৰিবলৈ যো-জা চলাওঁতে শিৱসাগৰ আৰু নাজিৰা আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হ'ল এজন জাতীয় সংগঠনৰ নেতা। বিগত সময়ত একাধিক জাতীয় *১০ পৃষ্ঠাত চাওক*


### সোণাৰিত অজাযুছাপৰ নেতাক দাৰে আক্ৰমণ

গৃহত অগ্নিসংযোগ, ধৃত অভিযুক্ত পিতা-পুত্ৰ

**অগ্ৰদূত বাৰ্তা**

**সোণাৰি/মাহমৰা, ২৪ মাৰ্চ ঃ** সোণাৰি নগৰৰ পাৰ্শ্বৱৰ্তী মাহমৰা কাকতিবাৰীৰ যুৱ ব্যৱসায়ী তথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতিৰ প্ৰচাৰ সম্পাদক *১০ পৃষ্ঠাত চাওক*

### বিশ্বনাথত টে'ট উত্তীৰ্ণ যুৱকৰ আত্মহত্যা



**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৪ মাৰ্চ ঃ** বিশ্বনাথ চাৰিআলিৰ গড়েহাগী গাঁৱৰ এজন যুৱকে আজি পুৱা নিজগৃহতে চিপ লৈ আত্মহত্যা কৰে। *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৫° | ২১° |
| ডিব্ৰুগড় | ৩১° | ১৯° |
| দিল্লী | ৩৬° | ২০° |
| কলকাতা | ৩৬° | ২৬° |
| মুম্বাই | ৩২° | ২৬° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩২° | ২১° |
| শ্বিলং | ২৪° | ১৬° |

*২৪ মাৰ্চ, ২০২২*

চেঙা তেল

*সব বিক্ৰী গ'ল, চাকৰি ক'ৰ পৰা দিম! অৱশ্যে আমাৰ বিক্ৰী কেন্দ্ৰত সোমাই ল'ব পাৰা!*

■ কেৱল বিদেশী যোগাযোগতহে ইংৰাজী

### মহাৰাষ্ট্ৰৰ চৰকাৰী কামত মাৰাঠী ভাষা বাধ্যতামূলক কৰিলে বিধানসভাই



■ **নিউজ ব্যুৰ'**

**মুম্বাই, ২৪ মাৰ্চ ঃ** চৰকাৰী কাম-কাজত মাৰাঠী ভাষা ব্যৱহাৰ বাধ্যতামূলক কৰিবলৈ সন্মতি দিলে মহাৰাষ্ট্ৰ বিধানসভাই। ৰাজ্যৰ বিধানসভাই আজি সৰ্বসন্মতিক্ৰমে এই সম্পৰ্কীয় বিধেয়ক গৃহীত কৰে। এই নতুন আইন অনুসৰি ৰাজ্য চৰকাৰে গঠন কৰা পৌৰ নিকায়-নিগমকে ধৰি স্থানীয় কৰ্তৃপক্ষৰ চৰকাৰী কামত *১০ পৃষ্ঠাত চাওক*

### ৰংজুলিত ২৩টা চোৰাং গৰুসহ বাহন জব্দ, আৰক্ষীক গতালে তিনিক

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২৪ মাৰ্চ ঃ** গোৱালপাৰা জিলাত অব্যাহত আছে গৰুৰ চোৰাং সৰবৰাহ। যোৱা নিশা গোৱালপাৰাৰ কুশধোৱা মেজেংপাৰাত স্থানীয় লোকে জব্দ কৰে অবৈধভাৱে সৰবৰাহ কৰা দুখন পিকআপ বাহনসহ ২৩টাকৈ গৰু। ৰংজুলি *১০ পৃষ্ঠাত চাওক*


চাৰিদিন পাছতো হত্যাকাৰীক গ্ৰেপ্তাৰত সফল হোৱা নাই তদন্তকাৰী

■ চিকিৎসকৰ গৃহত তালাচীত ম'বাইল ফোন-ডেগাৰ-খুকুৰী জব্দ

## অধিবক্তা হত্যাৰ আঁৰত সুতত ধন ধাৰলৈ দিয়াৰ যোগসূত্ৰ পৰীক্ষা আৰক্ষীৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৪ মাৰ্চ ঃ** বৰপেটা চহৰত অধিবক্তা ৰিণিমা বেগমৰ হত্যাকাণ্ডৰ অনুসন্ধান অব্যাহত ৰাখিছে আৰক্ষীয়ে। বৰপেটাৰ বিলৰতাৰীত ২১ মাৰ্চৰ সন্ধিয়া ৰাজপথত অধিবক্তাগৰাকীৰ হত্যাকাণ্ডৰ সংক্ৰান্তত আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা এজন চিকিৎসকৰ গৃহত তালাচী চলাই কেবাবিধ অস্ত্ৰ জব্দ কৰে। যোৱা নিশা ৰিণিমাৰ হত্যাত ব্যৱহৃত অস্ত্ৰৰ সন্ধানত আৰক্ষীয়ে বিলৰতাৰীৰ মৰানদীৰ পাৰত অনুসন্ধান চলাইছিল। অৱশ্যে নিশাৰ অন্ধকাৰত আৰক্ষীয়ে কোনো সামগ্ৰী উদ্ধাৰ কৰিব নোৱাৰিলে। সেয়েহে হত্যাত ব্যৱহৃত ডেগাৰৰ পুনৰ অনুসন্ধান চলোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পাছতেই আৰক্ষীৰ আন এটা দলে ৰিণিমা হত্যাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা ডাঃ মকদম আলীৰ বাসগৃহতো তালাচী চলায়। ডাঃ আলীৰ ঘৰত তালাচী চলাই আৰক্ষীয়ে এখন খুকুৰী, এখন ডেগাৰ আৰু চাৰিটা ম'বাইল ফোন জব্দ কৰে। অৱশ্যে *১০ পৃষ্ঠাত চাওক*



ইউডিএফৰ বিধায়কে ভুলতে ভোট দিলেও ধন্যবাদ নিদিয়ে শৰ্মাই ■ অসমে দেশৰ শীৰ্ষ পাঁচ ৰাজ্যৰ ভিতৰত স্থান পাব ঃ বিজয়বৰ্গীয়

## ২৯ মাৰ্চত অমিত শ্বাহৰ গৃহত অসম-মেঘালয়ৰ সীমা সমস্যা সমাধানৰ চুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** অসম আৰু মেঘালয়ৰ আন্তঃৰাজ্যিক সীমাৰ ছটা স্থানৰ বিবাদ মীমাংসাৰ চুক্তি অহা ২৯ মাৰ্চত সম্পন্ন হোৱাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এই সম্ভাৱনা ব্যক্ত কৰে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কয়, 'সেইদিনা গৃহমন্ত্ৰী অমিত শ্বাহৰ বাসগৃহত সীমা সমস্যাক লৈ অসম আৰু মেঘালয়ৰ মাজত এখন বৈঠক অনুষ্ঠিত হ'ব। সেই বৈঠকতে বিবাদ মীমাংসাৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।' উল্লেখ্য যে ৰাজ্য দুখনৰ মাজত মুঠ ১২ টা স্থানত সীমাৰ বিবাদ চলি আহিছে। প্ৰথম পৰ্যায়ত তাৰে ছটা স্থানত বিবাদ মীমাংসাৰ প্ৰচেষ্টা দুয়োখন ৰাজ্যই গ্ৰহণ কৰে। নিজৰ মাজত বুজাবুজিৰে দীৰ্ঘদিনীয়া সমস্যাটোৰ সমাধানৰ প্ৰক্ৰিয়া আগবঢ়োৱাৰ পাছত বিষয়টো সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন। কিয়নো আন্তঃৰাজ্যিক সীমাৰ বিষয়ত কেৱল সংসদ আৰু কেন্দ্ৰীয় চৰকাৰেহে সিদ্ধান্ত ল'ব পাৰে। প্ৰথম পৰ্যায়ৰ উক্ত ছটা স্থান হ'ল তাৰাবাৰী, গিঝাং, হাঁহিম, বকলাপাৰা, *আঠ পৃষ্ঠাত চাওক*

■ মিঠাই হ'ল প্ৰেমৰ প্ৰতীক, সেই কাৰণে আগবঢ়াইছো ঃ ৰিপুন বৰা

■ তত্বাৱধানৰ বাবে দিল্লীৰ পৰা আহিব কেন্দ্ৰীয় নেতা জীতেন্দ্ৰ সিং

## বিজেপিৰ 'আতংক'ত একেলগে হোটেলত কটাব বিৰোধী বিধায়কে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** বিজেপি তথা শাসক পক্ষৰ আতংকত কঁপিছে বিৰোধী শিবিৰ। সেয়েহে ৰাজ্যসভাৰ নিৰ্বাচনৰ পূৰ্বে বিৰোধীৰ কোনো এজন বিধায়কে যাতে বিজেপিয়ে ঢুকি নাপায় তাৰ বাবে তেওঁলোকক হোটেলত আবদ্ধ কৰাৰ চিন্তা-চৰ্চা চলিছে। অন্ততঃ ২৯ আৰু ৩০ মাৰ্চত সকলো বিধায়কে হোটেলত একেলগে ৰাখি ৩১ মাৰ্চত একত্ৰিত হৈ ভোটদানৰ বাবে বিধানসভালৈ ওলাই আহিব। অৱশ্যে এই ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব নিখিল ভাৰত কংগ্ৰেছ কমিটী (এআইচিচি)ৰ সাধাৰণ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জীতেন্দ্ৰ সিঙে। অহা ২৭ মাৰ্চত সিং গুৱাহাটীলৈ আহিব। সেইদিনাই সিঙে নিজৰ দলৰ বিধায়কৰ লগতে বিৰোধীৰ বিধায়কসকলৰ লগতো আলোচনাত মিলিত হ'ব। কংগ্ৰেছ বিধায়িনী দলৰ সূত্ৰই সদৰী কৰা অনুসৰি কে'বাজনো বিধায়কে নিৰ্বাচনৰ আগমুহূৰ্তলৈ অন্ততঃ সকলোৰে একেলগে থকাৰ পোষকতা কৰিছে। যদিহে তত্ত্বাৱধায়ক সিঙে ভাবে যে একেলগে থকাৰ প্ৰয়োজনীয়তা আছে তেন্তে সেয়াই হ'ব। সূত্ৰটোৱে জনোৱা মতে, *১০ পৃষ্ঠাত চাওক*

### পুনৰ বৃদ্ধি পালে পেট্ৰ'ল-ডিজেলৰ মূল্য


এসপ্তাহত তিনিবাৰকৈ বাঢ়িল ইন্ধনৰ মূল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** এদিনৰ বিৰতিৰ পাছত পুনৰ বৃদ্ধি হ'ল পেট্ৰ'ল-ডিজেলৰ মূল্য। পেট্ৰ'লৰ মূল্য ৮৯ পইচা আৰু ডিজেলৰ মূল্য ৬৯ পইচা বৃদ্ধি হোৱাৰ ফলত কাইলৈ পেট্ৰ'লৰ মূল্য হ'ব মহানগৰীত ৯৭.২৩ টকা আৰু ডিজেলৰ হ'ব ৮৩.৩৬ টকা। উল্লেখ্য যে আজি *আঠ পৃষ্ঠাত চাওক*

■ ৰাজ্যৰ বিভিন্ন স্থানত ঘূৰ্ণী-ধুমুহা-শিলা বৃষ্টিত ব্যাপক ক্ষতিসাধন ■ গোৰেশ্বৰত এজনৰ মৃত্যু ঃ শিশু-মহিলা আহত ■ গৃহহীন বহু পৰিয়াল ঃ ভাঙিলে বিদ্যালয়-বাসগৃহ-প্ৰকাণ্ড গছ

## কালান্তক ৰূপ লৈ তচনচ কৰিলে বৰদৈচিলাই



■ চিকিৎসক-স্বাস্থ্যকৰ্মীসহ বহৰিত নাও দুৰ্ঘটনাগ্ৰস্ত

■ অধিকাংশ স্থানতে বিদ্যুৎ সৰবৰাহ বিচ্ছিন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** ব'হাগৰ আগজাননী দি অহা বৰদৈচিলাই কালান্তক ৰূপ লৈ আজি তচনচ কৰিলে ৰাজ্যৰ বিভিন্ন স্থান। ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰা ঘূৰ্ণী বতাহ, ধুমুহা, শিলাবৃষ্টিৰ ফলত বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে এজন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ উপৰি বিভিন্ন স্থানত কে'বাগৰাকী মহিলাৰ লগতে একাধিক শিশু আহত হোৱাৰো তথ্য পোৱা গৈছে। সেইদৰে বিভিন্ন অঞ্চলত ধুমুহাই কাল ৰূপ ধৰাৰ ফলত বহুসংখ্যক পৰিয়াল গৃহহীন হৈ পৰে। আজিৰ ধুমুহা-শিলাবৃষ্টিত অধিকাংশ স্থানৰে পাচলি খেতিৰ লগতে বাৰীৰ গছ-গছনি, বাসগৃহ, বিদ্যালয় আদিৰো ক্ষতিসাধন হয়। ইয়াৰ উপৰি বৰপেটা জিলাৰ বহৰিত ব্ৰহ্মপুত্ৰৰ *আঠ পৃষ্ঠাত চাওক*


### সাত বিহুৰ পাছতহে জিএমচিৰ নিৰ্বাচনৰ দাবী বিজেপিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** গুৱাহাটী পৌৰ নিগম (জিএমচি)ৰ নিৰ্বাচনৰ সূচীক লৈ কংগ্ৰেছৰ পাছত আজি আপত্তি দৰ্শায় শাসকীয় ভাৰতীয় জনতা পাৰ্টি (বিজেপি)য়ে। কালি ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰা অনুসৰি অহা ১৯ এপ্ৰিলত এই নিৰ্বাচন অনুষ্ঠিত হ'ব। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ মাজতে নিৰ্বাচন অনুষ্ঠিত নকৰি কেইদিনমান পিছুৱাবলৈ আহ্বান জনাই *আঠ পৃষ্ঠাত চাওক*

'সত্ৰ-ভূমি সংস্কাৰৰ কাম অব্যাহত আছে'

### অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণৰ সম্পৰ্কত পুনৰ আলোচনা আছু-মন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** অসম চুক্তি ৰূপায়ণৰ বাবে গঠন কৰি দিয়া উপ-সমিতিৰ তৃতীয়খন বৈঠক আজি অনুষ্ঠিত হয়। অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত চুক্তিৰ দফাসমূহ ৰূপায়ণৰ বিষয়টো আলোচনা কৰা হয়। মন্ত্ৰী বৰাই জনোৱা মতে, চুক্তিৰ ছয় নম্বৰ দফাৰ সম্পৰ্কত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। তেওঁ কয় যে অনাগত দিনত চুক্তি ৰূপায়ণৰ বাবে *১০ পৃষ্ঠাত চাওক*

### চাৰিদুৱাৰৰ হোটেলত গো-মাংস বিক্ৰী? বজৰং দলৰ বিৰুদ্ধে ধন দাবী-মহিলাক প্ৰহাৰৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৪ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ চাৰিদুৱাৰৰ এখন হোটেলত গো-মাংস বিক্ৰীৰ অভিযোগক কেন্দ্ৰ কৰি আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এই অভিযোগ উত্থাপন হোৱাৰ পাছতে হোটেল কৰ্তৃপক্ষ আৰু ৰাষ্ট্ৰীয় বজৰং দলৰ একাংশ সদস্যৰ মাজত মাৰপিট লাগে। আনহাতে, *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১০ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৫ মাৰ্চ ২০২২




# উদ্বেগৰ কাৰণ

বৰ্তমান ভাৰতবৰ্ষত সংঘটিত হৈ থকা পৰিয়ালকেন্দ্ৰিক বিবাদ, শাহু-বোৱাৰীৰ সংঘাত, ষড়যন্ত্ৰ, অপৰাধ আদি টেলিভিছনৰ ধাৰাবাহিকবিলাকৰ কাহিনীৰ প্ৰধান বিষয়। বিবাহ, প্ৰেম, বিবাহত ব্যৰ্থতা, প্ৰেমত ব্যৰ্থতা, শাহু-বোৱাৰীৰ সংঘাত আদিৰ বাবে টিভিৰ ধাৰাবাহিকসমূহো বহু পৰিমাণে জগৰীয়া বুলি বিভিন্ন মহলে মন্তব্য কৰে। এই ধাৰাবাহিকসমূহৰ দৰ্শকসকলৰ বেছিভাগেই যিহেতু মহিলা, সেয়ে মহিলাৰ সমস্যা, পতি-পত্নীৰ সংঘাত আদিয়ে বেছিভাগ কাহিনী-ধাৰাবাহিকত প্ৰাধান্য লাভ কৰে। টিভি ধাৰাবাহিক নিৰ্মাতাসকলো কিছুমান বাস্তৱ ঘটনাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। পতি-পত্নীৰ বিবাহ-বহিৰ্ভূত সম্বন্ধ প্ৰাচীন কালৰে পৰাই চলি আহিছে। স্বাভাৱিকতে টিভিৰ ধাৰাবাহিকৰ নিৰ্মাতাসকলৰ কাহিনীৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিছে। অৱশ্যে বিবাহ-বহিৰ্ভূত সম্পৰ্ক বৰ্তমান সমাজত বৃদ্ধি পোৱাৰ অন্যতম প্ৰধান কাৰণ একেখন কৰ্মস্থলীত পুৰুষ-মহিলাই কাম কৰা আৰু মহিলা কৰ্মচাৰীৰ ব্যাপক হাৰত সংখ্যা বৃদ্ধি। আনহাতে, বিবাহ-বহিৰ্ভূত সম্পৰ্কৰ ফলতে বিবাহ-বিচ্ছেদৰ আবেদন আদালতত বৃদ্ধি পোৱাৰো সম্ভাৱনা নথকা নহয়; কিন্তু প্ৰকৃততে নাৰীৰ অধিকাৰ, নিৰ্যাতন আদিৰ সন্দৰ্ভত মহিলাসকলৰ সজাগতা বৃদ্ধি পাইছে। শিক্ষা বা উচ্চ শিক্ষাই মহিলাক পুৰুষৰ স'তে সমানে আগুৱাই যোৱাত সহায় কৰিছে। নিৰ্যাতন-নিপীড়ন, হাৰাশাস্তি, অপমান, অসন্মান আদি আজিৰ নাৰীয়ে সহ্য কৰি থাকিব নিবিচাৰে। তেওঁলোকে এই ক্ষেত্ৰত আইনৰ সহায় বিচাৰি যায়; কিন্তু আইন থকা সত্ত্বেও বহু নাৰীয়ে প্ৰাণ হেৰুৱাইছে অসহায়ভাৱে। প্ৰকৃততে এহাতে নাৰী নিৰ্যাতন-উৎপীড়ন, অন্যায়-অবিচাৰ বৃদ্ধি আৰু আনহাতে নাৰী শিক্ষা, সজাগতা বৃদ্ধিৰ বাবেই পতি-পত্নীৰ মাজত সংঘাত বাঢ়ি গৈছে। এনে পৰিৱেশত বিবাহ-বহিৰ্ভূত সম্পৰ্কও বাঢ়িব পাৰে। আনকি বিবাহ বিচ্ছেদৰ বাবে আদালতত আবেদনৰ সংখ্যাও বৃদ্ধি হ'ব পাৰে; কিন্তু প্ৰশ্ন হ'ল, বিবাহ বিচ্ছেদৰ দৰে কাৰ্যও আইনসন্মত, সেয়ে বে-আইনী নহয়। নাৰী-পুৰুষৰ ব্যক্তিগত অধিকাৰ ৰক্ষাৰ বাবেই বিবাহ বিচ্ছেদক আইনে স্বীকৃতি দিছে। আইনে স্বীকৃতি দিয়াৰ কাৰণেই বিবাহ বিচ্ছেদ বিচৰা হয়। টিভি ধাৰাবাহিকত বিবাহ-বহিৰ্ভূত সম্পৰ্কৰ কাহিনীও বে-আইনী বুলি নিষিদ্ধ কৰিব পৰা নাযাব। মত প্ৰকাশৰ স্বাধীনতাত ন্যায়ালয় বা আইনে বাধা প্ৰদান কৰিব বুলি আশা কৰিব নোৱাৰি।

টেলিভিছন চেনেলবিলাকে সম্প্ৰচাৰ কৰা ধাৰাবাহিকবিলাকত অন্ধবিশ্বাস, ডাইনী বা কুলক্ষণী, পৰম্পৰাগত সতী বা লখিমী নাৰী, পতিব্ৰতা নাৰী আদি চৰিত্ৰবিলাকক প্ৰাধান্য দিয়া দেখা যায়। এইবিলাকৰ ওপৰত বিশ্বাস জন্মাই ধাৰাবাহিক নিৰ্মাতাসকলে দৰ্শকসকলৰ মনত, বিশেষকৈ মহিলা দৰ্শকসকলৰ মন জয় কৰে আৰু ধাৰাবাহিকবিলাক সফল জনপ্ৰিয় কৰি তোলে। বিশ্ববিদ্যালয় আদি উচ্চ শিক্ষানুষ্ঠান তথা সামাজিক সংগঠনবিলাকে এইবিলাক বিষয় সন্দৰ্ভত অধ্যয়ন, গৱেষণা বা জৰীপ চলোৱা দেখা নাযায়। অন্ধবিশ্বাসৰ বিৰুদ্ধে আইন কঠোৰ হৈছে যদিও জনপ্ৰিয় টিভি ধাৰাবাহিকবিলাকত কুলক্ষণী নাৰী, ডাইনী, অন্ধবিশ্বাসক দৰ্শক বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰা হয়। অন্ধবিশ্বাস নতুবা বিজ্ঞানবিৰোধী চিন্তা বা বিশ্বাসৰ পৰা ওলাই অহাৰ বিপৰীতে এইবিলাকক অস্পষ্ট আৰু ধূসৰ কৰি দৰ্শকৰ আগত দাঙি ধৰা হয়। অৱশেষত সাধাৰণ দৰ্শকসকল বিভ্ৰান্ত হয়, তেওঁলোকক বিভ্ৰান্ত কৰা হয়। এই ধাৰাবাহিকবিলাক সম্প্ৰচাৰ কৰা উচিত হৈছেনে? এইবিলাক ধাৰাবাহিক সম্প্ৰচাৰ কৰি অন্ধবিশ্বাসবিলাকক জীয়াই ৰখা বা প্ৰচলন কৰি ৰখাৰ ক্ষেত্ৰত সহায়-সমৰ্থন কৰি থকা নাইনে? অন্ধবিশ্বাস, ডাইনী আদিৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'ব পৰা যায়। টিভি ধাৰাবাহিকৰ বিৰুদ্ধে একে অভিযোগত কি ব্যৱস্থা ল'ব পৰা যায়? এইবিলাক বিষয়ত অধ্যয়ন, জৰীপ বা গৱেষণাৰ প্ৰয়োজন আছে। উচ্চ শিক্ষা প্ৰতিষ্ঠান, বিশ্ববিদ্যালয় আদিয়ে এই বিষয়বিলাকৰ সন্দৰ্ভত অধ্যয়ন-গৱেষণাৰ ব্যৱস্থা কৰিব লাগে। আদালততো এই সন্দৰ্ভত আবেদন কৰিলে ন্যায়ালয়ে নিশ্চয় উচিত নিৰ্দেশ দিব।

# নগৰৰ পৰিবৰ্দ্ধন আৰু নতুন নগৰ নিৰ্মাণৰ কিছু দিশ

## ৰাজ্য একোখন দুভাগ হৈ নতুন ৰাজ্য হওঁতে নতুন ৰাজধানী নিৰ্মাণৰ সিংহভাগ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে



দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা

অসমত পৌৰসভাৰ নিৰ্বাচন হৈ গ'ল, ইয়াৰে প্ৰায় ৯৪ শতাংশ সভাই শাসকীয় দলৰ হাতত থাকিল। এতিয়া পৌৰসভাবোৰে দায়িত্ব কেনেকৈ আৰু কিমানদূৰ পালন কৰে, সেয়া সময়ত দেখা যাব। ২০১৫ত অসমত ৩২ খন পৌৰসভা আৰু ৪২ খন নগৰ সমিতি আছিল। পৌৰসভাবোৰ ডাঙৰ আৰু নগৰ সমিতি সৰু। এইবাৰৰ নিৰ্বাচনত এইবোৰৰ মুঠ সংখ্যা হ'লগৈ ৮০। ইয়াৰে কিছুমান নতুন আৰু আন কিছুমান কিছু পুৰণি বা বহু পুৰণি। নতুন পৌৰসভা বা নগৰ সমিতি মানে সেইবোৰ জনশূন্য ঠাইত নতুনকৈ নিৰ্মাণ কৰা নহয়, বৰঞ্চ পূৰ্বতেই জনবসতি থকা সৰু গাঁও একোখন ডাঙৰ গাঁও হৈ সময়ৰ সোঁতত নগৰলৈ পৰিৱৰ্তিত হ'ল, আকাৰ আৰু জনসংখ্যাৰ আধাৰত। সেইদৰে নগৰবোৰ ডাঙৰ চহৰলৈ পৰিৱৰ্তিত হৈছে, সকলো ক্ষেত্ৰতেই দেখা গৈছে যে এইবোৰৰ পৰিসৰ মূল নগৰৰ চাৰিওফালে দ্ৰুতগতিত বাঢ়িছে, ইয়াৰ কাৰণটো হৈছে ৰাজ্যৰ আৰু দেশৰ জনসংখ্যা বাঢ়িছে, মানুহ বেছিকৈ নগৰ-চহৰমুখী হৈছে— ধৰি লোৱা হয় যে গাঁৱতকৈ নগৰ-চহৰত বেছি সা-সুবিধা পোৱা যায়। স্বাভাৱিকতেই নগৰ-চহৰত হেঁচা পৰাৰ বাবে বৰ্দ্ধিত জনসংখ্যাক ঠাই দিবলৈ এইবোৰৰ পৰিকল্পিত বৃদ্ধি কৰিব নোৱাৰি। অৰ্থাৎ যিয়ে যেনেকৈ পাৰে, মাটি কিনি বা পূৰ্বতেই খালী পৰি থকা নিজৰ মাটিত ঘৰ-দুৱাৰ সাজিছে— থাকিবৰ বাবে বা ব্যৱসায়ৰ বাবে বা কিছুমানে সৰু-বৰ ফেক্টৰী গঢ়ি তুলিছে।

এনেদৰে নগৰ-চহৰৰ প্ৰসাৰণ কৰোঁতে মানি চলিব লগা বহুত নিয়মেই চৰকাৰে প্ৰণয়ন কৰি থৈছে আৰু সেইবোৰ কাৰ্যকৰী কৰিবলৈ নিৰ্দিষ্ট বিভাগ তথা কৰ্মচাৰীও আছে। পিছে বাস্তৱত দেখা যায় যে নিয়মবোৰ ভৰিৰে মোহাৰি প্ৰসাৰণ কৰি থকা হৈছে— ইয়াৰ বাবে সংশ্লিষ্ট কৰ্মচাৰীৰ দুৰ্নীতি, নতুন বা পুৰণি নগৰবাসীৰ স্বাৰ্থপৰতা, নিয়ম-নীতি সম্পৰ্কে অসচেতনতা, চৰকাৰ তথা পৌৰ প্ৰশাসনৰ গাফিলতি আদি নানা কাৰক হ'ব পাৰে। এইবোৰৰ সামগ্ৰিক ফলটো হ'ল— নগৰবাসীয়ে পাব লগা সা-সুবিধাবোৰ নাপায়। চৰকাৰ আৰু পৌৰ প্ৰশাসনে নগৰ/চহৰবাসীক সা-সুবিধাবোৰ দি একো মহানতা প্ৰদান কৰা নাই, কাৰণ পৌৰ বাসিন্দাসকলে ইয়াৰ বাবে নিৰ্দিষ্ট পৰিমাণৰ কৰ দি থাকে, কাৰো দয়াৰ ওপৰত তেওঁলোকে নিৰ্ভৰ কৰিব নালাগে। নগৰ-চহৰ যিহেতু নতুনকৈ নিৰ্মিত হোৱা নাই, গতিকে পুৰণিবোৰৰ প্ৰসাৰণ ঘটাওঁতেও চৰকাৰী বিভাগে আগতীয়াকৈ আঁচনি প্ৰস্তুত কৰিব লাগে আৰু সংশ্লিষ্ট বিভাগবোৰে প্ৰচলিত নিয়মবোৰ কঠোৰভাৱে পালন কৰিছে নে নাই পৌৰসভা, সমিতি বা নিগমবোৰে লক্ষ্য ৰাখিব লাগে।

নগৰ সভ্যতা আৰম্ভ হোৱাৰ কমেও পাঁচ হেজাৰ বছৰ হ'ল। মেচোপটেমিয়া, বেবিলন, মিছৰ, মেক্সিকোৰ আজটেক, মায়া সভ্যতাৰ চহৰ, তাই হুৱানকো আদিৰ লগতে ভাৰতৰ হৰপ্পা, মহেঞ্জোদাৰো আদিৰ চহৰবোৰ অতি পুৰণি। আধুনিক কালত বৃহৎ চহৰৰ ভিতৰত ভাৰতীয় চহৰে একমাত্ৰ মুম্বাইৰ বাদে স্থান লাভ অন্য চহৰে কৰিব পৰা নাই। চহৰৰ বিভিন্ন পৰ্যায়, নগৰ আদিক ভাগ ভাগ কৰাৰ কিছুমান মাপকাঠিও আছে; ইয়াৰ ভিতৰত জনসংখ্যাই প্ৰধান হ'লেও অৰ্থনৈতিক অৱস্থা, ব্যৱসায়িক গুৰুত্ব, জ্ঞান লাভৰ কেন্দ্ৰ আদি নানা বিষয়ে স্থান পায়। আন্তৰ্জাতিক পৰ্যায়ত চহৰবোৰক সাত ভাগত ভগোৱা হৈছে— গ্ল'বেল জিয়ান্ট, এছিয়ান এংকৰ্ছ, এমাৰ্জিং গেইটৱেজ, ফেক্টৰী চাইনা, নলেজ কেপিটেল্‌ছ, এমেৰিকান মিড্‌লৱেইট্‌ছ আৰু ইন্টাৰনেছনেল মিড্‌লৱেইট্‌ছ। ইয়াৰে এমাৰ্জিং গেইটৱেইজত মুম্বায়ে স্থান পাইছে, বাকীবোৰত ভাৰতীয় চহৰ নাই। ভাৰতৰ চহৰবোৰকো জনসংখ্যাৰ আধাৰত ভাগ কৰা হ'লেও দৰমহা আয়োগে চৰকাৰী চাকৰিয়ালক ঘৰভাড়া দিয়াৰ নিৰিখো সন্নিৱিষ্ট হৈ থাকে। পূৰ্বতে ভাৰতৰ চহৰবোৰৰ তিনিটা ভাগ এক্স, ৱাই আৰু জেদ আছিল। ইয়াৰে প্ৰথম ভাগৰ আঠখন হ'ল— আহমেদাবাদ, বাংগালুৰু, হায়দৰাবাদ, পুনে, চেন্নাই, দিল্লী, কলকাতা আৰু মুম্বাই। পূৰ্বতে শেহৰ চাৰিখনহে প্ৰথম পৰ্যায়ৰ আছিল, ২০১১ত আন চাৰিখন সেই পৰ্যায়লৈ আহে। সেইদৰে পূৰ্বতে ৭১ খন আৰু পাছত ৯২ খন ৱাই চিটী হয়, ইয়াৰ ভিতৰৰে এখন গুৱাহাটী বাকীবোৰ চহৰ জেদ পৰ্যায়ৰ। সেইদৰে টায়াৰ-এক, টায়াৰ-দুই, টায়াৰ-তিনি বিভাগ, প্ৰথম, দ্বিতীয়, ক'ড চিটী ধৰণৰ ভাগো আছে। একেদৰে ক্ষুদ্ৰ নগৰ, উপ-নগৰ, উপকণ্ঠ, বৃহৎ নগৰ, মহানগৰ, আঞ্চলিক মেট্ৰ', ৰাষ্ট্ৰীয় মেট্ৰ', আন্তঃৰাষ্ট্ৰীয় মেট্ৰ' ধৰণৰ বিভাগ বিভিন্ন কামৰ কাৰণে মানি চলে।



নগৰ-চহৰৰ তথ্য দাঙি ধৰোতে প্ৰাচীন কাললৈও মনত পৰে। সেই কালত নগৰ-চহৰবোৰ কিছুমান সৰু সৰু ভাগত ভাগ কৰা হৈছিল আজিকালিৰ ৱাৰ্ড বা মহলাৰ দৰে। সম্পূৰ্ণ নগৰক প্ৰথমে সমানে চাৰি ভাগত আৰু তাৰ পাছত সেইবোৰক পুনৰ ভাগ কৰা হৈছিল। চাৰিওফালে এশ এশ গাঁও (নিৰ্দিষ্ট বসতিৰ) থকা স্থানৰ মাজত এখন ডাঙৰ গাঁও থাকে, সেইখনৰ নাম 'দ্ৰোণমুখ', আধুনিক কালৰ সৰু নগৰ। আঠশ গ্ৰামৰ কেন্দ্ৰস্থলক বোলা হয় 'স্থানীয়', আজি-কালিৰ উপনগৰ। এনেদৰে ক্ৰমান্বয়ে সৰুৰ পৰা ডাঙৰ নগৰলৈ আগবঢ়া হয়। প্ৰত্যেকৰে শাসনকৰ্তা থাকে, নগৰবোৰ আৰু শাসনকৰ্তাৰ প্ৰাচীন নামবোৰ বাদ দি ক'ব বিচৰা হৈছে যে আধুনিক নগৰ ব্যৱস্থা যেন প্ৰাচীনৰে প্ৰতিচ্ছবি।

নতুনকৈ এখন নগৰ নিৰ্মাণৰ পৰিকল্পনা আৰু পূৰ্বতে থকা নগৰখনৰ স্থায়ী হৈ থকা বাসগৃহ, মন্দিৰ, আন উপাসনা গৃহ, খেলপথাৰ, শিক্ষানুষ্ঠান, বজাৰ, যান-বাহনৰ আস্থান, বাট-পথ আদিৰ সাল-সলনি কৰি নতুনকৈ সজোৱাৰ আঁচনি— দুয়োটা সম্পূৰ্ণ বেলেগ কথা। ইতিমধ্যেই স্থায়ী কাঠামো থকা স্থান নতুন সুবিধাৰে সজ্জিত কৰাটো অসম্ভৱৰ দৰেই কাম। ব্যতিক্ৰমী ক্ষেত্ৰত নতুন নগৰ-চহৰ গঢ়াৰ উদাহৰণ প্ৰাচীন কালতো আছিল, এতিয়াও আছে। মহাভাৰতত অন্ততঃ দুখন নতুন চহৰ নিৰ্মাণৰ কথা আছে। প্ৰথমখন হৈছে শ্ৰীকৃষ্ণৰ দ্বাৰাৱতী বা দ্বাৰকা আৰু দ্বিতীয়খন পাণ্ডৱৰ ৰাজধানী ইন্দ্ৰপ্ৰস্থ। প্ৰথমখনৰ নিৰ্মাতা দেৱকাৰিকৰ বিশ্বকৰ্মা, দেৱগোষ্ঠীৰ (মানুহৰ এটা গোষ্ঠী) প্ৰধান কাৰিকৰজনৰ উপাধি হৈছে বিশ্বকৰ্মা। কৃষ্ণৰ ঈশ্বৰত্ব দেখুৱাবৰ বাবে যিমানেই কোৱা নহওক যে মনৰ ইচ্ছাৰ লগে লগেই স্বৰ্গৰ অমৰাৱতীৰ দৰে দ্বাৰকা গঢ়ি উঠিছিল বুলি, বাস্তৱত মহাভাৰতত বৰ্ণনা কৰা হৈছে কেনেকৈ কৃষ্ণই প্ৰথমে নিজে আৰু পাছত বিশ্বকৰ্মাৰ হতুৱাই সম্পূৰ্ণ লৌকিক পদ্ধতিৰে নগৰ নিৰ্মাণ কৰিছিল। দ্বাৰকাৰ স্থানত কুশস্থলী নামেৰে এখন প্ৰাচীন পৰিত্যক্ত নগৰ আছিল, যিখন সম্পূৰ্ণ ভাঙি, খাল-ডোং পুতি, পাহাৰবোৰ সমান কৰি সমতল ভূমি উলিয়াই লৈছিল কৃষ্ণই। ইয়াৰ পাছত মাটিৰ জোখ-মাপ লৈছিল আৰু যাদৱৰ মুখিয়ালসকলক মাতি নিজৰ নিজৰ বাবে লগা পৰিমাণ বাছি ল'বলৈ কৈছিল। তাৰ পাছত প্ৰথম কাম কৰিছিল উত্তৰ-দক্ষিণা আৰু পূব-পশ্চিমাকৈ দুটা বৃহৎ ৰাজআলিৰ লগতে বিভিন্ন আলিৰ নিৰ্মাণ। বিভিন্ন

**চৰকাৰ আৰু পৌৰ প্ৰশাসনে নগৰ/চহৰবাসীক সা-সুবিধাবোৰ দি একো মহানতা প্ৰদান কৰা নাই, কাৰণ পৌৰ বাসিন্দাসকলে ইয়াৰ বাবে নিৰ্দিষ্ট পৰিমাণৰ কৰ দি থাকে, কাৰো দয়াৰ ওপৰত তেওঁলোকে নিৰ্ভৰ কৰিব নালাগে**

বাসগৃহ, মন্দিৰ, ৰাজহুৱা স্থান আৰু অন্যান্য সকলোবোৰৰ বাবে স্থান আগতীয়াকৈ ঠিক কৰি লৈছিল। কৃষ্ণই এসময়ত বুজিলে যে সকলো নিৰ্মাণৰ কাম তেওঁ অকলে তদাৰক কৰিব নোৱাৰিব, সেয়েহে বিশ্বকৰ্মাক মাতিলে। তেওঁ ভূমিৰ পৰিমাণ কম হ'ব বুলি কোৱাত সাগৰ তললৈ বাৰ যোজন (প্ৰায় ১৭০ কিঃমিঃ— এয়া অতিশয়োক্তি যেন লাগে) ভূমি আগবঢ়াই নিলে। অৱশ্যে ইয়াতে অলৌকিকতা আনিবৰ বাবে কাহিনীৰ সৃষ্টি কৰা হ'ল— সাগৰক কৃষ্ণই আদেশ দিলে ১২ যোজন পিছুৱাই যাবলৈ। সেইমতে সাগৰে আদেশ মানি ১২ যোজন ভূমি উলিয়াই দিলে। প্ৰাচীন কালত এক যোজন মানে প্ৰায় ১৪.২ কিলোমিটাৰ আৰু ১৪.২ বৰ্গ কিলোমিটাৰ দুয়োটাকে বুজায়। বৰ্গক্ষেত্ৰ বুজালে ১২ যোজনত ১৩x১৩ বৰ্গ কিলোমিটাৰ বুজাব, যিটো বাস্তৱ। মহাভাৰতত দ্বাৰকা নিৰ্মাণৰ বিশদ বৰ্ণনা আছে।

দ্বাৰকাৰ অভিজ্ঞতাৰে পাণ্ডৱৰ ৰাজধানী ইন্দ্ৰপ্ৰস্থ নিৰ্মাণ কৰাত কৃষ্ণৰেই হাত আছিল। ইয়াত মুখ্য কাৰিকৰজন হৈছে ময়দানৱ। দানৱ জনগোষ্ঠীৰ মুখ্য অভিযন্তাৰ উপাধি হৈছে ময়। খাণ্ডৱপ্ৰস্থ নামৰ আধা শিলাময়, কিছু গছ-গছনি থকা জনশূন্য অঞ্চলত নতুন ৰাজধানী প্ৰৱৰ্তন কৰা হৈছিল বাবে ইয়াতো সুন্দৰকৈ সকলোবোৰৰে পূৰ্ব পৰিকল্পনা কৰি লৈছিল। বৰ্তমান দিল্লীৰ ইন্দ্ৰপ্ৰস্থ নগৰেই পূৰ্বৰ পাণ্ডৱৰ ৰাজধানী আছিল বুলি বিশ্বাস কৰা হয়। কৌৰৱৰ ৰাজধানী হস্তিনাপুৰো মহাৰাজ হস্তীয়ে নতুনকৈ নিৰ্মাণ কৰিছিল।

আধুনিক কালতো সম্পূৰ্ণ নতুন ৰাজধানী নিৰ্মাণৰ উদাহৰণ আছে। চণ্ডীগড়ক তেনে চহৰ বুলিব পাৰি। চুইছ-ফৰাচী স্থপতিবিদ লি কৰ্বুচিয়াৰ নেতৃত্বত এদল অভিজ্ঞ অভিযন্তাই ১৯৫০ত ইয়াৰ নিৰ্মাণ আৰম্ভ কৰি ১০ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিছিল। চহৰখনৰ বাট-পথ, অট্টালিকা, ৰাজভৱন আদিও নৱ-নিৰ্মাণৰ পৰিকল্পিত আঁচনিৰ চিন দেখা যায়। ১৯৪৭ত পুৰণি পঞ্জাব প্ৰদেশ দুভাগ হৈ পশ্চিমৰ ভাগ পাকিস্তানত সোমাল আৰু পূবৰ ভাগ ভাৰতৰ হ'ল। তেতিয়া নতুন ৰাজধানীৰ দৰকাৰ হোৱাত কেন্দ্ৰীয় চৰকাৰৰ ধনেৰে চণ্ডীগড়ত ৰাজধানী নিৰ্মাণ হয়। পাছত পঞ্জাব পুনৰ দুভাগ হৈ হাৰিয়ানাৰ সৃষ্টি হোৱাত চণ্ডীগড় দুয়ো ৰাজ্যৰ উমৈহতীয়া ৰাজধানী হয়, পাছত চণ্ডীগড়ো কেন্দ্ৰীয় শাসিত অঞ্চল হয়। নগৰৰ নৱ নিৰ্মাণে পৰিকল্পনাৰ ভাল সুযোগ দিয়ে।

ৰাজ্য একোখন দুভাগ হৈ নতুন ৰাজ্য হওঁতে নতুন ৰাজধানী নিৰ্মাণৰ সিংহভাগ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে। অন্ধ্ৰপ্ৰদেশৰ পৰা তেলেংগানাৰ সৃষ্টি হওঁতে পূৰ্বৰ ৰাজধানী হায়দৰাবাদ তেলেংগানাৰ ভাগত পৰিল। অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে নতুন ৰাজধানীৰ ব্যয়ৰ দাবী কৰিলে আৰু কেন্দ্ৰীয় স্থান হিচাপে বিজয়ৱাড়াৰ ওচৰত অমৰাৱতীক ৰাজধানীৰ স্থান হিচাপে চিহ্নিত কৰিলে। নতুন ৰাজধানী নিৰ্মাণৰ বাবে প্ৰস্তাৱিত ব্যয় প্ৰায় ৫৬ হেজাৰ কোটি, ইয়াৰে ৪৩ হেজাৰ কোটিমান টকা কেন্দ্ৰই দিব। অম্ৰাৱতী নামৰ এখন চহৰ গুজৰাটতো আছে যদিও স্বৰ্গৰ অমৰাৱতীৰ দৰেই অন্ধ্ৰপ্ৰদেশৰ নতুন অমৰাৱতীও হ'ব, কাৰণ বেছিভাগ খালী ঠাই আৰু গাঁও অন্তৰ্ভুক্ত কৰা স্থানবোৰক সুদক্ষ নগৰ-পৰিকল্পক আৰু অভিযন্তা, কাৰিকৰ আদিয়ে আধুনিক সা-সুবিধা থকা সকলো ব্যৱস্থাৰে নতুন নগৰখন নিৰ্মাণ কৰিব। ২০২৪লৈকে অৱশ্যে হায়দৰাবাদেই দুয়োখন ৰাজ্যৰ উমৈহতীয়া ৰাজধানী হৈ থাকিব। উল্লেখ কৰি থ'ব পাৰি যে হায়দৰাবাদো অতি পুৰণি চহৰ হ'লেও ইয়াৰ বিশাল প্ৰসাৰণত পৰিকল্পিত আঁচনি গ্ৰহণ কৰা হৈছিল নতুন নিৰ্মাণৰ দৰেই। ইয়াতো নাইডুৰ অৰিহণা আছিল।

নতুন ৰাজ্যৰ সৃষ্টি হওঁতে নতুন ৰাজধানীৰ আৱশ্যকতা আৰু ইয়াৰ নিৰ্মাণৰ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰাৰ নিয়মৰ ব্যতিক্ৰম হৈছিল অসমৰ ক্ষেত্ৰত। অসম পুনৰ গঠন আঁচনিৰ মতে মেঘালয় ৰাজ্য গঠন হোৱাৰ পাছত পূৰ্বৰ ৰাজধানী শ্বিলঙেই অসম আৰু মেঘালয়ৰ ৰাজধানী হৈ আছিল যদিও মেঘালয়ে অসমক 'খেদিবলৈ' তীব্ৰ জোৰ দিছিল। বোধহয় সেই হেঁচাতে সেও মানি অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই 'ৰাতাৰাতি' অসমৰ ৰাজধানী দিছপুৰৰ 'গুদামবোৰলৈ' স্থানান্তৰ কৰিছিল। সৎ আৰু সহজ-সৰল মুখ্যমন্ত্ৰী হিচাপে সিংহ অনন্য হ'লেও এই ক্ষেত্ৰত তেওঁ বিচক্ষণতা দেখুৱাব নোৱাৰিলে, কাৰণ ৰাজধানীৰ স্থায়ী স্থান নিৰ্বাচন নকৰাকৈ তেনেদৰে শ্বিলঙৰ পৰা নিজৰ অধিকাৰ এৰি থৈ অহাটো আছিল অবিবেচকৰ কাম। ৰাজধানীৰ স্থান চন্দ্ৰপুৰ, কলিয়াবৰ বা আন ক'ৰবাত হোৱাটো বিতৰ্কিত কৰি ৰখা হ'ল, ফলত কেন্দ্ৰই নতুন ৰাজধানী নিৰ্মাণ কৰাৰ ধন নিদিলে। চণ্ডীগড় আৰু অমৰাৱতীৰ ক্ষেত্ৰত সেই সেই ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা ৰাজনৈতিক নেতাসকলে তেনে হ'বলৈ নিদিয়াত দুখন সুন্দৰ প্ৰায় নতুন চহৰ পালে। অসমৰ ক্ষেত্ৰত স্থানৰ অভাৱ থকা গুৱাহাটীতে ৰাজধানীৰ হেঁচাটো দিলে, নতুন এখন নগৰ/চহৰৰ পৰাও অসম বঞ্চিত হ'ল। এচাম স্বাৰ্থপৰ নেতাৰ মইমতালিয়ে গুৱাহাটীক ক্ৰমান্বয়ে বাসৰ অযোগ্য স্থান হ'বলৈ আগবঢ়াই নি আছে। এজন নেতাৰ আঁকোৰগোজ স্থিতিৰ বাবে ৰহাই এইমুহ হেৰুৱালে। সেইখন ৰহাৰ বিধায়ককেই আজি একেজন নেতাই ৰাজ্যসভাৰ ভোটৰ স্বাৰ্থত টনা-আঁজোৰা কৰি আছে। ৰাজ্যসভাৰ নিৰ্বাচনত লুটি-বাগৰ মৰা পূৰ্বৰ কাৰ্তিক সেন সিনহা, আব্দুল আজিজ, ৰুমী নাথ, অভিজিৎ হাজৰিকা আজি ৰাজনীতিৰ পথাৰৰ পৰা হেৰাই গ'ল। বাকীসকলৰ অৱস্থা কি হয় সময়েহে ক'ব।

চহৰৰ কথা কওঁতে আৰু এবিধ নতুন চহৰ 'স্মাৰ্ট চিটী'ৰ কথাও মনত পৰে। মোদীয়ে এশ তেনে চিটীৰ কথা ঘোষণা কৰিছিল। গুৱাহাটীকো বোলে তেনে চিটী কৰাৰ কথা। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে সজা, ব্ৰহ্মপুত্ৰৰ তলেদি পথ সজা আদিৰ দৰে স্মাৰ্ট চিটীৰ দৰে প্ৰতিশ্ৰুতিবোৰৰ কথাও আজি ৰাইজে পাহৰিলে। ৰাইজক ভোলাবলৈ চৰকাৰে নতুন নতুন সপোন দেখুৱাই থাকিব, ৰাইজেও পাহৰিয়েই থাকিব।

*ফোন : ৮১৩৫৮৩৫২১৯*

# ঔষধ পৰিৱেশৰ নীৰৱ ঘাতক ?

### আমি যেতিয়া ঔষধ সেৱন কৰো, তেতিয়া সাধাৰণতে তাৰ ক্ৰিয়া সাব্যস্ত হ'বলৈ হ'লে তেজত এক নিৰ্দিষ্ট গাঢ়তাৰ সীমাত উপনীত হ'ব লাগিব। কিন্তু আমাৰ কিডনিয়ে নিজস্ব স্বাভাৱিক প্ৰক্ৰিয়াৰে ঔষধবোৰ অপসাৰণ কৰিবলৈ চেষ্টা কৰে, কাৰণ এই দ্ৰব্যবোৰ আচলতে শৰীৰটোৰ বাবে অচিনাকি বা বিদেশী

বিপুল শইকীয়া

**সাধাৰণতে** ঔষধৰ প্ৰাসংগিকতা তেতিয়াহে আহে যেতিয়া আমি অসুখত পৰো। তেতিয়া সঠিক মাত্ৰাৰ এটা সঠিক ঔষধেই আমাৰ ত্ৰাণকৰ্তা হৈ পৰে। ঔষধ হৈছে এটা ৰাসায়নিক যৌগ যাৰ গঠন আৰু ক্ৰিয়া সাধাৰণতে অতি জটিল আৰু এই বিষয়ত সাধাৰণ লোকৰ ন্যূনতম জ্ঞানো নাথাকিব পাৰে। সুস্থ ব্যক্তি এজনে বিনা প্ৰয়োজনত এনে অচিনাকি দ্ৰব্য এবিধ অতি কম মাত্ৰাতো গ্ৰহণ কৰা মানেই তেওঁৰ নিজৰ দেহৰ স্বাভাৱিক সক্ষমতাৰ স'তে আপোচ কৰা। বৰ্তমান সমাজত ঔষধৰ প্ৰচলন অতি দ্ৰুত হাৰত বৃদ্ধি হোৱা দেখা গৈছে। ৰোগীৰ উপৰি বহু সুস্থ লোকেও বিভিন্ন উদ্দেশ্যেৰে বিভিন্ন ঔষধ গ্ৰহণ কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। গুৰুতৰ বিকাৰহীন এটা দেহত অকাৰণতে ঔষধ প্ৰয়োগ কৰি থাকিলে দেহত কি প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব সেয়া বিশেষজ্ঞইহে জানিব, কিন্তু ইয়াৰ ফলত যে ঔষধৰ চাহিদা বৃদ্ধি ঘটি ইয়াৰ উৎপাদন বৃদ্ধি হয় সেয়া সাধাৰণ জ্ঞান। চাহিদা বৃদ্ধিয়ে যিকোনো বস্তুৰ মূল্য বৃদ্ধিত অৰিহণা যোগায়। আনহাতে, উৎপাদিত ঔষধবোৰৰ এটা নিৰ্দিষ্ট ম্যাদ থাকে, ইয়াৰ পাছত সেইবোৰ আবৰ্জনালৈ পৰিণত হয়। এই আবৰ্জনাৰ শেষ আশ্ৰয় হ'ল আমাৰ পৰিৱেশ। আধুনিক জীৱনশৈলীত ঔষধি আৰু ৰাসায়নিক পণ্যদ্ৰব্যসমূহৰ প্ৰয়োজনীতা নুই কৰিব নোৱাৰি, কিন্তু এই দ্ৰব্যবোৰৰ অবাধ ব্যৱহাৰৰ পাছত সেইবোৰৰ অৱশিষ্ট আৰু অপ্ৰয়োজনীয় অংশটো পৰিৱেশত ক্ৰমে সঞ্চিত হ'বলৈ আৰম্ভ কৰিছে। ইয়াৰ ভিতৰত আছে পিল, বেজি, ছেলাইন, এন্টিবায়'টিক, এন্টিভাইৰেল, এন্টিছেপটিক, ভেকচিন, ভিটামিন, প্ৰটিনদায়ক আদি ৰাসায়নিক যৌগসমূহে সৃষ্টি কৰা আবৰ্জনাসমূহ। এনে পৰিস্থিতিত আমি এক নতুন সমস্যাৰ মুখামুখি হ'বলৈ আগবাঢ়িছো, সেয়া হৈছে — ঔষধীয় প্ৰদূষণ।

বিশ্বৰ জনসংখ্যা উৰ্দ্ধমুখী হোৱাৰ সমান্তৰালভাৱে ঔষধৰ প্ৰচলনো বৃদ্ধি হৈছে। বিগত শতিকাটোত কেইবাটাও কাৰণত ঔষধ বা ঔষধজাত পথ্যৰ ওপৰত মানুহৰ নিৰ্ভৰতা পূৰ্বৰ তুলনাত বৃদ্ধি পোৱা দেখা গ'ল, তাৰ ভিতৰত মহামাৰীৰ প্ৰকোপ, দুৰাৰোগ্য ব্যাধিৰ প্ৰাদুৰ্ভাৱ বা জনসাধাৰণৰ স্বাস্থ্য সচেতনতা বৃদ্ধি আদিয়ে প্ৰধান। একৈছ শতিকাৰ আৰম্ভণিতেই বিশ্বই ন-পুৰণি নানান ৰোগৰ লগতে ক'ভিড-১৯ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলগীয়াত পৰিল। ইয়াৰ পৰিণতিত স্বাস্থ্য ৰক্ষাৰ বাবে ঔষধ-পথ্যৰ কৃত্ৰিম ব্যৱস্থা এটা উত্তৰাধুনিক মানৱ সমাজৰ অবিচ্ছেদ্য অংগস্বৰূপ হৈ পৰিছে। ঔষধৰ ওপৰত সৰ্বসাধাৰণৰ নিৰ্ভৰতা ইমানেই বৃদ্ধি পাইছে যে ঔষধ-পথ্য-নিদান অবিহনে সাধাৰণ পেটৰ ৰোগ, পানীলগা আদি বেমাৰো নুগুচা হ'ল, আনকি ঔষধ গ্ৰহণ নকৰাকৈ মুক্তভাৱে হাঁহি এটা মৰাটোও বহুতৰ বাবে কঠিন হৈ পৰিছে।

আমি যেতিয়া ঔষধ সেৱন কৰো, তেতিয়া সাধাৰণতে তাৰ ক্ৰিয়া সাব্যস্ত হ'বলৈ হ'লে তেজত এক নিৰ্দিষ্ট গাঢ়তাৰ সীমাত উপনীত হ'ব লাগিব। কিন্তু আমাৰ কিডনিয়ে নিজস্ব স্বাভাৱিক প্ৰক্ৰিয়াৰে ঔষধবোৰ অপসাৰণ কৰিবলৈ চেষ্টা কৰে, কাৰণ এই দ্ৰব্যবোৰ আচলতে শৰীৰটোৰ বাবে অচিনাকি বা বিদেশী। কিডনিৰ এই ক্ৰিয়াৰ ফলত আমি গ্ৰহণ কৰা ঔষধৰ শতকৰা ৯০ ভাগেই ৰাসায়নিকভাৱে অপৰিৱৰ্তিত ৰূপত মল-মূত্ৰৰ স'তে শৰীৰৰ পৰা বৰ্জিত হয়। ইয়াৰ সৰল অৰ্থ হ'ল এয়ে যে যদি আমি ঔষধৰ শতকৰা ১০ ভাগ গ্ৰহণ কৰো তেন্তে মাটিয়ে গ্ৰহণ কৰা পৰিমাণটো হ'ল শতকৰা ৯০ ভাগ। আনহাতে, কৃষিপামসমূহত প্ৰয়োগ কৰা জীৱ-জন্তুৰ ঔষধ, নৰ্দমা আৰু জাবৰৰ দ'মলৈ নিক্ষেপ কৰা ম্যাদ উকলি যোৱা ঔষধ বা ঔদ্যোগিক খণ্ডৰ বৰ্জিত পদাৰ্থবোৰেও মূৰকত গৈ মাটিৰ বুকুত আশ্ৰয় লয়গৈ।

২০০৭ৰ এটা অধ্যয়নত হায়দৰাবাদৰ আবৰ্জিত-পানী উপচাৰ প্ৰকল্প এটাৰ পৰা নিৰ্গত হোৱা পানীত অতি উচ্চ মাত্ৰাত এন্টিবায়'টিক ঔষধ দ্ৰৱীভূত হৈ থকাটো ধৰা পৰিছিল আৰু সেই পৰিমাণটো একেটা ঔষধ সেৱন কৰা এজন ব্যক্তিৰ তেজত থকা পৰিমাণতকৈ বহুগুণে বেছি আছিল। কোনো কোনো ক্ষেত্ৰত সেই পানীত দৈহিকভাৱে সঞ্চিত এন্টিবায়'টিকৰ পৰিমাণ সৰ্বোচ্চ ৪৫ কিলোগ্ৰাম পৰ্যন্ত আছিল, সমান পৰিমাণৰ এন্টিবায়'টিক চুইডেনৰ দৰে সৰু দেশ এখনৰ জনসাধাৰণে পাঁচ দিনত সেৱন কৰে। উল্লেখ্য যে প্ৰকল্পটোৱে অঞ্চলটোৰ ৯০টা ঔষধ প্ৰস্তুতকাৰী কোম্পানীৰ ফেক্টৰী-বৰ্জিত পানী শোধন কৰি আহিছে।

হায়দৰাবাদৰ উদাহৰণটো কেৱল এটা আঞ্চলিক বা বিক্ষিপ্ত ঘটনা নহয়। সম্প্ৰতি বিশ্বৰ জলভাণ্ডাৰত বহুতো ঔষধৰ লগতে এন্টিবায়'টিক, এনালজেছিক, এন্টি-ইনফ্লেমেটৰী, এন্টিহিষ্টামাইন, গৰ্ভনিৰোধক ইষ্ট্ৰ'জেন, কলেষ্টেৰলৰ ঔষধ, উচ্চ-ৰক্তচাপৰ বিটা-অৱৰোধক আদিৰ উপস্থিতি ধৰা পৰিছে। ২০১৬ত জাৰ্মেনীৰ এটা গৱেষণাত প্ৰকাশ যে ৭১খন দেশৰ জলভাগত মুঠতে ৬৩১টা ৰাসায়নিকভাৱে সক্ৰিয় যৌগৰ উপস্থিতি পোৱা গৈছে। অলপতে অষ্ট্ৰেলিয়াৰ এটা গৱেষণাত প্ৰকাশ পাইছে যে মেলবৰ্ণ মহানগৰৰ দাঁতি-কাষৰীয়া নদ-নদীবোৰৰ আশে-পাশে বাস কৰা ১৯০ বিধ অমেৰুদণ্ডী প্ৰাণীৰ দেহত ৬৯ বিধ ঔষধৰ উপস্থিতি ধৰা পৰিছে। গৱেষকসকলৰ মতে এইবোৰ প্ৰাণী ভক্ষণ কৰি বৰ্তি থকা প্লাটিপ্যাছ নামৰ পাতিহাঁহবিধে এজন প্ৰাপ্তবয়স্ক ৰোগীৰ বাবে নিৰ্ধাৰিত এটা অৱসাদৰোধক ঔষধৰ দৈনিক পৰিমাণৰ আধাভাগেই গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। আনহাতে ডাইক্ল'ফেনাক নামৰ প্ৰদাহৰোধী ঔষধবিধৰ বাবে ভাৰতীয় শগুণৰ তিনিটা প্ৰজাতি বিলুপ্ত হোৱাৰ পথত বুলি কুৰি শতিকাৰ শেষৰ দশকটোত বাতৰি পোৱা গৈছিল। উল্লেখ্য যে বৃহৎ কৃষিপামবোৰৰ পৰা আঁতৰাই পেলোৱা মৃত জীৱ-জন্তুবোৰ ভক্ষণৰ বাবেই তাৎক্ষণিকভাৱে শগুণৰ এই দশা হৈছে, কাৰণ শগুণৰ দেহত ডাইক্ল'ফেনাক পাচনৰ বাবে প্ৰয়োজনীয় এনজাইমটো নাথাকে।



চৰকাৰী তথ্য অনুসৰিয়েই একমাত্ৰ এইটো কাৰণতে ১৯৯১ৰ পৰা ২০০০ৰ ভিতৰত ভাৰতীয় উপমহাদেশত কোটি কোটি শগুণৰ মৃত্যু হৈছে। শগুণ হৈছে ফাৰ্মবোৰৰ পৰা বৰ্জিত গেলা-পচা শবোৰৰ মুখ্য ভক্ষণকাৰী। শগুণৰ সংখ্যা হ্ৰাস হোৱাৰ ফলত গেলা-পচা শবোৰ খাদ্য হিচাপে উদঙীয়া কুকুৰৰ বাবে উভৈনদী হৈ পৰিছে যিটোৱে আকৌ এনে কুকুৰৰ সংখ্যা বৃদ্ধিত সহায় কৰিছে। উদঙীয়া কুকুৰৰ বৰ্ধিত সংখ্যাটোৱে ইফালে মানুহৰ মাজত জলাতংক ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি কৰি উল্লেখিত সময়ছোৱাৰ ভিতৰত প্ৰায় ৫০ হেজাৰ লোকৰ মৃত্যু ঘটাইছিল। অৱশ্যে ২০০৫ত ভাৰত চৰকাৰে পশুচিকিৎসা খণ্ডটোৰ পৰা কেবাটাও পৰ্যায়ত ডাইক্ল'ফেনাকৰ অপসাৰণ ঘটোৱাৰ বাবে ইচ্ছুক বুলি ঘোষণা কৰিছিল, সেয়া বাস্তৱত পৰিণত হৈছে নে নাই জনা নাযায়। কিন্তু এই ঔষধটো চৰ্দ্দি-জ্বৰ-বিষকে ধৰি প্ৰায় সকলোবোৰ উপসৰ্গতে এতিয়াও বহুল পৰিমাণে ব্যৱহৃত হৈ আছে।

পৰিৱেশত ঔষধ জমা কৰাৰ ক্ষেত্ৰত উন্নত দেশসমূহো পিছ পৰি থকা নাই। উদাহৰণস্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিচিগান হ্ৰদৰ পাৰত থকা আবৰ্জনা নিষ্কাশন প্ৰকল্পবোৰৰ পৰা পাঁচ কিলোমিটাৰ দূৰৰ স্থান পৰ্যন্ত মেটফ'ৰমিন নামৰ ঔষধটো উচ্চ মাত্ৰাত পোৱা গৈছে। মেটফ'ৰমিন, ইষ্ট্ৰ'জেন আদি ঔষধে মতা মাছৰ স্ত্ৰীলিংগীকৰণ ঘটাই মাছলৈ গুৰুতৰ ভাবুকি কঢ়িয়াই আনিছে, যাৰ ফলত ভৱিষ্যতে মানুহেই আটাইতকৈ ক্ষতিগ্ৰস্ত হ'ব। ভূ-জলত অকজেটাইন বা প্ৰ'যাক নামৰ ঔষধটোৰ উপস্থিতিৰ ফলত মাছ, শামুক আৰু অন্যান্য জলচৰবোৰৰ আচৰণগত পৰিৱৰ্তন ঘটা পৰিলক্ষিত হৈছে। এই অস্বাভাৱিকতাসমূহ খাদ্য-শৃংখলৰ জৰিয়তে অন্যান্য জীৱ-জন্তুলৈ সঞ্চাৰিত হৈছে। যেনে, কেতবোৰ অমেৰুদণ্ডী প্ৰাণীৰ ওপৰত বৰ্তি থকা মইনা চৰাইৰ দেহত ফ্লুঅকজেটাইনৰ প্ৰৱেশ ঘটাৰ ফলত মতা চৰাইৰ প্ৰতি মাইকীবোৰৰ প্ৰকৃতি-দত্ত জৈৱিক আকৰ্ষণ লক্ষ্যণীয়ভাৱে হ্ৰাস পাইছে বুলি গৱেষণাত ধৰা পৰিছে। গৱেষকসকলৰ মতে, ঔষধ-প্ৰদূষিত জলত বাস কৰাৰ পৰিণামত কোনো বিশেষ প্ৰজাতিৰ মাছৰ এক বৃহৎ গোষ্ঠী পৰিৱৰ্তিত আৰু ক্ৰমাগতভাৱে প্ৰদূষিত পৰিৱেশত তিষ্ঠি থাকিবলৈ অপাৰগ হৈ বিলুপ্তিৰ গৰাহত পৰে। এনেদৰে কিছুমান প্ৰজাতিৰ জীৱ-জন্তু পৰিস্থিতিতন্ত্ৰটোৰ পৰা ক্ৰমান্বয়ে অন্তৰ্ধান হ'বলৈ আৰম্ভ হোৱাটো পৰিস্থিতিতন্ত্ৰৰ স'তে অতি সংবেদনশীল সম্পৰ্কত থকা মানুহ প্ৰজাতিটোৰ বাবে কিমান ভয়াবহ হৈ উঠিব সেয়া কল্পনাৰো অগোচৰ।

সমীক্ষাই দেখুৱাইছে যে প্ৰতি বছৰে পৰিৱেশত জমা হোৱা এন্টিবায়'টিকৰ মুঠ পৰিমাণটো হ'ল প্ৰায় ১,২৫,০০০ টন। জলভাণ্ডাৰত সঞ্চিত হোৱা এন্টিবায়'টিকে অতিকীটবোৰৰ উদ্ভৱ হোৱাৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰিছে। বিষেশজ্ঞসকলে ভাৱে, এই অতিকীটবোৰে পৰৱৰ্তীকালত কৰ'নাতকৈও ভয়াবহ মহামাৰী সৃষ্টি কৰিব। ইতিমধ্যে এনে দ্ৰব্য প্ৰস্তুতকাৰী প্ৰতিষ্ঠানবোৰৰ ওচৰ-পাজৰৰ জলতন্ত্ৰত প্ৰতি-অণুজৈৱিকৰোধী বেক্টেৰিয়াৰ উপস্থিতিৰ তথ্য বিভিন্ন অধ্যয়নত নিশ্চিত হৈছে। উল্লেখ্য যে হায়দৰাবাদৰ উদাহৰণটোত এন্টিবায়'টিক-প্ৰতিৰোধী বেক্টেৰিয়াৰ জিন অতি উচ্চ মাত্ৰাত পোৱা গৈছিল। এই জিনে এন্টিবায়'টিকৰ কাৰ্যকাৰিতা প্ৰতিৰোধ কৰে, আনকি বহু ৰোগীৰ ক্ষেত্ৰত শেষ উপায় হিচাপে প্ৰয়োগ কৰা প্ৰতি-অণুজৈৱিক ঔষধৰো ক্ৰিয়া নাশ কৰে বুলি প্ৰমাণিত হৈছে।

বৰ্তমান চিকিৎসা সেৱা খণ্ডটো সমগ্ৰ বিশ্বতে এক লাভজনক ব্যৱসায়ত পৰিণত হৈছে বুলি প্ৰায়ে শুনা যায়। এই অভিযোগ কিমানদূৰ সত্য সেই সম্পৰ্কে অন্তহীন বিতৰ্কৰ অৱকাশ আছে, কিন্তু স্বীকাৰ কৰিবই লাগিব যে স্বাস্থ্যৰ ক্ষেত্ৰত জণসাধাৰণৰ সচেতনতা আৰু সজাগতা পৰ্যাপ্ত নহয়। শৰীৰতাত্ত্বিক ক্ৰিয়া-প্ৰক্ৰিয়াবোৰৰ সম্পৰ্কে গৰিষ্ঠ সংখ্যক লোক ভালদৰে অৱগত বুলি নিশ্চয়তা প্ৰদান কৰিব নোৱাৰি, গতিকে তেওঁলোক ঔষধৰ ওপৰত অযথা নিৰ্ভৰশীল নহয় বুলি ডাঠি ক'ব নোৱাৰি। বিজ্ঞান-প্ৰযুক্তিয়ে স্বাস্থ্যকৰ জীৱন-যাত্ৰাৰ উন্নতি ঘটাইছে বুলি দাবী কৰা হয় যদিও ন-ন স্বাস্থ্যজনিত সমস্যা যেনে বহুমূত্ৰ, হৃদৰোগ ইত্যাদিৰ দৰে প্ৰাণঘাতী ৰোগবোৰৰো প্ৰাদুৰ্ভাৱ বাঢ়ি আহিছে। এইবোৰ হৈছে স্থায়ী সমাধানহীন দুৰাৰোগ্য ব্যাধি, ৰোগীয়ে ঔষধৰ ওপৰতে আজীৱন বৰ্তি থাকিব লগা হয়। ফলত সমাজৰ এক বুজন সংখ্যক লোকৰ ঔষধ-নিৰ্ভৰশীলতা চকুত লগাকৈ বৃদ্ধি পাইছে। সমীক্ষামতে, আমেৰিকা যুক্তৰাষ্ট্ৰত ১৮ বছৰৰ ওপৰৰ প্ৰায় ৭০ শতাংশ লোকেই নিয়মিতভাৱে ঔষধ ব্যৱহাৰ কৰে আৰু এইবোৰ হৈছে চিকিৎসক-অনুমোদিত ঔষধ। প্ৰতি পাঁচজনৰ এজন আমেৰিকানে পাঁচটা বা তাতকৈ বেছি প্ৰেছক্ৰিপশ্যন-ঔষধ ক্ৰয় কৰে। উল্লেখ্য যে প্ৰতি ১০০০ লোকৰ ভিতৰত প্ৰেছক্ৰিপশ্যন-ঔষধ ব্যৱহাৰ কৰা লোকৰ সংখ্যা কেইখনমান দেশৰ ক্ষেত্ৰত এনেধৰণৰ— ইটালী (৯৫৭), জাৰ্মেনী (৫৬১), ব্ৰিটেইন (৫৫৫), ডেনমাৰ্ক (৪৮১) আৰু গ্ৰীচ (১১০০)।

ভাৰততো জধেমধে এন্টিবায়'টিক ব্যৱহাৰ কৰাৰ প্ৰমাণ আছে। ২০১৪ত প্ৰথমবাৰৰ বাবে চলোৱা এটা সমীক্ষাত পোৱা গৈছিল যে প্ৰতি এহেজাৰজন ভাৰতীয় ব্যক্তিৰ ভিতৰত ৪১২ জনক এন্টিবায়'টিক প্ৰদান কৰা হৈছিল। একেটা বছৰতে ৫২ কোটি লোকক নিদান-পত্ৰৰ জৰিয়তে এন্টিবায়'টিক প্ৰদান কৰা হৈছিল। ভাৰতৰ পি.এইচ.এফ.আই. নামৰ এটা প্ৰতিষ্ঠানে PLOS ONE নামৰ এখন জাৰ্ণেলত প্ৰকাশ কৰিছে যে এন্টিবায়'টিকবোৰ সাধাৰণতে উৰ্দ্ধ-শ্বাস সংক্ৰমণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰি অহা হৈছে। কিন্তু এনেবোৰ ৰোগ মূলতঃ ভাইৰেলজনিত আৰু স্ব-নিয়ন্ত্ৰক অৰ্থাৎ এইবোৰ নিজে নিজেই নিয়ন্ত্ৰণত আহিবলগীয়া ৰোগ। ভাইৰেল ৰোগৰ চিকিৎসাত এন্টিবায়'টিক কোনো কাৰণতে ব্যৱহাৰ কৰিব নোৱাৰি বা কৰা উচিত নহয়। উক্ত সমীক্ষাটোতে ধৰা পৰিছে যে, ভাৰতীয় চিকিৎসকৰ নিদান-পত্ৰত শেহতীয়াভাৱে নিষিদ্ধ ঘোষিত ৩৪৪ বিধৰ ৮০ শতাংশই ঠাই পায়।

এইবোৰ তথ্যপাতিৰ পৰা সহজেই অনুমান কৰিব পাৰি যে ঔষধে পাৰিপাৰ্শ্বিকত যি ঋণাত্মক প্ৰভাৱ পেলাইছে, সেয়া খাল কাটি ঘঁৰিয়াল চপাই লোৱাৰ দৰে হৈছে। ঔষধে সৃষ্টি কৰা বিষাক্ত পৰিৱেশত প্ৰাণীজগত আৰু উদ্ভিদজগতৰ সুস্বাস্থ্য আশা কৰাটো অবান্তৰ। সময় থাকোতেই সঠিক উপলব্ধি নকৰিলে অনতিপলমে আমাৰ ত্ৰাণকৰ্তাৰূপী ঔষধবোৰে যে অৱশেষত 'সাপ হৈ খুটি বেজ হৈ জৰা'ৰ ভূমিকা ল'বগৈ তাত কোনো সন্দেহ নাই।

*ফোন : ৮০১১৪৩৮৫০০*

## কাৰাগাৰতে থাকিব লাগিব খালিদ, পুনৰ জামিন প্ৰত্যাখ্যান



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** দিল্লী হিংসা কাণ্ডৰ গোচৰত অভিযুক্ত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় (জে এন ইউ)ৰ প্ৰাক্তন ছাত্ৰ ওমৰ খালিদৰ জামিন আবেদন আদালতে পুনৰ নাকচ কৰিলে। খালিদৰ হৈ তেওঁৰ অধিবক্তাই জামিন বিচাৰি আদালতৰ দ্বাৰস্থ হৈছিল যদিও অতিৰিক্ত সত্ৰ আদালতে আজি এই জামিন আবেদন পুনৰ প্ৰত্যাখ্যান কৰে। জামিন নাকচ হোৱাৰ ফলত খালিদ কাৰাগাৰতে থাকিব লাগিব। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু সংশোধিত নাগৰিকত্ব আইনৰ বিৰোধিতাৰে দিল্লীত হোৱা প্ৰতিবাদী আন্দোলনৰ সময়ত ৰাজধানী চহৰখনত সংঘটিত হোৱা হিংসাকাণ্ডৰ গোচৰত দিল্লী আৰক্ষীয়ে জে এন ইউৰ প্ৰাক্তন ছাত্ৰজনক গ্ৰেপ্তাৰ কৰিছিল।

## ইউক্ৰেইনত পুটিনৰ বিৰুদ্ধে বাতৰি পৰিৱেশন কৰা ৰুছ সাংবাদিকক হত্যা ৰুছ সেনাৰ



**নিউজ ব্যুৰ', কীভ, ২৪ মাৰ্চ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত বিগত প্ৰায় এমাহ ধৰি যুদ্ধ অব্যাহত আছে। এই যুদ্ধত বৰ্তমানলৈকে কে'বা হেজাৰ লোকৰ মৃত্যু হ'ল। তদুপৰি লাখ লাখ লোকে ইউক্ৰেইন ত্যাগ কৰি আন দেশত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। ইউক্ৰেইনৰ ৰাজধানী কীভত বুধবাৰে হোৱা ৰুছ সেনাৰ আক্ৰমণত ৰাছিয়াৰ এগৰাকী সাংবাদিকৰ মৃত্যু হ'ল। প্ৰকাশিত বাতৰি অনুসৰি এই মহিলা সাংবাদিকগৰাকীয়ে ইউক্ৰেইনত ৰাছিয়াই চলোৱা আক্ৰমণৰ তীব্ৰ বিৰোধিতা কৰিছিল। তদুপৰি সাংবাদিকগৰাকীয়ে ভ্লাডিমীৰ পুটিন চৰকাৰৰ নীতিৰ বিৰুদ্ধেও ইউক্ৰেইনৰ পৰা বাতৰি পৰিৱেশন কৰিছিল। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি কীভৰ সমীপত কালি ৰুছ সেনাই বোমাবৰ্ষণ কৰাত ৪২ বছৰীয়া অ'ক্সানা বালিনা নামৰ ৰাছিয়াৰ মহিলা সাংবাদিকগৰাকীৰ মৃত্যু হৈছিল। অ'ক্সানাই 'দ্য ইনছাইডাৰ' নামৰ অনুসন্ধানী সংবাদ সংস্থাটোৰ হৈ সাংবাদিক হিচাপে কাম কৰিছিল। ৰুছ সেনাৰ বোমা আক্ৰমণৰ ঘটনাত অ'ক্সানাৰ লগতে আন এজন ইউক্ৰেইনৰ নাগৰিকৰো মৃত্যু হ'ল। তদুপৰি এই ঘটনাত আন দুজন লোক গুৰুতৰভাৱে আহত হৈছে। উল্লেখ্য যে ইউক্ৰেইনত অব্যাহত থকা যুদ্ধত অ'ক্সানাসহ মুঠ পাঁচজন সাংবাদিকৰ মৃত্যু হ'ল।

## ভাৰতৰ কাৰাগাৰত আছে ৩.৭০ লাখ বিচাৰাধীন কয়দী



**নিউজ ব্যুৰ'**
**ৰাঁচী, ২৪ মাৰ্চ ঃ** দেশৰ বিভিন্ন কাৰাগাৰত সম্প্ৰতি বন্দী হৈ আছে ৩.৭০ লাখৰো অধিক বিচাৰাধীন কয়দী। কেৱল ঝাৰখণ্ডতে কাৰাগাৰত আছে ১৭ হেজাৰৰো অধিক বিচাৰাধীন কয়দী। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই লোকসভাত এই তথ্য দাখিল কৰিলে। লোকসভাৰ সাংসদ সঞ্জয় শেঠে উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰ দি কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি দেশত সম্প্ৰতি ৩,৭১,৮৪৮ জন বিচাৰাধীন কয়দী কাৰাগাৰত আছে। এইসকল কয়দীৰ ১৭,১০৩ জন বিচাৰাধীন কয়দী ঝাৰখণ্ডৰ কাৰাগাৰত আছে। দেশৰ ভিতৰতে সৰ্বনিম্ন বিচাৰাধীন কয়দী আছে লাক্ষাদ্বীপত। লাক্ষাদ্বীপৰ কাৰাগাৰত সম্প্ৰতি মাত্ৰ দুজন বিচাৰাধীন কয়দী আছে। আনহাতে, বিহাৰৰ কাৰাগাৰত বৰ্তমানে বন্দী হৈ আছে ৪৪,১৮৭ জন বিচাৰাধীন কয়দী।

## ইমৰানে ক'লে, 'মই পদত্যাগ নকৰো, বিৰোধী দলক ভাল চমক দিম'

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৪ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ আসন সংকটৰ সন্মুখত। অহা ২৫-২৮ মাৰ্চৰ ভিতৰত ক্ষমতাচ্যুত হ'ব পাৰে পাকিস্তানৰ প্ৰধানমন্ত্ৰী। প্ৰকাশিত বাতৰি অনুসৰি ২৫-২৮ মাৰ্চৰ ভিতৰত নেচনেল এছেম্বলিত বিৰোধীয়ে উত্থাপন কৰা অনাস্থা ভোট অনুষ্ঠিত হ'ব। ইতিমধ্যে ইমৰানৰ চৰকাৰ সংখ্যালঘুত পৰিণত হৈছে, কিয়নো ইমৰানৰ প্ৰতি তিনিটাকৈ দলে সমৰ্থন প্ৰত্যাহাৰ কৰিছে। পাকিস্তানৰ সেনা বাহিনীয়েও ইমৰানক পদত্যাগ কৰিবলৈ হেঁচা অব্যাহত ৰাখিছে। কিন্তু ইমানৰ পাছতো প্ৰধানমন্ত্ৰীৰ আসন ত্যাগ কৰিবলৈ সন্মত নহয় ইমৰান। আজি ইমৰানে স্পষ্টভাৱে কয় যে কোনো কাৰণতে তেওঁ পদত্যাগ নকৰে। 'মোৰ পদত্যাগ দাবী কৰা সকলে শুনি লওক, মই অন্তিমটো বললৈকে ভালদৰে খেলিব জানো। পদত্যাগ নকৰো। মোৰ হাতত বিকল্প উপায় আছে। এই কথা জানিলে সমগ্ৰ বিশ্ব অবাক হ'ব।' সংবাদ মাধ্যমৰ আগত এইদৰে মন্তব্য কৰি পাক প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে অচিৰে তেওঁ দেশখনৰ বিৰোধী দলক এক বিশেষ চমক দিব। 'বিৰোধীৰ হাতত এতিয়া ক'বলৈ আৰু কৰিবলৈ একো নাই। মই তেওঁলোকক এক ভাল চমক দিম। তেওঁলোকে নিজৰ মুখা খুলিলে, কিন্তু মই সময়তহে খেল খেলিম। নেচনেল এছেম্বলিত অনাস্থা ভোট হ'বলৈ দিয়ক। তাৰপাছত চাওক কি হয়? তেওঁলোক কেতিয়াও সফল নহ'ব। পৰিস্থিতি যিয়েই নহওক মই কেতিয়াও পদত্যাগ নকৰো। অন্তিম বললৈকে খেলখন খেলি যাম। বিৰোধী নিজেই তীব্ৰ হেঁচাত আছে। ইয়াতকৈ অধিক মই ক'ব নিবিচাৰো।' ইমৰানে আজি এইদৰে কয়।



### আমেৰিকা, সংযুক্ত আৰব আমিৰাত, চীন, বাংলাদেশ, নেডাৰলেণ্ডছলৈ সৰ্বাধিক পৰিমাণৰ পণ্য ৰপ্তানি

## নতুন অভিলেখ ঃ ৪০০ বিলিয়ন ডলাৰৰ পণ্য ৰপ্তানি ভাৰতৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ মাৰ্চ ঃ** কৰ'না মহামাৰী আৰম্ভ হোৱাৰ লগে লগে ভাৰতত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। পি পি ই কীটৰ পৰা আৰম্ভ কৰি বহু সামগ্ৰী ভাৰতে বিদেশৰ পৰা আমদানি কৰিবলৈ বাধ্য হৈছিল। গালৱান সংঘৰ্ষৰ পৰিণতিত চীনৰ পৰাও সামগ্ৰী আমদানিৰ ক্ষেত্ৰত ভাৰত সমস্যাৰ সন্মুখীন হৈছিল। তেনে পৰিস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ উদ্যোগীসকলক বিপৰ্যয়ৰ মাজতে সুযোগৰ সন্ধান কৰিবলৈ আহ্বান জনাইছিল। আত্মনিৰ্ভৰ ভাৰত গঢ়াত ব্যৱসায়ী আৰু উদ্যোগপতিক আগবাঢ়ি আহিবলৈ প্ৰধানমন্ত্ৰীয়ে জনোৱা উক্ত আহ্বানৰ সুফল লাভ কৰিলে দেশে। চলিত বিত্তীয় বৰ্ষত ভাৰতে ৰপ্তানি বাণিজ্যৰ ক্ষেত্ৰত এক নতুন অভিলেখ ৰচনা কৰিলে। বিশেষজ্ঞসকলৰ মতে, কৰ'না নিষেধাজ্ঞা প্ৰত্যাহাৰৰ পাছত বিশ্বৰ বজাৰত বিভিন্ন পণ্যৰ চাহিদা বৃদ্ধি পাইছে আৰু ভাৰতে ইয়াৰ সম্পূৰ্ণ সুযোগ ল'বলৈ সফল হৈছে।

যোৱা বিত্তীয় বৰ্ষত ভাৰতে প্ৰতি ঘণ্টাত গড়ে ৪৬ নিযুত ডলাৰ মূল্যৰ পণ্যসামগ্ৰী ৰপ্তানি কৰিছিল। দৈনিক ভাৰতে এক বিলিয়ন ডলাৰৰো অধিক মূল্যৰ পণ্য সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰিছিল। আনহাতে, প্ৰতি মাহত গড়ে ৩৫ বিলিয়ন তেলৰ মূল্য পণ্য ৰপ্তানি কৰিলে দেশে। ২০২০-২১ বিত্তীয় বৰ্ষত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ আছিল ২৯২ বিলিয়ন মাৰ্কিন ডলাৰ। আনহাতে,



২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতৰ ৰপ্তানি বাণিজ্য ৩৭ শতাংশ বৃদ্ধিৰে ৪০০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পালে। অৱশ্যে ৰপ্তানি বাণিজ্যৰ ক্ষেত্ৰত এই লক্ষ্যত উপনীত হ'বলৈ কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছিল। ২০০ খন দেশৰ ক্ষেত্ৰত ৰপ্তানিৰ ভিন্ন লক্ষ্য নিৰ্ধাৰণৰে অগ্ৰসৰ হৈছিল ভাৰত। লক্ষ্যমাত্ৰা অৰ্জনৰ ক্ষেত্ৰত চৰকাৰৰ সকলো বিভাগে সমন্বয়ভাৱে কাম কৰিছিল। ৰপ্তানিকাৰীসকলৰ সমস্যাৰ দ্ৰুত সমাধানৰ ক্ষেত্ৰতো চৰকাৰে বিশেষ গুৰুত্ব লাভ কৰিছিল। ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগসমূহে যাতে ৰপ্তানি কৰিব পাৰে তাৰ বাবেও চৰকাৰে বিশেষ সুবিধা আগবঢ়াইছিল। ইঞ্জিনিয়াৰিং পণ্য, পেট্ৰ'লিয়াম পণ্য, ৰত্ন আৰু গহনা, জৈৱ আৰু অজৈৱ ৰাসায়নিক, ফাৰ্মাচিউটিকেল পণ্য ভাৰতৰ ৰপ্তানি বাণিজ্যৰ তালিকাত শীৰ্ষত আছিল। ভাৰতে চলিত বিত্তীয় বৰ্ষত আমেৰিকা, সংযুক্ত আৰব আমিৰাত, চীন, বাংলাদেশ আৰু নেডাৰলেণ্ডছলৈ সৰ্বাধিক পৰিমাণৰ পণ্য ৰপ্তানি কৰিছিল।

## ৩৭০ অনুচ্ছেদ বিলুপ্তিৰ পাছত কাশ্মীৰত হ্ৰাস সন্ত্ৰাস ঃ দাবী সীতাৰমণৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ পাছত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপ যথেষ্ট হ্ৰাস পাইছে আৰু ৰাজ্যখনত বিনিয়োগৰ পৰিৱেশ সৃষ্টি হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি সদনত এই কথা প্ৰকাশ কৰিলে। সীতাৰমণে ৰাজ্যসভাত কেন্দ্ৰীয় শাসিত প্ৰদেশৰ বাবে বাজেটৰ সন্দৰ্ভত অনুষ্ঠিত হোৱা আলোচনাত অংশ লোৱাৰ সময়ত এই তথ্য প্ৰকাশ কৰি লগতে কয় যে জম্মু-কাশ্মীৰৰ বাবে বাজেটত ১.৪২ লাখ কোটি টকাৰ আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে সদনত কয় যে ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ পাছত এতিয়া জম্মু-কাশ্মীৰত পূৰ্বে অধিকাৰৰ পৰা বঞ্চিত হোৱা লোকসকলে চৰকাৰী পদত নিযুক্ত লাভৰ লগতে সা-সম্পত্তি ক্ৰয়ৰো অধিকাৰ লাভ কৰিলে। জম্মু-কাশ্মীৰত সম্প্ৰতি বিনিয়োগ বৃদ্ধি পাইছে বুলিও সীতাৰমণে দাবী কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সদনত কয় যে ২০২১ বৰ্ষত কাশ্মীৰত অনুপ্ৰৱেশৰ ঘটনা ৩৩ শতাংশ হ্ৰাস পাইছিল আৰু সন্ত্ৰাসবাদৰ ঘটনাও ৬১ শতাংশ হ্ৰাস পালে।

## বীৰভূমৰ হিংসাকাণ্ডক 'বাহিৰৰ লোকৰ ষড়যন্ত্ৰ' আখ্যা মমতাৰ

**নিউজ ব্যুৰ', বীৰভূম, ২৪ মাৰ্চ ঃ** পশ্চিমবংগৰ বীৰভূম জিলাত তৃণমূল কংগ্ৰেছৰ নেতা-কৰ্মীয়ে সংঘটিত কৰা হিংসাকাণ্ডক ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে 'বাহিৰৰ লোকৰ ষড়যন্ত্ৰ' বুলি অভিহিত কৰিলে। উল্লেখ্য যে যোৱা সোমবাৰে নিশা সংঘটিত হোৱা এই হিংসাকাণ্ডত আঠজন লোকক জীৱন্তে অগ্নিসংযোগ কৰি হত্যা কৰা হৈছিল। বীৰভূমৰ এই বৰ্বৰ হিংসাকাণ্ডৰ সন্দৰ্ভত স্থানীয় সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি তৃণমূল কংগ্ৰেছৰ দুটা গোটৰ মাজত অবৈধ খননক লৈ সংঘাতৰ সৃষ্টি হৈছিল আৰু ইয়াৰ পৰিণতিতে এই লোমহৰ্ষক ঘটনা সংঘটিত হৈছিল। আজি মৃতকৰ পৰিয়ালৰ লোকক সাক্ষাৎ কৰিবলৈ মুখ্যমন্ত্ৰী মমতা বীৰভূমিত উপস্থিত হৈছিল আৰু মুখ্যমন্ত্ৰীগৰাকীয়ে সন্দেহ প্ৰকাশ কৰি কয় যে এই হিংসাকাণ্ডৰ স'তে 'বাহিৰৰ লোক' জড়িত থকাৰ সম্ভাৱনা আছে। বীৰভূমৰ ৰামপুৰহাটত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী মমতাই মৃতকৰ পৰিয়ালৰ লোকক পাঁচ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদানৰ কথা ঘোষণা কৰে। তদুপৰি পীড়িতৰ পৰিয়ালৰ লোকক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদানৰ প্ৰতিশ্ৰুতিও মুখ্যমন্ত্ৰীয়ে দিয়ে।



## বিশ্বজুৰি বৃদ্ধি পাইছে চাইবাৰ অপৰাধ, প্ৰতি চাৰিজনৰ এজন হৈছে আক্ৰান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** বিশ্বজুৰি চাইবাৰ অপৰাধৰ ঘটনা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। শেহতীয়া এক প্ৰতিবেদনৰ তথ্য অনুসৰি সাম্প্ৰতিক বিশ্বৰ মেলৱেৰ, ৰেনছমৱেৰ আৰু ফিছিংগৰ দৰে চাইবাৰ অপৰাধৰ ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। ভাৰতৰ ক্ষেত্ৰত যোৱা বছৰত ২৬ শতাংশ নাগৰিক অৰ্থাৎ প্ৰতি চাৰিজন লোকৰ এজন মেলৱেৰৰ জাতীয় চাইবাৰ অপৰাধৰ বলি হৈছিল। উল্লেখ্য যে ভাৰতত গোলকীয় হাৰতকৈও অধিক হাৰত চাইবাৰ অপৰাধৰ ঘটনা সংঘটিত হৈ আহিছে। বিশ্বজুৰি ৰেনছমৱেৰৰ জাতীয় চাইবাৰ অপৰাধৰ হাৰ হৈছে ২১ শতাংশ, কিন্তু ভাৰতত প্ৰায় ৩০ শতাংশ প্ৰতিষ্ঠান এইধৰণৰ চাইবাৰ অপৰাধৰ বলি হৈ আহিছে।

## দক্ষিণ কোৰিয়াত এদিনতে পাঁচ লাখ লোক হ'ল ক'ভিড আক্ৰান্ত

**নিউজ ব্যুৰ'**
**ছিউল, ২৪ মাৰ্চ ঃ** বিশ্বৰ প্ৰায়বোৰ দেশত ক'ভিডৰ সংক্ৰমণ সম্প্ৰতি নিয়ন্ত্ৰিত হ'লেও কে'বাখনো দেশত সংক্ৰমণ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। হংকঙৰ পাছত দক্ষিণ কোৰিয়াত সম্প্ৰতি ক'ভিড আক্ৰান্তৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দক্ষিণ কোৰিয়াত কৰ'নাত আক্ৰান্ত হ'ল পাঁচ লাখ লোক।



বিশেষজ্ঞই প্ৰকাশ কৰা তথ্য অনুসৰি দেশখনত সম্প্ৰতি প্ৰতি পাঁচজন লোকৰ এজন কৰ'নাত সংক্ৰমিত হৈছে। ক'ভিড আক্ৰান্তৰ সংখ্যা ঊৰ্ধ্বমুখী হোৱাৰ ফলত দক্ষিণ কোৰিয়াৰ চিকিৎসালয়ত ৰোগীৰ বাবে শয্যাৰ অভাৱ ঘটিছে। যোৱা মঙলবাৰে দেশখনত ২৯১ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। দক্ষিণ কোৰিয়াৰ মুঠ জনসংখ্যাৰ ২০ শতাংশ লোক ইতিমধ্যে কৰ'নাত আক্ৰান্ত হৈছে। দেশখনৰ মুঠ জনসংখ্যাৰ ৮৬.৬ শতাংশই ক'ভিডৰ দুপালি প্ৰতিষেধক লাভ কৰাৰ পাছতো দক্ষিণ কোৰিয়াত কৰ'নাৰ শেহতীয়া সংক্ৰমণ বৃদ্ধিয়ে উদ্বেগ বৃদ্ধি কৰিছে। উল্লেখ্য যে দেশখনৰ ৬৩.২ শতাংশ নাগৰিকে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধকো লাভ কৰিছে। দক্ষিণ কোৰিয়াৰ লগতে সম্প্ৰতি চীন, ফ্ৰান্স, ইটালি, ব্ৰিটেইন, জাৰ্মানীতো ক'ভিডৰ নতুন সংক্ৰমণ বৃদ্ধি পাইছে।

## ব্ৰাহ্মছ ছুপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণত সফল ভাৰত



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ মাৰ্চ ঃ** ভূমিৰ পৰা ভূমিলৈ নিক্ষেপ কৰিব পৰা ব্ৰাহ্মছ ছুপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ এশ শতাংশ সফল পৰীক্ষণ সম্পন্ন কৰিলে ভাৰতে। কালি আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত ভাৰতীয় সেনাই সফলতাৰে এই ক্ষেপণাস্ত্ৰ পৰীক্ষণ কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে জনোৱা অনুসৰি একেবাৰে নিখুঁতভাৱে লক্ষ্যভেদ কৰিলে ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰই।


## বিধিনিষেধ শিথিলৰ পাছতে দৈনিক কৰ'নাৰ সংক্ৰমণ বৃদ্ধি




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** একেৰাহে সাত সপ্তাহ ধৰি নিম্নমুখী দেশৰ দৈনিক কৰ'নাৰ সংক্ৰমণ। কিন্তু দেশত কালি ক'ভিড বিধি শিথিল কৰাৰ কথা চৰকাৰে ঘোষণা কৰাৰ পাছতে যোৱা ২৪ ঘণ্টাত ভাৰতত কৰ'নাত দৈনিক সংক্ৰমণ পুনৰ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ১,৯৩৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা বৃহস্পতিবাৰে ২২,৪২৭ জনলৈ বৃদ্ধি পালে। বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে পুনৰ দেশৰ বিভিন্ন ৰাজ্যত ৬৭ জন লোকৰ প্ৰাণ কাঢ়িলে। বৰ্তমানলৈকে ভাৰতত মুঠ পাঁচ লাখ ১৬ হেজাৰ ৬৭২ জন লোকৰ কৰ'নাত মৃত্যু হ'ল।

## উত্তৰ কোৰিয়াই জাপান সাগৰত পুনৰ সম্পন্ন কৰিলে বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ

**নিউজ ব্যুৰ', ছিউল, ২৪ মাৰ্চ ঃ** উত্তৰ কোৰিয়াই আজি জাপান সাগৰলৈ নিক্ষেপ কৰিলে এটা ইণ্টাৰকণ্টিনেণ্টেল বেলিষ্টিক ক্ষেপণাস্ত্ৰ (আই চি বি এম)।জাপানৰ মন্ত্ৰী মাকত' অ'নিকিয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি উত্তৰ কোৰিয়াই নিক্ষেপ কৰা আই চি বি এম ক্ষেপণাস্ত্ৰটোৱে জাপানৰ বিশেষ আৰ্থিক ক্ষেত্ৰত আঘাত হানে। এই ক্ষেপণাস্ত্ৰটোৱে ৬,০০০ কিলোমিটাৰ উচ্চতালৈ উৰা মৰাৰ লগতে ১৭০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি উত্তৰ জাপানৰ সমুদ্ৰত বাগৰি পৰিছিল। জাপানত সেনা বাহিনীয়ে দাবী কৰা অনুসৰি ২০১৭ৰ পাছত উত্তৰ কোৰিয়াই প্ৰথমবাৰ এনে বৃহৎ ক্ষেপণাস্ত্ৰ জাপান সাগৰলৈ নিক্ষেপ কৰিলে। উল্লেখ্য যে চলিত বৰ্ষত বৰ্তমানলৈকে কীম জং উনৰ নেতৃত্বত উত্তৰ কোৰিয়াই ১০ টাৰো অধিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ সম্পন্ন কৰিলে।




## ৰক্তক্ষয়ী ৰুছ আগ্ৰাসনত অতিষ্ঠ হৈ পদত্যাগ ৰাষ্ট্ৰপতি পুটিনৰ উপদেষ্টাৰ




**নিউজ ব্যুৰ', মস্কো, ২৪ মাৰ্চ ঃ** ইউক্ৰেইন দখলৰ বাবে ৰাছিয়াৰ ৰক্তক্ষয়ী যুঁজক সমৰ্থন কৰিব নোৱাৰি অৱশেষত পদত্যাগ কৰিব ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ উপদেষ্টা এণ্টনি চুবেইছে। আন্তঃৰ্জাতিক সংবাদ মাধ্যমত প্ৰকাশিত খবৰ অনুসৰি চুবেইছে পদত্যাগ কৰাৰ লগতে ৰাছিয়া ত্যাগ কৰাৰো সম্ভাৱনা আছে। পৰিৱেশ উন্নয়ন বিষয়ক একাধিক আন্তঃৰ্জাতিক সংগঠনৰ স'তে ক্ৰেমলিনৰ যোগাযোগৰ দায়িত্ব লাভ কৰিছিল চুবেইছে। অৱশ্যে ৰাছিয়াৰ বৈদেশিক নীতিৰ সন্দৰ্ভত চুবেইছৰ হস্তক্ষেপৰ কোনো ক্ষমতা নাছিল। প্ৰকাশিত বাতৰি অনুসৰি ইউক্ৰেইনত ৰাছিয়াৰ আগ্ৰাসনত তীব্ৰ বিৰোধী আছিল চুবেইছ। প্ৰায় এমাহ ধৰি পুটিনৰ নেতৃত্বত ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ অব্যাহত ৰখাত অৱশেষত উপদেষ্টা পদ ত্যাগৰ সিদ্ধান্ত ল'লে চুবেইছে। মস্কোৱে চুবেইছৰ পদত্যাগৰ কথা ইতিমধ্যে স্বীকাৰ কৰিছে।

## এইবাৰ 'ষ্টেল্থ অ'মিক্ৰন'ৰ দপ্দপনি বিশ্বৰ বিভিন্ন দেশত

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** ভাৰতৰ ক'ভিড পৰিস্থিতি সম্প্ৰতি স্বস্তিদায়ক হ'লেও বিশ্বৰ বিভিন্ন অঞ্চলত বৃদ্ধি পাইছে অ'মিক্ৰনৰ নতুন প্ৰজাতি 'ষ্টেল্থ অ'মিক্ৰন'ৰ দপ্দপনি। হংকং, চীন, দক্ষিণ কোৰিয়াত শেহতীয়াভাৱে 'ষ্টেল্থ অ'মিক্ৰন'ৰ ব্যাপক সংক্ৰমণ চিনাক্ত কৰা হৈছে। ভাৰততো ইতিমধ্যে 'ষ্টেল্থ অ'মিক্ৰন'ৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ বিশেষ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। তামিলনাডু আৰু মহাৰাষ্ট্ৰই ক'ভিডৰ এই নতুন প্ৰজাতি প্ৰতিৰোধ কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি প্ৰকাশ কৰা অনুসৰি বৰ্তমানলৈকে ভাৰতত ১৮২ কোটি ২৩ লাখৰো অধিক পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হ'ল। কালি ৩১.৫ লাখ লোকক ভাৰতত ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছিল। দেশজুৰি ইতিমধ্যে ১২-১৪ বছৰ বয়সীয়া শিশু-কিশোৰৰ টিকাকৰণ আৰম্ভ হৈছে। পৰিসংখ্যা অনুসৰি ইতিমধ্যে ১২-১৪ বছৰ বয়সীয়া ৫০ লাখ কিশোৰ-কিশোৰীয়ে ক'ভিড প্ৰতিষেধক লাভ কৰিলে। টিকাকৰণত গুৰুত্ব দিয়াৰ লগতে ৰোগীক চিনাক্ত কৰাৰ ক্ষেত্ৰতো পৰীক্ষণত অগ্ৰাধিকাৰ দিয়া হৈছে। কালি ভাৰতত ছয় লাখ ৬১ হেজাৰ ৯৫৪ জন লোকৰ নমুনা পৰীক্ষা কৰা হৈছিল।



## আমেৰিকাৰ 'ম'ষ্ট ৱাণ্টেড' জুলিয়ান আছাঞ্জেয়ে কাৰাগাৰতে সম্পন্ন কৰিলে বিবাহ




**নিউজ ব্যুৰ', লণ্ডন, ২৪ মাৰ্চ ঃ** উইকিলিক্সৰ প্ৰতিষ্ঠাপক তথা আমেৰিকাৰ 'ম'ষ্ট ৱাণ্টেড' জুলিয়ান আছাঞ্জেয়ে কাৰাগাৰৰ ভিতৰতে সম্পন্ন কৰিলে বিবাহ। আছাঞ্জেয়ে তেওঁৰ দীৰ্ঘদিনীয়া প্ৰেমিকা তথা নিজৰ অধিবক্তা ষ্টেলা মাৰিছৰ স'তে কাৰাগাৰতে বৈবাহিক সম্বন্ধত আবদ্ধ হ'ল। লণ্ডনৰ এখন উচ্চ নিৰাপত্তা ব্যৱস্থাসম্পন্ন কাৰাগাৰৰ ভিতৰত অনুষ্ঠিত হোৱা এই বিবাহত চাৰিজন অতিথিয়েও অংশ ল'লে। উল্লেখ্য যে ২০১৯ বৰ্ষৰ পৰা এই কাৰাগাৰত আছাঞ্জে বন্দী হৈ আছে। ৫০ বছৰীয়া আছাঞ্জে আৰু ৩৮ বছৰীয়া ষ্টেলাৰ দুটি পুত্ৰ সন্তানো আছে। উল্লেখ্য যে এক দশক পূৰ্বে আছাঞ্জেৰ উইকিলিক্স নামৰ অনলাইন প্ৰতিষ্ঠানটোৱে মাৰ্কিন সেনাৰ লগতে বিশ্বৰ আন কে'বাখনো দেশৰ বহু গোপনীয় তথ্যপাতি ফাদিল কৰি আলোড়ন সৃষ্টি কৰিছিল। ২০১০ত আছাঞ্জেক লণ্ডনত গ্ৰেপ্তাৰ কৰা হৈছিল।



## কংগনাক ক'লে আদালতে 'আপুনি চেলিব্ৰিটি হ'ব পাৰে, কিন্তু অভিযুক্তও'

**নিউজ ব্যুৰ', মুম্বাই, ২৪ মাৰ্চ ঃ** বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌটক কঠোৰভাৱে সকীয়নি দিলে আন্ধেৰী মহানগৰ দণ্ডাধীশৰ আদালতে। গীতিকাৰ-লেখক জাভেদ আখতাৰে আদালতত তৰা মানহানিৰ গোচৰত আজি দণ্ডাধীশৰ আদালতে অভিনেত্ৰীগৰাকীক সকীয়নি দি কয় যে কংগনা অভিনেত্ৰী হিচাপে কামত ব্যস্ত থাকিলেও তেওঁ এই কথা পাহৰা উচিত নহ'ব যে তেওঁ এটা গোচৰত অভিযুক্ত ব্যক্তি। উল্লেখ্য যে আখতাৰে কংগনাৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিছিল। কিন্তু এই গোচৰত কংগনাই বাৰে বাৰে ব্যস্ততাৰ অজুহাত প্ৰদৰ্শন কৰি আদালতত উপস্থিত হোৱা নাই। পূৰ্বে দুবাৰহে অভিনেত্ৰীগৰাকীয়ে আদালতত উপস্থিত হৈছিল। আজি অভিনেত্ৰীগৰাকীয়ে এই গোচৰৰ শুনানিত পুনৰ অনুপস্থিত থকাত আদালতে কয়, 'কংগনা ৰণৌট অভিনেত্ৰী হ'ব পাৰে আৰু তেওঁ কামত ব্যস্ত থাকিব পাৰে। কিন্তু তেওঁ পাহৰিব নালাগে যে এই গোচৰত তেওঁ এগৰাকী অভিযুক্ত ব্যক্তি।'



## শ্ৰীমন্ত শংকৰদেৱ মানৱতাবাদীনে?

ড° গিৰীশ বৰুৱা

**শ্ৰীমন্ত** শংকৰদেৱ মানৱতাবাদীনে? এই প্ৰশ্নটো প্ৰায়ে আমাৰ মনলৈ আহে। এই প্ৰশ্নটো আৰু গুৰুত্বপূৰ্ণ হৈ উঠে যেতিয়া মানুহে World Humanism and Srimanta Sanaradeva শীৰ্ষক কিতাপ লিখে।

মানৱতাবাদ (humanism) এক পাশ্চাত্য মতবাদ। এই মতবাদ ইউৰোপত আৰম্ভ হৈছিল। এই মতবাদৰ যিসকল প্ৰবক্তা তেওঁলোকে কেৱল মানুহৰ বাবে ভাবিবলৈ কয়। আনকি এওঁলোকে ঈশ্বৰ চিন্তাকো মনৰ পৰা পৰিত্যাগ কৰিবলৈ কয়। তেওঁলোকৰ শ্লোগান হ'ল "মানুহেই দেৱ মানুহেই সেৱ। (মানৱ বন্দনা, চন্দ্ৰকুমাৰ আগৰৱালা) ইয়াৰ অৰ্থ হ'ল, মানুহেই দেৱতা। সেয়ে অকল মানুহকহে সেৱা কৰিব লাগে; ঈশ্বৰক নালাগে। তাৰ মানে এই দৰ্শনে ঈশ্বৰক বিশ্বাস নকৰে।

আমি জানোঁ যে শংকৰদেৱে ঈশ্বৰক বিশ্বাস কৰিছে। ঈশ্বৰক যদি প্ৰাধান্য দিয়া হয়, তেন্তে মানুহক কম প্ৰাধান্য দিয়া হ'ব। অন্যহাতে মানবতাবাদী কবিয়ে মানুহক পৰাৎপৰ আখ্যা দিছে। তাৰ মানে মানুহ সকলোৰে ওপৰত, আনকি ঈশ্বৰৰো। গতিকে শংকৰদেৱক যদি মানবতাবাদী বুলি মানি লোৱা হয়, তেন্তে তেওঁ ঈশ্বৰ বিশ্বাস কৰিব নোৱাৰিব।

আমি কোৱা নাই যে শংকৰদেৱৰ দৰ্শনত মানবতাবোধ নাই, আছে! কিন্তু যথাৰ্থ অৰ্থৰ মানবতাবাদ নাই। গতিকে যিসকল লোকে Humanism in Sanaradeva's Philosophy নামৰ কিতাপ লিখে তেতিয়া ভাবিব লাগিব যে তেওঁক টানি আজুৰি মানবতাবাদী বনোৱা হৈছে।

মানৱতাবাদ নহয়, শংকৰদেৱৰ দৃষ্টিত অধিমানৱতাবাদহে আছে, অৰ্থাৎ supra-humanism। ভাগৱতৰ আধাৰত তেওঁ কুকুৰ শৃগাল গাধৰো 'আত্মাৰাম' আছে বুলি কৈছে। ইয়াৰ দ্বাৰা তেওঁ কুকুৰ গাধকো মানুহৰ শাৰীলৈ আনিছে, আৰু মানুহৰ দৰে সিবিলাককো সেৱা কৰিবলৈ কৈছে। ইয়াৰ অৰ্থ হ'ল, শংকৰদেৱৰ বাবে অকল মানুহেই গুৰুত্বপূৰ্ণ নহয়, গৰু-ম'হ, ধূলি-বালি, পৰ্বত-পাহাৰ, নৈ-বিল আদিও গুৰুত্বপূৰ্ণ। তেওঁ আনকি ম'হ-ডাঁহকো মাৰিবলৈ হাক দিছে, কাৰণ তেওঁৰ মতে ঈশ্বৰে সিহঁতক মানুহ বা জন্তুৰ তেজ পিবলৈকে স্ৰজন কৰিছে। সিহঁতে জন্তুৰ তেজ বা পাত-ফুলৰ ৰস খায়েই জীয়াই থাকে।

মানৱতাবাদ এক ঠেক মনোভাবৰ দৰ্শন। অকল মানুহক ভাল পোৱা, বা অকল মানুহৰ কথা ভবাটো এক স্বাৰ্থপৰ ধাৰণা। আমি সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ কথা ভাবিব লাগিব। আমাৰ নিজৰ স্বাৰ্থৰ বাবে বন-বননি, নৈ-বিল, পৰ্বত-পাহাৰ আদি যদি ধ্বংস কৰি যাঁও, তেন্তে বিপদ আমাৰেই হ'ব। গতিকে আমাৰ স্বাৰ্থৰ বাবেই এইবোৰক সংৰক্ষণ কৰিব লাগিব; অৰ্থাৎ আমি মানবতাবাদৰ উৰ্ধলৈ যাব লাগিব। তেহে মানুহ পৃথিৱীত জীয়াই থাকিব।

সি যি কি নহওক, এজন ধৰ্মীয় গুৰুক টানি আজুৰি মানৱতাবাদী সজোৱাটো অবিবেচনাৰ কথা হ'ব। তেওঁৰ দৰ্শন ভালকৈ নজনাকৈ কথা কোৱা উচিত নহয়। তেওঁৰ দৰ্শন ভালকৈ পঢ়ি, তাৰ তাৎপৰ্য কি, কিহৰ আধাৰত তেওঁ কথাবোৰ কৈছে- এই কথাবোৰ ভালকৈ বুজি পাব লাগিব। তেহে তেওঁৰ দৰ্শনত কি কি আছে তাৰ উৱাদিহ পোৱা যাব। তেওঁৰ দৰ্শনত মানৱতাবাদী উপাদান পালেও তেওঁক মানৱতাবাদী আখ্যা দিব নোৱাৰি।

ফোন ঃ ৯৮৫৪১২৮৮৫৩

পৃথিৱী বুলিলে আমাৰ এই পৃথিৱীৰ লগত সাদৃশ্য থকা অৰ্থাৎ জীৱ-জন্তু, গছ-গছনি, পাহাৰ-পৰ্বত, নদ-নদী, সাগৰ-মহাসাগৰ আদিৰে পৰিপূৰ্ণ প্ৰাণময়, অতুলনীয় সৌন্দৰ্যময় পৃথিৱীকে নিৰ্দেশ কৰিব। আমাৰ পৃথিৱীৰ নিচেই কাষত থকা সূৰ্য-নক্ষত্ৰৰ বুকুত যি প্ৰক্ৰিয়াৰ দ্বাৰা তাপ আৰু পোহৰ উৎপন্ন হয়, সেই একেই পদ্ধতিৰে হেজাৰ কোটি আলোকবৰ্ষ দূৰৈত অৱস্থিত নক্ষত্ৰ এটি বুকুতো তাপ আৰু পোহৰ উৎপন্ন হয়। সেয়ে সৌৰ জগতৰ নটা গ্ৰহৰ মাজত পৃথিৱী নামৰ গ্ৰহৰ বুকুত যি পদ্ধতিৰ মাজেৰে বিচিত্ৰময় পৰিৱেশ তৈয়াৰ হৈছিল ঠিক একেই পদ্ধতিৰে বিশ্বৰ যিকোনো প্ৰান্তত এনে এটা পৰিৱেশ সৃষ্টি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি

# মেৰাজ
## (আকাশ ভ্ৰমণ)

ইকবাল হুছেইন

**মেৰাজ** শব্দৰ অৰ্থ হ'ল চিৰি, খটখটি, জখলা, উন্নতি বা আকাশ ভ্ৰমণ। ইছলামী ইতিহাস মতে হজৰত মহম্মদ (ছাঃ)-এ ৰাতিৰ কিয়দংশ সময়ৰ ভিতৰত সোঁশৰীৰে মক্কাৰ পৰা জেৰুজালেম পাছত সাতখন আকাশ অতিক্ৰম কৰি আল্লাহৰ সাক্ষাৎ কৰি ইছলামৰ বিধি-বিধান লাভ কৰাৰ উপৰি ছিদ্ৰাতুল মুন্তাহা, (কুল বৃক্ষ) স্বৰ্গ-নৰক আৰু বহু অলৌকিক ঘটনা স্ব-চক্ষে দৰ্শন কৰিবলৈ সুযোগ লাভ কৰিছিল। এই ভ্ৰমণ বিজ্ঞানৰ দৃষ্টিভংগী কিমান সত্য তাক চালি-জাৰি চোৱাৰ প্ৰয়াস কৰা হ'ল। আল্লাহৰ নবী কৰিম (চাঃ)ৰ জীৱন প্ৰতিমুহূৰ্তৰ খতিয়ান তথা কোৰানৰ বহল ব্যাখ্যাৰ সমষ্টিয়েই হ'ল হাদীছ যাৰ জৰিয়তে ইছলামী জীৱনৰ ব্যৱস্থা পৰিচালিত হয়। কোৰানৰ ব্যাখ্যা যেতিয়া হাদীছসমূহত দুৰ্বলতা প্ৰকাশ পায় তেতিয়া হাদীছ ডাষ্টবিনত নিক্ষেপ কৰা হয়। ইছলামী সমাজত বোখাৰী, তিৰমিজ, আবুদাউদ, মুছলিম শ্বৰীফ হাদীছসমূহক অতি উত্তম তথা চহীশুদ্ধ হাদীছ বুলি গণ্য কৰা হয়। এই হাদীছসমূহত 'মে'ৰাজ'ৰ বিতং বিৱৰণ পোৱা যায়। যিহেতু চুৰা নাবাৰ ১২ নম্বৰ আমাতত সাতখন শক্তিশালী আকাশৰ উল্লেখ আছে। সেয়ে হাদীছসমূহতো ধাতৱীয় পদাৰ্থৰে গঠিত আকাশৰ বৰ্ণনা পোৱা যায়। জিব্ৰাইল (আঃ)ৰ সাহায্যত হজৰত মহম্মদে (আঃ) প্ৰতিখন আকাশত উপস্থিত হোৱাৰ সময়ত দৰ্জা খোলাৰ লগে লগে ভিন ভিন পূৰ্ববৰ্তী নবীসকলৰ লগত সাক্ষাৎ হোৱাৰ বৰ্ণনা হাদীছ সমূহত উল্লেখ আছে, যেনে প্ৰথম আকাশত আদম (আঃ) দ্বিতীয় ইয়াহিয়া, তৃতীয় আকাশত ইউচুফ (আঃ) আদি নবীসকলক লগ পাইছিল। 'আধুনিক বিজ্ঞানত কোৰানৰ অৱদান' নামৰ কিতাপৰ ৮০ পৃষ্ঠাত লিখা হৈছে— 'কোৰানৰ মতে আমাৰ মহাকাশ সাতখন। ইয়াৰে প্ৰথমখন মহাকাশ গ্ৰহ-নক্ষত্ৰৰে পৰিপূৰ্ণ হৈ সু-শোভিত হৈ আছে। বাকী ছখন মহাকাশ অন্ধকাৰেৰে পৰিপূৰ্ণ হৈ আছে।' আকৌ লিখা হৈছে— 'হজৰত মহম্মদে কোৰানত উল্লেখ কৰা সাতখন মহাকাশ ভ্ৰমণ কৰিছিল বিদ্যুতৰ দ্বাৰা তৈয়াৰী 'বোৰাক' নামৰ মহাকাশ যানৰ দ্বাৰা। যানখনৰ গতিবেগ আছিল প্ৰতি ছেকেণ্ডত আমাৰ চকুৰে মহাকাশৰ পিনে দৃষ্টি' কৰিলে যিমান দূৰত্ব অতিক্ৰম কৰে তাতোকৈ বেছি।' (পৃষ্ঠা-৯৩)

হাদীছত উল্লেখ কৰা মতে আকাশসমূহ ধাতৱীয় পদাৰ্থ তাম আৰু লো, সোণ-ৰূপ, হীৰা আদিৰে গঠিত আৰু প্ৰতিখন আকাশৰ দূৰত্ব আৰু বেধ পাঁচশ বছৰৰ পথ)। কিন্তু ফজল আলীৰ মতে প্ৰথম আকাশ গ্ৰহ-নক্ষত্ৰৰ দ্বাৰা গঠিত আৰু বাকী আকাশ আন্ধাৰেৰে পৰিপূৰ্ণ। আন্ধাৰ আকাশত আল্লাৰ নবীয়ে বাকীবিলাক নবীক কিদৰে সাক্ষাৎ কৰিলে সেয়া চিন্তনীয়। তেওঁৰ মতে প্ৰথম আকাশত হাতীপটি তাৰকা ৰাজ্য অৱস্থিত। ইয়াতেই গ্ৰহ-নক্ষত্ৰসমূহ আছে বাকী আকাশত গ্ৰহ নক্ষত্ৰ নাই। কিন্তু গোটেই বিশ্ব ব্ৰহ্মাণ্ডত কেৱল হাতীপটি তাৰকা ৰাজ্যই নহয় হেজাৰ হেজাৰ কোটি তাৰকা ৰাজ্য আছে য'ত গ্ৰহ নক্ষত্ৰৰ অভাৱ নাই। আল্লাহৰ প্ৰতি বিশ্বাস থাকিলে কোনো আপত্তি নাথাকে কিন্তু ফজল আলীৰ জ্ঞানৰ নমুনা দেখিলে অবাক হ'ব লাগে কাৰণ তেওঁ হাদীছ কোৰান সমৰ্থন কৰা নাই, বিপৰীত দিশত বিজ্ঞানক অৱজ্ঞা কৰি নিজেই নতুন পথ আৱিষ্কাৰ কৰি লৈছে যাৰ বাস্তৱৰ লগত সংগতি নাই। তেওঁ লিখিছে যে 'বোৰাক' নামৰ মহাকাশ যান (যিয়ে অদ্ভুত প্ৰাণীৰ পৰিচয় দাঙি ধৰে) খন বিদ্যুতৰ দ্বাৰা তৈয়াৰী। আচলতে বিদ্যুতৰ দ্বাৰা কোনো যান তৈয়াৰ কৰা নাযায় কেৱল যানবিলাক বিদ্যুতৰ দ্বাৰা পৰিচালিত কৰিব পাৰি। তেওঁৰ মতে মহাকাশ যানখনৰ গতিবেগ আধুনিক মহাকাশ যানৰ গতিবেগতকৈ কোটি গুণ বেছি আছিল। বৰ্তমান পৰ্যন্ত পোহৰৰ বেগ সৰ্বাধিক যাক কোনেও অতিক্ৰম কৰিব নোৱাৰে। বোৰাকৰ অৰ্থ বিদ্যুৎ অৰ্থাৎ ই পোহৰৰ বেগত গতি কৰিলেও কেৱল হাতীপটি তাৰকা ৰাজ্য অতিক্ৰম কৰিবলৈ এক লাখ বছৰৰ সময়ৰ প্ৰয়োজন হ'ব আৰু নিকটৱৰ্তী তাৰকা ৰাজ্যৰ ওচৰ পাবলৈ ২২ লাখ বছৰ প্ৰয়োজন হ'ব। এনেদৰে পদাৰ্থ জগত পাৰ হৈ পোহৰৰ ৰাজ্য স্বৰ্গ পাবলৈ কে'বা হেজাৰ কোটি বছৰ লাগিব। আপেক্ষিকতাবাদ তত্ত্বমতে পদাৰ্থৰ ভৰ আৰু শক্তিৰ সূত্ৰ অনুসৰি কোনো পদাৰ্থই পোহৰৰ বেগতকৈ অধিক বেগত গতি কৰিলে তাৰ ভৰ ক্ৰমাগতভাৱে বৃদ্ধি পাই থাকিব আৰু এটা সময়ত ই বিস্ফোৰিত হ'ব। গতিকে আল্লাৰ অসীম কুদৰতি জ্ঞান থাকিলেও আল্লাহৰ নবীয়ে জীৱন ধাৰণ কৰি ৰাতিৰ ভিতৰত কোটি কোটি আলোকবৰ্ষ দূৰত্ব অতিক্ৰম কৰাটো এক কাল্পনিক জগতত বিচৰণ কৰাৰ লেখীয়া। তদুপৰি যি মহম্মদক ফজল আলী আহমদে মহাকাশ বিজ্ঞানী বুলি অভিহিত কৰিব খোজে সেই মহম্মদে বোৰাকৰ গতিবেগ সম্পৰ্কে কৈছে যে মানুহৰ চকুৰ দৃষ্টি শক্তিয়ে নিমিষতে যি দূৰত্ব অতিক্ৰম কৰে বোৰাকৰ গতিবেগ তাতোকৈ বেছি। এইটো এটা সম্পূৰ্ণ অবৈজ্ঞানিক উক্তি, কাৰণ চকুৰ দৃষ্টিশক্তি কেতিয়াও দূৰলৈ নাযায়. দৃষ্টি আহেহে। কোনো



দূৰৈৰ বস্তুৰ পৰা অহা পোহৰ চকুৰ লেন্সৰ মাজেৰে পাৰ হৈ ৰেটিনাৰ জৰিয়তে মগজুত উপস্থিত হ'লেহে বস্তুটো আমাৰ দৃষ্টিগোচৰ হয়। যাক অপৰিসীম শ্ৰদ্ধা আৰু সন্মানৰ পাত্ৰ বুলি গণ্য কৰা হয় তেওঁ বিজ্ঞানৰ সাধাৰণ জ্ঞানখিনি নাৰাখে অথচ তেওঁক বৈজ্ঞানিক মহম্মদ বুলি স্বীকৃতি দিয়া হয়। ফজল আলীয়ে আৰু লিখিছে যে হজৰত মহম্মদে ১৪০০ বছৰ পূৰ্বে সপ্তম আকাশ ভ্ৰমণ কৰি যিবোৰ তথ্য দাঙি ধৰিছে তাৰ ভিত্তিত মহম্মদক বিজ্ঞানীসকলৰ ভিতৰত মহাবিজ্ঞানী বুলি ক'ব পাৰি। হজৰত মহম্মদে মহাকাশ সম্বন্ধে কি তথ্য যোগান ধৰিছে তাৰ একো তেওঁ উল্লেখ নকৰিলে। মহাকাশ সম্বন্ধে মহম্মদে যি তথ্য দাঙি ধৰিছিল সেয়া ফজল আলীৰ বাহিৰে পৃথিৱীৰ কোনো মানুহে একো নাজানে। মহম্মদে আকাশলৈ যোৱাহেঁতেন মৰমৰ পৃথিৱীখনলৈ ঘূৰি চালেহেঁতেন আৰু পৃথিৱী যে ঘূৰণীয়া আৰু পৃথিৱী যে ঘূৰে এইবোৰ কথা মেৰাজৰ বৰ্ণনাত হাদীছসমূহত উল্লেখ নাথাকিলহেঁতেন। বায়তুল মোকাদ্দেছত নামাজ আদায় কৰিব পাৰিছে আৰু চন্দ্ৰ পৃষ্ঠত অৱতৰণ কৰি ইয়াৰ পৃষ্ঠৰ হুবহু বৰ্ণনা দিব পাৰিলেহেঁতেন। তেওঁ কোনটো দিশে গতি কৰিলে? এটা গ্ৰহও সন্মুখত পৰা নাছিলনে? সঁচাই যদি আকাশ ভ্ৰমণ কৰিছিল তেন্তে মংগল গ্ৰহৰ পৃষ্ঠ, বৃহস্পতি গ্ৰহৰ ধুমুহা, শনিগ্ৰহৰ সুন্দৰ আঙঠিৰ বৰ্ণনা মেৰাজৰ বৰ্ণনাত স্থান পাব লাগিছিল। তেওঁ কোৱা মতে প্ৰথম আকাশ হাতীপটি তাৰকা ৰাজ্য পাৰ হৈ স্বৰ্গ ৰাজ্য ভ্ৰমণ কৰিছিল অথচ কোৰান, হাদীছত তাৰকা ৰাজ্যৰ সামান্যতম বৰ্ণনা নাই। তত্ত্ব এটা, তাত্ত্বিকভাৱে বৰ্ণনা কৰা যিমান সহজ, ব্যৱহাৰিক দিশত বাস্তবায়িত কৰি দেখুওৱা তাতোকৈ হেজাৰ গুণ বেছি কঠিন। কোৰান, হাদীছত কাল্পনিক স্বৰ্গ ৰাজ্যৰ বৰ্ণনা পোৱা গ'লেও এতিয়ালৈ কোনেও ইয়াৰ অস্তিত্ব সাব্যস্ত কৰিবলৈ সক্ষম হোৱা নাই। কোৰান হাদীছৰ পৰা পোৱা বৰ্ণনাৰ পৰা এনে উপলব্ধি হয় যেন পৃথিৱীৰ দৰেই ই বাস্তৱ সত্য। কিন্তু হজৰত মহম্মদ (চাঃ)-এ হাতীপটি তাৰকা ৰাজ্য পাৰ হৈ দেৱযানী তাৰকা ৰাজ্য, মেগনেলিক ডাৱৰ, কোমা, বেৰিনেচিচ, নে সিংহ তাৰকা ৰাজ্য গোটৰ দিশে অগ্ৰসৰ হৈছিল তাৰ কোনো নিৰ্ণায়ক দিশৰ উল্লেখ পোৱা নাযায়। কোৰানক সমৰ্থন কৰি অনেক জ্ঞানী-গুণী ইছলামী পণ্ডিতে জোৰ-দাৰ বিপ্লৱ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। কিন্তু কোৰান, হাদীছৰ মাধ্যমত স্বৰ্গ-নৰক বিশ্বৰ কোন প্ৰান্তত অৱস্থিত তাক সাব্যস্ত কৰিবলৈ কোনেও আগবাঢ়ি অহা নাই। মোৰাজৰ বৰ্ণনাত দোজখবাসী অবৰ্ণনীয় দুখ-যন্ত্ৰণা নবী (চাঃ)-এ নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল। ইছলামী জগতত অনেক দিব্যজ্ঞান লাভ কৰা কামেল, ওলী, দৰবেশ আদিৰ আবিৰ্ভাৱ ঘটা তেনেই সহজ ঘটনা। তেনে লোকেও দেখোন অন্তৰ্যামী জ্ঞানৰ দ্বাৰা ইবিলাকৰ স্থিতি নিৰ্ণয় কৰিবলৈ সক্ষম হোৱা দেখা নাযায়। যদি আধুনিক চিন্তাধাৰা মতে সাত আকাশে অসংখ্য আকাশক প্ৰতিনিধিত্ব কৰে তেনেহ'লে দেখোন নবী কৰিম (চাঃ)ৰ আকাশ ভ্ৰমণ ধোঁৱা চাওত উঠিবৰ উপক্ৰম হ'ব কাৰণ সাতখন আকাশত সাতজন নবীক সাক্ষাৎ কৰাৰ পাছত বাকী আকাশত নবীসকলক বিচাৰি পোৱা নাযাব। চুৰা তালাকৰ ১২ নম্বৰ আয়াতত আল্লাই কয়—সাতখন আকাশ আৰু অনুৰূপ সংখ্যক পৃথিৱী সৃষ্টি কৰা হৈছে আৰু সিবিলাকত আল্লাহৰ আদেশ-নিষেধ কৰা হয় অথচ আল্লাহৰ নবীয়ে বিশ্বৰ অন্য কোনো প্ৰান্তত এনে এখন পৃথিৱীৰ সন্ধান দিবলৈ সক্ষম নহ'ল। পৃথিৱী বুলিলে আমাৰ এই পৃথিৱীৰ লগত সাদৃশ্য থকা অৰ্থাৎ জীৱ-জন্তু, গছ-গছনি, পাহাৰ-পৰ্বত, নদ-নদী, সাগৰ-মহাসাগৰ আদিৰে পৰিপূৰ্ণ প্ৰাণময়, অতুলনীয় সৌন্দৰ্যময় পৃথিৱীকে নিৰ্দেশ কৰিব। আমাৰ পৃথিৱীৰ নিচেই কাষত থকা সূৰ্য-নক্ষত্ৰৰ বুকুত যি প্ৰক্ৰিয়াৰ দ্বাৰা তাপ আৰু পোহৰ উৎপন্ন হয়, সেই একেই পদ্ধতিৰে হেজাৰ কোটি আলোকবৰ্ষ দূৰৈত অৱস্থিত নক্ষত্ৰ এটি বুকুতো তাপ আৰু পোহৰ উৎপন্ন হয়। সেয়ে সৌৰ জগতৰ নটা গ্ৰহৰ মাজত পৃথিৱী নামৰ গ্ৰহৰ বুকুত যি পদ্ধতিৰ মাজেৰে বিচিত্ৰময় পৰিৱেশ তৈয়াৰ হৈছিল ঠিক একেই পদ্ধতিৰে বিশ্বৰ যিকোনো প্ৰান্তত এনে এটা পৰিৱেশ সৃষ্টি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। বিজ্ঞানীসকলৰ ধাৰণা মতে প্ৰতি এশ কোটি নক্ষত্ৰৰ মাজত এটা নক্ষত্ৰত এটা পৰিৱেশ যদি বিৰাজ কৰে তেন্তে গোটেই বিশ্বত কমেও এক কোটি মানৱ সভ্যতা বা অধিক উন্নত জীৱৰ বাসস্থান থকাটো নিশ্চিত। ইতিমধ্যে কেপলাৰ মহাকাশ যানৰ দ্বাৰা চলোৱা অভিযানত দুহেজাৰৰো অধিক গ্ৰহ আৱিষ্কাৰ হৈছে আৰু ইয়াৰ তিনি শতাধিক গ্ৰহৰ অৱয়ব পৃথিৱীৰ স'তে সাদৃশ্য নিৰূপণ হৈছে য'ত জীৱৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ফজল আলী আহমেদে কোৰানৰ চুৰা শুৰা আয়াত নম্বৰ ২৯ৰ দ্বাৰা দাবী কৰিছিল যে মহাকাশত জীৱ আছে। মুছলমানৰ দৃষ্টি ভংগীত ফিৰিস্তা, জ্বীন পৰি, দেও-দানৱ, ভূত-প্ৰেত, পাহাৰ-পৰ্বত, নদ-নদী, চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰ আদিও আল্লাহৰ সৃষ্টি (মুখলুক) জীৱ। এতিয়ালৈ জীৱ কাক কয়, ইয়াৰ এটা সদুত্তৰ মই মুছলিম আলিমৰ পৰা বিচাৰি নাপালো। কেৱল উত্তৰ আহে আল্লাই ১৮ হেজাৰ (মুখলুক) জীৱ সৃষ্টি কৰিছে। যিটো বিজ্ঞানৰ লগত মুঠেই সামঞ্জস্য পূৰ্ণ নহয়, কাৰণ বিজ্ঞানীসকলৰ তথ্য মতে পৃথিৱীত প্ৰায় ১৪ লাখ প্ৰজাতিৰ জীৱ আছে। অতি পৰিতাপৰ বিষয়, আল্লাহৰ অতি প্ৰিয় বন্ধু, নবী বা ৰাচুল, যাক সৃষ্টি নকৰিলে হেনো গোটেই বিশ্ব সৃষ্টি নহ'লহেঁতেন, বুলি দাবী কৰা হয়, সেইহেন ৰাচুলক সাত আকাশ পাৰ কৰি বেহেস্ত-দোজখ, ছিদ্ ৰাতুল মুন্তহা আৰু বহু আল্লাহৰ কুদৰাতি সৃষ্টি দেখুৱাবৰ বাবে বিশ্ব ব্ৰহ্মাণ্ড ভ্ৰমণ কৰোৱা হ'ল, সেই নবীয়ে অনুৰূপ পৃথিৱীৰ জীৱৰে ভৰপূৰ বিচিত্ৰ আন এখন পৃথিৱীৰ সন্ধান দিব নোৱাৰাটো সঁচাই অতি দুখৰ বিষয়। অদূৰ ভৱিষ্যতে মহাকাশ বিজ্ঞানীসকলে আন এখন পৃথিৱীৰ লেখীয়া পৃথিৱী সাব্যস্ত কৰি পেলায়, তেন্তে ফজল আলীৰ দৰে বিজ্ঞানীসকলে কোৰানক লৈ গৌৰৱৰ সীমা নোহোৱা হ'ব। তেওঁ কৈছে যে পায়'নিয়াৰ মহাকাশ যানে মহাকাশ বিচৰণ কৰি ক'তো জীৱৰ সন্ধান উলিয়াব নোৱাৰিলে সেয়ে নাছাৰ বিজ্ঞানীয়ে মহাকাশত জীৱ নাই বুলি মানি লৈছে। এইবোৰ তথ্য তেওঁ কিদৰে সংগ্ৰহ কৰে তাক ভাবিলে আচৰিত হ'ব লাগে, কাৰণ মহাকাশ যানখনে কোনো এখন নক্ষত্ৰৰ ওচৰে পোৱা নাই। যানখনে বিশ্বৰ ১ শতাংশ ঠায়ো ভ্ৰমণ কৰিবলৈ সক্ষম হোৱা নাই। *(আগলৈ)*

## অনী মাণ্ডব্য মুনিৰ উপাখ্যান

ৰমেশ চন্দ্ৰ গোস্বামী

**মহাভাৰতৰ** আদি পৰ্বত অনীমাণ্ডব্য মুনিৰ উপনাখ্যানটোৰ মতে মাণ্ডব্য নামেৰে এজন আজন্ম ধাৰ্মিক মুনি আছিল। তেওঁ সৰুৰে পৰা যোগ সাধন কৰিছিল। এইজন মুনিয়ে আশ্ৰম এখন স্থাপন কৰি সেই আশ্ৰমৰ গছৰ তলত উৰ্দ্ধবাহু হৈ বহুকাল মৌন ব্ৰতত আছিল। মুনি মৌন ব্ৰতত থাকোতে সেই ৰাজ্যৰ নদৰ ৰক্ষক সেনাবোৰে কেইজনমান চোৰক ধৰিবলৈ খেদি আহিছিল। চোৰ কেইজনে প্ৰাণৰ ভয়ত আশ্ৰমত প্ৰৱেশ কৰি চুৰি কৰি অনা বস্তুবোৰ তাতে এৰি গছৰ আঁৰত লুকাই থাকিল। নগৰ ৰক্ষকে চোৰ কেইজনক অনুসৰণ কৰি আহি মুনিক দেখি চোৰকেইজন কোনফালে গৈছে সুধিলে। মৌনব্ৰতত থকা মুনিৰ পৰা কোনো উত্তৰ নাপাই আশ্ৰমত বিচাৰি চোৰক ধৰিলে। চুৰি বস্তুবোৰ তাত পাই সিহঁতে ভাবিলে এজন চোৰে সিহঁতক দেখি মৌন ব্ৰতৰ ভাও ধৰি নি ৰজাৰ ওচৰত হাজিৰ কৰালে। ৰজাই চোৰৰ লগতে মুনিকো বধ কৰিবলৈ আদেশ দিলে। নগৰৰক্ষীবিলাকে চোৰৰ স'তে মহা তপস্বী মুনিকো শূলত দিলে। মুনিয়ে বহুদিন শূলত অনাহাৰে অনিদ্ৰাই মৌন ব্ৰততে থাকিলে। তেওঁ তপস্যাৰ দ্বাৰা আন আন তপস্বীক নিজৰ ওচৰলৈ আনিলে। তপস্বীসকলে শূলত থকা মুনিৰ দুখত দুখী হৈ শূলত দিয়াৰ কাৰণ সুধিলে। মুনিয়ে ক'লে যে তাৰ বাবে আন কোনো দোষী নহয়। তেওঁ নিজৰ কৰ্মফল এইদৰে ভোগ কৰিছে।

বহুদিন পাৰ হৈ যোৱাত নগৰৰক্ষীহোৱে মুনিক জীৱিত থকা দেখি আচৰিত হৈ ৰজাক জনালে। ৰজাই মুনি জীয়াই থকা কথা শুনি মন্ত্ৰীসকলৰ স'তে আলোচনা কৰি মুনি শ্ৰেষ্ঠক শূলৰ পৰা নমাই আনি অজ্ঞাত বশতঃ কৰা অপৰাধৰ বাবে ক্ষমা বিচাৰিলে। মুনি ৰজাৰ কথাত প্ৰসন্ন হ'ল। মুনিক শূলৰ পৰা মুক্ত কৰিবলৈ ৰজাই শূলডাল উলিয়াবলৈ টানিলে যদিও উলিয়াব নোৱাৰি বাহিৰত থকা অংশ কাটি দিলে। শূলৰ এটা অংশ মুনিৰ শৰীৰৰ ভিতৰত থকা অৱস্থাতো তেওঁ তপস্যা কৰি থাকিল। অতিশয় তপস্যাৰ বলত যিটো আমাৰ পক্ষে দুৰ্লভ মুনিয়ে তেনে পুণ্য লোক লাভ কৰিলে। তেতিয়াৰ পৰা তেওঁ অনীমাণ্ডব্য নামে খ্যাত হ'ল।

পৰম আত্মজ্ঞানী আৰু প্ৰভাৱশালী মুনিজনে ধৰ্মৰাজৰ ওচৰলৈ গৈ তেওঁক সুধিলে, মই নিজে নজনাকৈ এনেকুৱা কি বেয়া কাম কৰিছিলো যাৰ কাৰণে মই শূলত থাকি দুখময় জীৱন কটাবলগীয়া হ'লো? ধৰ্মই ক'লে, হে তপোধন। তুমি পতংগৰ নেজৰ ভিতৰেদি খৰিকা সুমুৱাই দিছিলা, সেই কৰ্মৰ ফল তুমি এতিয়া ভোগ কৰিছা। মুনিয়ে সুধিলে কোন সময়ত তেওঁ সেই কাম কৰিছিল। ধৰ্মৰাজে বাল্য কালত বুলি কোৱাত তপোধনে ক'লে— জন্মৰ পৰা ১২ বছৰ বয়সলৈকে শিশুৱে যি কৰে তাত অধৰ্ম নহয়, কিয়নো তেতিয়ালৈকে ধৰ্ম শাস্ত্ৰৰ বিধেবোৰ নাজানেষ অলপ অপৰাধত তুমি মোৰ প্ৰতি বৰ ডাঙৰ দণ্ড বিধান কৰিলা। সকলো প্ৰাণী বধৰ ভিতৰত ব্ৰাহ্মণ বধ গুৰুতৰ। সেইবাবে মই তোমাক অভিশাপ দিলো। 'তুমি মানুহ হৈ শূদ্ৰ যোনিত জন্ম ল'বাগৈ। মই আজি লোকত ধৰ্মৰ ফল উৎপত্তিৰ বিষয়ে এই নিয়ম প্ৰবৰ্তন কৰিলো যে ১৪ বছৰ বয়সলৈকে কৰা কামৰ বাবে কোনো পাপ নহ'ব।' মুনি ফল ভোগ কৰিবলৈ ধৰ্মৰাজে বিচিত্ৰবীৰ্যৰ ৰাণীৰ দাসীৰ গৰ্ভত ব্যাস দেৱৰ ঔৰসত বিদুৰ নাম লৈ জন্মগ্ৰহণ কৰে।



উপাখ্যানটোৰ শিক্ষণীয় দিশ হ'ল অপকৰ্মৰ ফল সকলোৱে ভোগ কৰিব লাগে। মাণ্ডব্য মুনিয়ে বাল্য কালত পখিলাৰ নেজত খৰিবা ভৰাই দিয়া বাবে পাছত নিজে শূলত থাকিবলগীয়া হ'ল। স্বয়ং ধৰ্মৰাজেও লঘূ দোষত গুৰু শাস্তি প্ৰদান কৰা বাবে মনুষ্য কূলত দাসীৰ গৰ্ভত জন্ম ল'ব লগা হ'ল। গতিকে কৰ্মফলৰ পৰা কাৰো নিস্তাৰ নাই।

# আধ্যাত্মিক জীৱনৰ বাবে শৰীৰ, মন আৰু স্বাস্থ্য

## শৰীৰৰ সুস্থতা পবিত্ৰতাই মানুহৰ জীৱনশৈলীৰ পৰিৱৰ্তন আনি দিয়ে

কাব্যনীল

**শৰীৰ** সুস্থ কৰাৰ ক্ষেত্ৰত মানুহৰ মন সংযম কৰিবলৈ একমাত্ৰ সাধন হ'ল ধ্যান। যাৰ জৰিয়তে আমি মন সুন্দৰ কৰি শৰীৰ সুস্থ বা নিৰোগী কৰিব পাৰো।

ধ্যান (meditation) হ'ল সূক্ষ্ম অনুভূতিৰে অন্তৰ্জগতলৈ প্ৰৱেশ ঘটোৱা এক গভীৰ পদ্ধতি। ই এক গভীৰ চিন্তা, আৰু একাগ্ৰতাৰ মূল। ইয়াৰ জৰিয়তে যিকোনো কাম সাধন কৰিব পাৰি। লগতে সুস্বাস্থ্য প্ৰদান আৰু মানুহক দীৰ্ঘজীৱী কৰি তোলে। আমাৰ চঞ্চল মনত স্থিৰতা, মনৰ একাগ্ৰতা, উদ্বেগ, অশান্তি আৰু অস্থিৰতা দূৰ কৰে। মানসিক শক্তি, আত্মীক শক্তি লগতে কৰ্মদক্ষতা বৃদ্ধি কৰে। ধ্যানৰ জৰিয়তে যুক্তিপূৰ্ণভাৱে শৃঙ্খলাবদ্ধ কৰ্ম কৰিবলৈ প্ৰেৰণা যোগায়। ইয়াৰ ফলত আত্মিক ভাব লগতে আধ্যাত্মিক শক্তি ব্যক্তিৰ ভিতৰত প্ৰৱেশ ঘটে ,

ধ্যান দুই ধৰণৰ - ১। সাকাৰ ধ্যান আৰু ২। নিৰাকাৰ ধ্যান ।

যিকোনো মূৰ্তিক হৃদয়ত চিন্তা কৰাটোৱে 'সাকাৰ ধ্যান'— আনহাতে, মন আৰু বুদ্ধিৰে একাগ্ৰতাৰ মাজেৰে চিন্তা কৰাটোৱে 'নিৰাকাৰ ধ্যান'

বৰ্তমান আমি নানা ধৰণৰ চিন্তা ভাৱনাৰ মাজত মানসিক সুস্থতা হেৰুৱাই পেলাইছো যাৰ কাৰণে ধ্যানৰ প্ৰয়োজন অধিক। যাৰ জৰিয়তে আমাৰ মন, বুদ্ধি আৰু সংকল্প পবিত্ৰ কৰিব লাগিব। ইয়াক কৰাৰ কাৰণে একাগ্ৰতাৰ প্ৰয়োজন। মানুহৰ জীৱনৰ সুখ-শান্তি আৰু আনন্দই মূল উদ্দেশ্য। এইবোৰ লাহে লাহে আমাৰ পৰা আঁতৰি গৈছে। আমি এটা অৰ্থত শিক্ষিত হৈও প্ৰকৃত শিক্ষাৰ যি গুণ-নম্ৰ, বিনয়ী, অমায়িক, দায়িত্ববোধ সম্পন্ন, নিয়মানুৱৰ্তী, মিতব্যয়ী, মিষ্টভাষী, সহিষ্ণু, ধীৰ-স্থিৰ, সত্যবাদী, ইন্দ্ৰিয় সংযম, ত্যাগী আৰু স্বাৱলম্বিতা হেৰুৱাই পেলাইছো। ধ্যানৰ জৰিয়তে সুস্থ মন, সুস্থ শৰীৰ লগতে হেৰাই যোৱা গুণবোৰ আমাৰ মাজলৈ ঘূৰাই আনিব পাৰি। ই এক আত্মোপলব্ধি। আমি সদায় দিনটোৰ ব্যস্ততাৰ মাজতো কিছু সময় যদি ধ্যান কৰিব পাৰো আমাৰ নিজৰ লগতে পৰিয়ালৰ সকলোৱে গ্ৰহণ কৰিব পাৰিলে নিশ্চয় আমাৰ সমাজ, দেশ লগতে আন বেয়া বাতাৱৰণ সুন্দৰ হ'ব। ই আজিৰ বিষয় নহয়, হেজাৰ বছৰ আগৰ এক বৈজ্ঞানিক বাস্তৱ দৃষ্টিভংগী, যিয়ে এজন ব্যক্তিৰ অন্তৰ্নিহিত সকলো গুণ, কলা বিকাশ সাধন কৰিব পাৰে।

যোগ শাস্ত্ৰ ম'তে -শৰীৰ আৰু মন সুস্থ কৰিবলৈ মানুহৰ শৰীৰৰ লগত বায়ুৰ এক বিশেষ ভূমিকা আছে। যাৰ দ্বাৰা আমি আমাৰ জীৱনৰ সকলো কাম-কাজ কৰাৰ উপৰি শৰীৰৰ সুস্থতা শুদ্ধ তা আৰু শৰীৰ সুস্থ সবল নিৰোগী ৰাখিব পৰো। ই এক বিজ্ঞান।

আমাৰ শৰীৰৰ মূল সমল বায়ু, পিত্ত আৰু কফ, যাক 'ত্ৰিদোষ' বুলিও কোৱা হয়। যাৰ দ্বাৰা বা যাৰ অভাৱত সকলো ধৰণৰ ৰোগৰ উৎপত্তি হোৱা দেখা যায়। যদি ই সঠিক ৰূপত থাকে শৰীৰ সুস্থ সবল হৈ থাকিব আৰু ইয়াৰ কম বেছি হ'লে শৰীৰ অসুস্থ হৈ পৰিব! ইয়াক সুস্থ কৰাৰ বাবেই যোগ আৰু প্ৰাণায়াম এক ৰামবান।

'বায়ু' এক গুৰুত্বপূৰ্ণ বিজ্ঞান। আমাৰ শৰীৰত দহটা বায়ুৰ ভিতৰত প্ৰথম পাঁচটা— দেহস্ত বায়ু। যেনে-প্ৰাণ, অপান, সমান, উদান আৰু ব্যান। আনহাতে বহিঃস্থিত বায়ু হ'ল— নাগ, কুৰ্ম, কৃকৰ, দেবদত্ত আৰু ধনঞ্জয়।

ইয়াৰ স্থান হিচাপে যদি হিচাপ কৰা হয় তেনেহ'লে— 'প্ৰাণ-হৃদয়ত, অপান-গুহ্যদেশ, সমান-নাভি উদান-কণ্ঠ, ব্যান-সৰ্বশৰীৰ।

আনহাতে, নাগ-উগাৰত কুৰ্ম-চকু মেলাত কৃকৰ-হাসি অহা দেবদত্ত-হামিঅহা ধনঞ্জয়-সৰ্বশৰীৰ।

এই বায়ু আকৌ পাঁচটা তত্ত্বৰ লগত জড়িত। যেনে- বায়ু, অগ্নি, আকাশ, জল আৰু পৃথিৱী।

যদি শৰীৰত আমাৰ এই বায়ু সঠিক ৰূপত নাথাকে শৰীৰ অসুস্থ হৈ পৰিব, নানা ধৰণৰ ৰোগ বিয়পি আমাক শাৰীৰিক-মানসিকভাৱে কষ্ট দিব। যাৰ কাৰণে আমি ইয়াৰ সঠিক ৰূপত ৰাখিবলৈ যোগ আৰু প্ৰাণায়ামক গ্ৰহণ কৰিব লাগিব। কাৰণ শৰীৰ আৰু মন সুস্থ-সবল কৰাৰ একমাত্ৰ উপায় যোগ আৰু প্ৰণায়াম তাৰ বিকল্প নাই।

সেই কাৰণে— ভাৰতীয় দৰ্শনত 'যোগ' এক গুৰুত্বপূৰ্ণ শব্দ। মহৰ্ষি পটঞ্জলীৰ ম'তে- 'যোগ হৈছে বৃত্তি নিৰোধ'। তেওঁৰ মতে—প্ৰমাণ, বিপৰ্যয়, বিকল্প, নিদ্ৰা আৰু স্মৃতি— এই পঞ্চ বৃত্তি যেতিয়া লয় প্ৰাপ্ত হয় আৰু মন দ্ৰষ্টাৰ স্বৰূপ উৎপন্ন হয় তেতিয়া যোগ হয়। আনহাতে, যোগৰ অৰ্থ 'সমাধি'। যোগৰ তাৎপৰ্য মূলতঃ আমাৰ মুখ্য চেতনাৰ কেন্দ্ৰ পৰমচৈতন্য প্ৰভুৰ সংগত যুক্ত হৈ পৰাটো। শ্ৰীকৃষ্ণই গীতাত যোগৰ অৰ্থ, ইয়াৰ গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে আলোচনা কৰিছে— 'অনুকূলতা, প্ৰতিকূলতা, সিদ্ধি, অ-সিদ্ধি, সফলতা, বিফলতা, জয়, পৰাজয়, এই সমস্ত ভাৱত আত্মস্থৰ পৰা সম হৈ থকাটোৱেই যোগ'।

যোগৰ অৰ্থ নিজস্ব চেতনাবোধ। নিজৰ ভিতৰত লুকাই থকা শক্তিক বিকশিত কৰি পৰমচৈতন্য আত্মাৰ সাক্ষাৎকাৰৰ পৰা প্ৰাপ্ত পূৰ্ণ আনন্দৰ প্ৰকাশ।

এই প্ৰকাৰ আঠটা বুলি মহৰ্ষি পটঞ্জলীয়ে 'যোগসূত্ৰ-ত কৈছে—— যেনে ১) যম-কিছুমান অনৈতিক কাৰ্যৰ পৰা আঁতৰত থকা। ইয়াক আকৌ পাঁচ ভাগত ভাগ কৰিছে- যেনে-অহিংসা, সত্যে, অস্তেয়, ব্ৰহ্মচাৰ্য্য আৰু অপৰিগ্ৰহ।

২) নিয়ম-শৃংখল জীৱন শৈলী, নিত্য পালন কৰিবলগীয়া কিছু নৈতিক কৰ্ম। ই পাঁচ প্ৰকাৰৰ, যেনে- শৌচ, সন্তোষ, তপস্যা, স্বাধ্যয় আৰু ঈশ্বৰ প্ৰণিধান।

৩) আসন-শৰীৰৰ কিছুমান ভংগী যাক অনুশীলন কৰিলে শৰীৰৰ বিভিন্ন ৰোগ-ব্যাধি নাশ হয়।

৪) প্ৰাণায়াম-প্ৰাণ এক তত্ত্ব, এক বিজ্ঞান, প্ৰাণশক্তিক আয়ত্তৰ মাজত আনি তাৰ সঞ্চয় আৰু বিস্তাৰ।

৫) প্ৰত্যাহাৰ-শৰীৰৰ বহিৰ্মুখী ইন্দ্ৰিয়ক বিষয় বাসনাৰ পৰা আঁতৰ কৰি আনি অন্তৰমুখী কৰা।

৬) ধাৰণা-কোনো এটা বস্তুত স্থিৰ সিদ্ধান্ত।

৭) ধ্যান-ধাৰণা যেতিয়া বেছি সময় স্থিৰ কৰিব পৰা যায় তেতিয়াই ধ্যান আৰম্ভ।

৮) সমাধি সম্পূৰ্ণভাৱে নিমজ্জিত বা লীন হৈ যোৱা যিটো অৱস্থা।

ইয়েই অষ্টাঙ্গ যোগ, যাৰ মাধ্যমেদি আমাৰ সুপ্ত চেতনাক জাগ্ৰত কৰি শৰীৰৰ শক্তি বৃদ্ধি কৰিব পাৰি। যাৰ জৰিয়তে জীৱনৰ সকলো নেতিবাচক চিন্তা মনৰ পৰা আঁতৰি শুদ্ধ সুন্দৰ ইতিবাচক চিন্তাই আমাৰ



জীৱন সুন্দৰ কৰি তোলে। মানুহৰ ধ্যান ধাৰণা সলনি হয় আচাৰ-ব্যৱহাৰৰ পৰিৱৰ্তন হয় আৰু শৰীৰৰ পৰা সকলো ধৰণৰ ৰোগ ব্যাধি দূৰ হৈ এটা নিৰোগী শৰীৰ আমি লাভ কৰিব পাৰো।

"A sound mind in a sound body"— এৰিষ্টটলৰ মতে, সুস্থ শৰীৰত সুস্থ মন লুকাই থাকে, শৰীৰ সুস্থ কৰিবলৈ মন সুস্থ কৰিব লাগিব। ইয়াৰ বাবেই প্ৰাচীন কালৰ পৰাই যোগ আৰু প্ৰাণায়ামক বিশেষ গুৰুত্ব দিয়া হৈছে।

মানুহৰ সকলো ৰোগৰ মূলতে হ'ল 'মন'— অৰ্থাৎ মনদৈহিক। যোগ আৰু প্ৰণায়ামৰ পৰা এই মনদৈহিক সকলো সমস্যাৰ কম সময়ত নোহোৱা কৰিব পাৰি। মন প্ৰফুল্ল, আনন্দময়ী কৰাৰ ই এক উচ্চ বিজ্ঞানভিত্তিক পদ্ধতি। সকলো ৰোগৰ ত্ৰিদোষ (বায়ু, পিত্ত আৰু কফ) জড়িত ইয়াক অৰ্থাৎ ইয়াৰ সকলো বীজাণু লাহে লাহে শেষ কৰিব পাৰি, যিটো আজিৰ এলোপেথিক কোনো চিকিৎসাৰ দ্বাৰা সম্ভৱ নহয়।

শৰীৰত ধাৰণ কৰা সাত ধাতু- ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা আৰু বীৰ্যৰ অনুপাত সমান হৈ পৰে। সাত ধাতুৰ পৰা সৃষ্টি হোৱা জটিল ৰোগ শেষ হয়। মল, মূত্ৰবিকাৰ ইয়াৰ দ্বাৰা সমাপ্তি কৰিব পাৰি। ই এনেকুৱা এক পদ্ধতি যিয়ে আৰম্ভণিৰ দিনাৰ পৰাই কাম আৰম্ভ কৰে কিন্তু আজি আমি যিবোৰ ৰাসায়নিক ঔষধ দিন ৰাতি খাই আছো তাক সহজে বন্ধ কৰা সহজ নহয়, মৃত্যু পৰ্যন্ত খাই থাকিব লাগিব। যোগযুক্ত জীৱনে সকলো এই ধৰণৰ সমস্যাৰ অৱসান ঘটায়। আনকি হাওঁফাওঁৰ যিমান জটিল ৰোগ আছে তাক ইয়াৰ দ্বাৰা নোহোৱা কৰিব পাৰি, শৰীৰত প্ৰচুৰ উৰ্জা সৃষ্টি হৈ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। শৰীৰ সম্পূৰ্ণ সুস্থ হৈ এটা নতুন শৰীৰৰ জন্ম দিব পাৰে। ই এক চমৎকাৰ।

শৰীৰৰ ১০ ইন্দ্ৰিয়— কাণ, নাক, চকু, ছাল, মলদ্বাৰ, মূত্ৰদ্বাৰ, হাত, ভৰি, জিভা আৰু মন প্ৰসন্ন হৈ উঠে। প্ৰত্যেক ইন্দ্ৰিয় যেতিয়া সঠিকভাৱে পৰিচালিত হ'ব শৰীৰত ৰোগ উৎপন্ন হ'ব নোৱাৰে। শৰীৰৰ সুস্থতা পবিত্ৰতাই মানুহৰ জীৱনশৈলীৰ পৰিৱৰ্তন আনি দিয়ে।

মন মানুহৰ শৰীৰৰ একেবাৰে ভিতৰত অৰ্থাৎ হৃদয়ত বাস কৰে ই অতি সূক্ষ্ম, যিয়ে সমগ্ৰ দেশ সক্ৰিয় কৰি ৰাখে। ইয়াৰ স্থিতি আছে কিন্তু আকাৰ-প্ৰকাৰ নাই। আমাৰ এই দেহ মাটি, পানী, জুই, বায়ু আৰু আকাশ এই পঞ্চভূতৰ দ্বাৰা গঠিত। সেই বাবে ইয়াক 'পঞ্চভৌতিক দেহ' বুলি কোৱা হয়।

ইয়াৰ ভিতৰত বায়ু হ'ল আমাৰ প্ৰাণ, অপান, সমান, উদান আৰু ব্যাম পাঁচ ভাগত বিভক্ত হৈ শৰীৰৰ কাম কৰে। কৰ্ম অনুসৰি মন-চিত্ত, বুদ্ধি আৰু অহংকাৰ তিনি ভাগত বিভক্ত।

শৰীৰ এক আচৰিত ৰাসায়নিক পৰীক্ষাগাৰ। আমি খোৱা খাদ্য বিভিন্ন ৰসৰ দ্বাৰা ভিতৰ পায়।

ৰসৰ পৰা ছাল, ছালৰ পৰা মেদ, মেদৰ পৰা মাংস, মাংসৰ পৰা হাড় হাড়ৰ পৰা অস্থি আৰু অস্থিৰ পৰা শুক্ৰ (বীৰ্য) উৎপন্ন হয়। আমাৰ এই দেহ- স্থূল, সূক্ষ্ম আৰু কাৰণ দেহ নামেৰে বিভক্ত। প্ৰতিটো দেহৰ কাম ভিন্ন।

যোগ এক পূৰ্ণ বিজ্ঞান এক পূৰ্ণ জীৱনশৈলী, পূৰ্ণ চিকিৎসা পদ্ধতি। মানুহৰ জীৱনত ইয়াৰ তাৎপৰ্য সৰ্বাধিক। ই যে অকল ৰোগ ব্যাধি দূৰ কৰে সেইটো নহয়; ঈশ্বৰ, আত্মা, পৰমাত্মা, আধ্যাত্মিকতা, জ্ঞান-বিজ্ঞান, সম্পৰ্কে নতুন নতুন ধাৰণাৰ জন্ম দিয়ে। ভৌতিক বস্তুৰ প্ৰতি থকা লালসা, ইন্দ্ৰিয়জনিত সুখ নোহোৱা কৰে মানুহৰ ভিতৰত সত্য ভাৱনা, প্ৰেম, কৰুণা, শ্ৰদ্ধা, মানৱীয় গুণ বিকাশ কৰে। জীৱনৰ চাৰি অৰ্থ— আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুনৰ প্ৰতি শুদ্ধ ধাৰণা দৃষ্টিভংগী মনলৈ আনি দিয়ে।

আজিৰ এই ভয়ানক সময়ত যোগৰ দ্বাৰা সকলো ৰোগ প্ৰতিৰোধ কৰিব পাৰি, ইয়াক উপলব্ধি কৰি জীৱন শৈলী সলনি কৰা প্ৰয়োজন।

আমি সকলোকে আহ্বান জনাওঁ, শৰীৰ সুস্থ কৰিবলৈ লগতে কৰ'নাৰ লগত যুঁজিবলৈ সকলোৱে যোগ আৰু প্ৰাণায়ামৰ মাজেৰে জীৱন সুন্দৰ কৰক। প্ৰত্যেক দিনেই প্ৰাতঃ ধ্যান কমেও পাঁচ মিনিট আৰু সন্ধ্যা ধ্যান কমেও পাঁচ মিনিট কৰিব পাৰিলে জীৱন হীৰা হ'ব। ঘৰ-পৰিয়াল, ল'ৰা-ছোৱালী সকলো ধৰণৰ নষ্ট চিন্তাৰ পৰা আঁতৰি এক সুন্দৰ জীৱনশৈলী নিৰ্মাণ হ'ব।

ফোনঃ ৯৭০৬৭৭৮১৩১

# বজৰং দলৰ বিৰুদ্ধে ধন দাবী-মহিলাক

*এক পৃষ্ঠাৰ পৰা* বজৰং দলৰ সদস্যসকলৰ বিৰুদ্ধে হোটেলৰ মহিলা কৰ্মচাৰীক প্ৰহাৰ কৰাৰ লগতে গো-মাংস বিক্ৰী কৰাৰ বাবে ধন দাবী কৰাৰ অভিযোগ উঠিছে। এই ঘটনা সংঘটিত হয় চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত ১৭ মাইলত।

উল্লেখ্য যে ১৭ মাইলৰ বিছমিল্লাহ নামৰ হোটেলখনত উপস্থিত হৈ বজৰং দলৰ শোণিতপুৰ জিলা সমিতিৰ সদস্য বুলি চিনাকি দিয়া কেইজনমান যুৱকে হোটেলখনত গো-মাংস বিক্ৰী কৰা বুলি অভিযোগ কৰে। ইয়াৰ পাছতে হোটেল কৰ্তৃপক্ষ আৰু বজৰং দলৰ সদস্যসকলৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। পাছত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। বজৰং দলৰ সদস্যসকলে জনায় যে তেওঁলোকে হোটেলখনত গো-মাংস বিক্ৰী কৰাৰ অভিযোগ লাভ কৰি অনুসন্ধান কৰিবলৈ আহিছিল। ইয়াৰ বিপৰীতে হোটেল কৰ্তৃপক্ষই অভিযোগ কৰে যে বজৰং দলৰ সদস্যকেইজনে হোটেলৰ একাধিক মহিলাসহ কৰ্মচাৰীসকলক প্ৰহাৰ কৰাৰ লগতে তিনি লাখ টকা দাবী কৰিছিল। সম্প্ৰতি চাৰিদুৱাৰ আৰক্ষীয়ে দুয়োপক্ষকে সোধপোছ অব্যাহত ৰাখিছে।

# মহাৰাষ্ট্ৰৰ চৰকাৰী কামত মাৰাঠী ভাষা

*এক পৃষ্ঠাৰ পৰা* বাধ্যতামূলক হ'ব। ৰাজ্যখনৰ মন্ত্ৰী সুভাষ দেশায়ে কয় যে মহাৰাষ্ট্ৰৰ চৰকাৰী ভাষা-আইন, ১৯৬৪ত স্থানীয় কৰ্তৃপক্ষৰ কাম-কাজত মাৰাঠী ভাষা চৰকাৰী ভাষাৰূপে বাধ্যতামূলক কৰা হোৱা নাছিল বাবেই সম্প্ৰতি বিধেয়কখন গৃহীত কৰাটো প্ৰয়োজনীয় হৈ পৰিল। তেওঁ কয় যে আইনত সুবিধা নথকাৰ সুযোগ লৈছিল স্থানীয় কৰ্তৃপক্ষসমূহে। পূৰ্বৰ ভুলৰ শুধৰণি স্বৰূপে নতুন পদক্ষেপ লোৱা বুলি উল্লেখ কৰি তেওঁ কয়, 'যিকোনো স্থানীয় কৰ্তৃপক্ষ সেয়া ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্যৰ দ্বাৰা পৰিচালিত নিগম যিয়েই নহওক কিয়, মানুহৰ স'তে কথা-বতৰাৰ সময়ত আৰু বিভাগীয় আভ্যন্তৰীণ কাম-কাজতো মাৰাঠী ভাষা ব্যৱহাৰ কৰিব লাগিব।'

মন্ত্ৰীজনে কয় যে অৱশ্যে বিদেশী ৰাষ্ট্ৰদূতৰ স'তে যোগাযোগ আদি কিছুমান নিৰ্দিষ্ট চৰকাৰী কামত ইংৰাজী বা হিন্দী ব্যৱহাৰ কৰিব পাৰিব। ইয়াৰ পূৰ্বে বিজেপি বিধায়ক যোগেশ সাগৰে কয় যে সন্মুখত নিৰ্বাচন অহাৰ লগে লগে মাৰাঠীৰ প্ৰতি প্ৰেম কিয় উপচি পৰিছে? কিছুদিন পাছতে ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া স্থানীয় নিকায়-নিগমৰ নিৰ্বাচনৰ প্ৰসংগ উল্লেখ কৰি তেওঁ এইদৰে কয়। তেওঁ এই বিধেয়কক সমৰ্থন কৰে কয় যে মাৰাঠীতে প্ৰস্তুত হ'ব লাগে ফাইলবোৰ। অৱশ্যে দেশায়ে প্ৰত্যুত্তৰত কয় যে এই বিষয়টো ৰাজনীতিৰ স'তে সংযোজিত কৰাটো ঠিক নহ'ব। তেওঁ কয় যে সন্মুখত নিৰ্বাচন অহাৰ বাবে তেওঁলোকে কৰ্তব্য পালন কৰিব নালাগে নেকি?

# বিজেপিৰ 'আতংক'ত একেলগে হোটেলত

*এক পৃষ্ঠাৰ পৰা* কংগ্ৰেছৰ পৰা হোটেল চোৰা-চিতাও অব্যাহত আছে। খানাপাৰাৰ গ্ৰীণউড ৰিজ'ৰ্টৰ কথা বিবেচনা কৰা হৈছে। অৱশ্যে বেছিভাগ বিধায়কে বিধানসভাৰ ওচৰে-পাঁজৰে কোনো ভাল হোটেলত থকাৰ কথা উনুকিয়াইছে। সেই সূত্ৰে ছাৰ্ভেস্থিত 'ৰয়েল দা কাছা'ৰ নাম চৰ্চালৈ আহিছে। উল্লেখ্য যে যোৱা বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ আগমুহূৰ্ততো বিজেপিয়ে কাঢ়ি নিয়াৰ আশংকাত কংগ্ৰেছৰ সকলো প্ৰাৰ্থীক মহানগৰীৰ পাৰ্শ্বৱৰ্তী সোণাপুৰৰ এখন বিলাসী ৰিজ'ৰ্টত কে'বাদিনো আবদ্ধ কৰি ৰখা হৈছিল।

ৰাজ্যসভা নিৰ্বাচনৰ বাবে বিৰোধীৰ বিধায়কক হোটেলত আবদ্ধ কৰি ৰখাৰ সন্দৰ্ভত বিধায়ক তথা প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে স্পষ্টকৈ কোনো মন্তব্য নকৰিলেও ইংগিতেৰে যেন সেয়াই কয়। শিকদাৰে কয়, 'মই এইবোৰতো একো নেতিবাচক দিশ বিচাৰি নাপাওঁ। আমি ৰাজনীতি কৰা সকল বছৰৰ ৩৬৫ দিনেই সমাজৰ কামত ব্যস্ত থাকো। আমাৰো মনৰ কথা পাতিবলৈ মন যায়। গতিকে দুটা দিন যদি ক'ৰবাত থাকি মনৰ কথা খুলি ক'ব পাৰো তাত আপত্তি কৰিবলগীয়া নাই। আহি থকা দিনবোৰত হয়তো ক'ৰবাত থাকিব পাৰো।' উল্লেখ্য যে দ্বিতীয় আসনখনত জয়লাভৰ বাবে ৪২ টা ভোটৰ প্ৰয়োজন। দাবী কৰা অনুসৰি বিৰোধীৰ হাতত বৰ্তমান আছে ৪৩ টা ভোট। গতিকে এই ক্ষেত্ৰত কোনো ৰিস্ক ল'ব বিচৰা নাই কংগ্ৰেছে।

### মিঠাই বিতৰণ বৰাৰ

ইপিনে, ব্যতিক্ৰমী কৌশলেৰে নিজৰ নিৰ্বাচনী প্ৰচাৰ চলাইছে বিৰোধীৰ প্ৰাৰ্থী ৰিপুন বৰাই। যোৱা নিশাৰ পৰা বৰাই বিৰোধীৰ বিধায়কসকলৰ চৰকাৰী আৱাসে আৱাসে গৈ মিঠাইৰ টোপোলা আগবঢ়াই তেওঁক ভোট দিবলৈ অনুৰোধ জনায়। কালাকান্দ, কাজু বৰফি আদি মিঠাইৰে বন্ধা টোপোলা আগবঢ়োৱা সন্দৰ্ভত বৰাই কয়, 'মিঠাই বহুতে নাখায়। তথাপি মই মিঠাই আগবঢ়াইছো। কাৰণ মিঠাই হ'ল প্ৰেমৰ প্ৰতীক। আমাৰ কাম-কাজো যাতে মিঠা হয় তাৰ বাবেই মই মিঠাই আগবঢ়াইছো। আগতে এনে নিয়ম নাছিল। মই এটা নতুন পৰম্পৰাৰ আৰম্ভণি কৰিব বিচাৰিছো।'

# শীঘ্ৰে এনআৰচিৰ পুনৰীক্ষণৰ আবেদন

*এক পৃষ্ঠাৰ পৰা* এনআৰচিৰ বিষয়ো উত্থাপিত হয়। অতুল বৰা, পীযুষ হাজৰিকা আৰু যোগেন মহনক লৈ গঠিত মন্ত্ৰীগোটে স্পষ্ট কৰি দিয়ে যে অসম চৰকাৰে এনআৰচিখন গ্ৰহণ কৰা নাই। বৰঞ্চ ইয়াৰ পুনৰীক্ষণৰ আবেদন জনাই শীঘ্ৰে উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰিব।

বৈঠকৰ সন্দৰ্ভত অতুল বৰাই কয় যে অতি যোগাত্মকভাৱে ২৭টা সংগঠনৰ লগত আজি যি আলোচনা অনুষ্ঠিত হয় ইয়াৰ পাছত চৰকাৰে ২৭ লাখ লোকক আধাৰ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিব। বৰাই কয়, 'আধাৰৰ লগত নাগৰিকত্বৰ সম্পৰ্ক নাই। আধাৰ থাকিলেও কোনো লোকে নাগৰিকত্ব দাবী কৰিব নোৱাৰে। যি ২৭ লাখ লোকে আধাৰ পোৱা নাই তেওঁলোকৰ বহুতৰ নাম এনআৰচিত নাই। আধাৰ নথকা বাবেই বহু প্ৰকৃত ভাৰতীয়য়ো চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণৰ পৰা বঞ্চিত হৈছে। আজিৰ আলোচনাতো সকলো সংগঠনে মত প্ৰকাশ কৰে যে আধাৰৰ লগত যিহেতু নাগৰিকত্বৰ সম্পৰ্ক নাই সেয়েহে সকলোৰে আধাৰ পাব লাগে। তাৰে ভিতৰৰ যিসকলৰ নাম এনআৰচিত বাদ পৰিব তেওঁলোকৰ আধাৰ কৰ্তন হ'ব।' বৈঠকৰ সিদ্ধান্ত অনুসৰি বঞ্চিতসকলে আধাৰ পাব পৰাকৈ ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰিব। সেই শপতনামাত এনআৰচিৰ চূড়ান্ত তালিকাত নাম নথকা ব্যক্তিৰ আধাৰ কৰ্তন কৰাৰ কথাও ন্যায়ালয়ত দাখিল কৰিবলগীয়া শপতনামাত উল্লেখ থাকিব।

বৈঠকত অংশগ্ৰহণ কৰা আসাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিৎ শৰ্মায়ো কয় যে আধাৰ নথকা বাবে অসমৰ বহু খিলঞ্জীয়া লোকো চৰকাৰী আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হৈছে। ভাৰতত একেৰাহে ১২ মাহ থাকিলেই এজন লোকে আধাৰ পাব পাৰে। সেই বুলি আধাৰৰ জৰিয়তে কোনেও নাগৰিকত্ব দাবী কৰিব নোৱাৰে। শৰ্মাই কয়, 'অন্ততঃ অসমৰ খিলঞ্জীয়া লোকসকল যাতে চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হ'ব নালাগে তাৰ বাবেই আধাৰ দিব লাগে। এনআৰচিত নাম অন্তৰ্ভুক্ত নোহোৱাসকলৰ পাছত আধাৰ কৰ্তন কৰিব পাৰিব।' প্ৰসংগক্ৰমে এনআৰচিৰ ক্ষেত্ৰত শৰ্মাই কয় যে ২২খন জিলাৰ তালিকা এশ শতাংশ পুনৰীক্ষণ কৰিব লাগে। জিলাকেইখন হ'ল ধুবুৰী, কোকৰাঝাৰ, চিৰাং, গোৱালপাৰা, দক্ষিণ শালমাৰা আৰু মানকাচৰ, বঙাইগাঁও, বৰপেটা, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি, শোণিতপুৰ, লখিমপুৰ, ধেমাজি, মৰিগাঁও, নগাঁও, হোজাই, গোলাঘাট, কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি। ইপিনে, চৰকাৰক আৰু বৈঠক আহ্বান নকৰি হাতে-কামে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায় অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। আজিৰ বৈঠকত অংশগ্ৰহণকাৰী অধিকাংশই হ'ল বিভিন্ন জনগোষ্ঠীয় সংগঠন। উল্লেখ্য যে ইয়াৰ পূৰ্বে মন্ত্ৰীগোটে সদৌ অসম ছাত্ৰ সন্থাৰ লগতো বিষয়টো আলোচনা কৰি বাদ পৰি থকাসকলক আধাৰ প্ৰদানৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লৈছিল। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, অসম চুক্তি ৰূপায়ণ বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠী, গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত সচিব দিগন্ত বৰা আদিও উপস্থিত থাকে।

# মাতৃভাষা অবিহনে অস্তিত্ব ৰক্ষা নপৰে

*এক পৃষ্ঠাৰ পৰা* কাৰ্বি ভাষা-সাহিত্যৰ বিকাশৰ দিশত 'কাৰবি লাম্মেত আমেই' (কাৰ্বি সাহিত্য সভা)-এ বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰি যাব লাগিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। তেওঁ কয় যে নিজস্ব ভাষা-সংস্কৃতি-সাহিত্য চৰ্চাৰ লগতে ইয়াৰ সংগঠনৰ বাবে নৱপ্ৰজন্ম সংকল্পবদ্ধ হোৱাটো অতি প্ৰয়োজন। মাতৃভাষা অবিহনে কোনো জাতি-জনগোষ্ঠীয়ে দীৰ্ঘকাললৈ নিজৰ অস্তিত্ব বজাই ৰাখিব নোৱাৰে বুলি ড° শৰ্মাই কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সুপ্ৰাচীন প্ৰজ্ঞা আৰু বৰ্ণাঢ্য লোক-সংস্কৃতিৰে সমৃদ্ধ কাৰ্বিসকল অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি আৰু ভাষা-সাহিত্যৰ অমূল্য ৰত্ন। লোক-সাহিত্য চৰ্চাৰ চহকী পৰম্পৰাৰ অধিকাৰী কাৰ্বি জনগোষ্ঠীয়ে বৃহত্তৰ অসমীয়া জাতিৰ অগ্ৰগামী যাত্ৰাক নতুন গতি দিছে। এই চহকী জনগোষ্ঠীটোৰ ভাষা আৰু সাহিত্যই অসমীয়া জাতিক সমৃদ্ধ কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্বি জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ বিকাশৰ বাবে অসম চৰকাৰ বদ্ধপৰিকৰ।

ড° শৰ্মাই কয় যে কাৰ্বি জনগোষ্ঠীৰ চিন্তা-চেতনাক গভীৰভাৱে প্ৰভাৱিত কৰি অহা জাতীয় অনুষ্ঠান হৈছে 'কাৰবি লাম্মেত আমেই'। বিগত দশকসমূহত কাৰ্বি জনগোষ্ঠীক অধিক গতিশীল আৰু প্ৰাণৱন্ত কৰাত 'কাৰবি লাম্মেত আমেই'-এ এক সাগৰসদৃশ ভূমিকা গ্ৰহণ কৰি আহিছে। এই চহকী জনগোষ্ঠীটোৰ ভাষা আৰু সাহিত্যৰ সুপৰিকল্পিত বিকাশ আৰু শ্ৰীবৃদ্ধিত বিগত পাঁচ দশকৰো অধিক কাল অহোপুৰুষাৰ্থ কৰি অহা 'কাৰবি লাম্মেত আমেই'-এ কাৰ্বি ভাষা আৰু সাহিত্যক স্বকীয় ৰূপত উজলি উঠাৰ বাবে এখন উপযুক্ত মঞ্চ তৈয়াৰ কৰিবলৈ সক্ষম হৈছে।

মাতৃভাষাৰ প্ৰতি থকা অম্লান প্ৰেমেই স্ব-গৰিমাৰে মহিমামণ্ডিত হৈ বিশ্ব মানচিত্ৰত এটা জাতিক সগৌৰৱে জীয়াই থাকিবলৈ সাহস আৰু প্ৰেৰণা দিয়ে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে মাতৃভাষাৰ শ্ৰীবৃদ্ধিৰ বাবে যিকোনো জাতি বা জনগোষ্ঠীটোৰ ভিতৰচ'ৰাত চিন্তন আৰু মন্থনৰ নিতান্তই প্ৰয়োজন। কেৱল গাইগুটীয়া প্ৰচেষ্টাৰে কোনো জাতিৰ ভাষা-সাহিত্যৰ বিকাশ সম্ভৱ কৰি তুলিব নোৱাৰি। ইয়াৰ বাবে প্ৰয়োজন সু-পৰিকল্পনা আৰু সংঘবদ্ধ প্ৰয়াসৰ। কাৰবি লাম্মেত আমেই গঠনৰ অন্তৰালতো এনে এক চিন্তন আৰু মন্থনে ক্ৰিয়া কৰিছিল বুলি মন্তব্য কৰি তেওঁ কয় যে কাৰ্বি ভাষা-সাহিত্যৰ বিকাশৰ বাবে নিজস্ব কৰণীয়খিনি উপলব্ধি কৰি কাৰবি লাম্মেত আমেইৰ প্ৰতিষ্ঠাপকসকলে এই উমৈহতীয়া মঞ্চ গঠন কৰিছিল আৰু এই মঞ্চৰ জৰিয়তে কাৰ্বি লেখক-লেখিকাসকলক বিভিন্ন বিষয়ত সাহিত্য চৰ্চা কৰিবলৈ আৰম্ভণিৰে পৰা উৎসাহ যোগাই আহিছে। কাৰ্বি ভাষা-সাহিত্যৰ উন্নতি সাধনত অগ্ৰণী ভূমিকা লোৱা সাহিত্যিক বংলং তেৰাঙ, কেহাই বে', লংকাম টেৰণ, ৰংবং তেৰাং, ছামছিং হাঞ্চে, বিদৰ ছিং ক্ৰ', ধনেশ্বৰ ইংতি আদিৰ অৱদানৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে এই পুৰোধা সাহিত্যিকসকলৰ অনুপ্ৰেৰণাৰে আগুৱাই আজি বহু নবীন কাৰ্বি লেখক-লেখিকাই সাহিত্য ক্ষেত্ৰখনত সু-প্ৰতিষ্ঠা লাভ কৰিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কাৰ্বি লেখক-লেখিকাৰ সৃষ্টিশীল অৱদানে অসমীয়া সাহিত্যৰ ভঁৰাল অতিশয় চহকী কৰি তুলিছে। নিজৰ জনগোষ্ঠীটোৰ আশা- আকাংক্ষা আৰু লক্ষ্য-উদ্দেশ্যৰ ক্ষতি নোহোৱাকৈ বৌদ্ধিক উৎকৰ্ষৰ জৰিয়তে সমন্বয়মুখী তথা সম্প্ৰীতিবোধৰ এক চানেকিও তেওঁলোকে ইয়াৰ জৰিয়তে দাঙি ধৰিছে। অসমীয়া ভাষাত জনগোষ্ঠীটোৰ মানুহখিনিৰ সংস্কৃতি তথা ভিন্ন ধ্যান-ধাৰণা প্ৰকাশ কৰি সংস্কৃতিৰ আদান-প্ৰদানৰ নতুন বাট প্ৰশস্ত কৰিছে।

কাৰ্বি ভাষা-সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত জ্ঞানৰ আলোকেৰে নিজৰ মানুহখিনিৰ মনাকাশ জীপাল কৰি তুলিবলৈ জনগোষ্ঠীটোৰ সাহিত্য ক্ষেত্ৰৰ মুখ্য অনুষ্ঠান হিচাপে কাৰবি লাম্মেত আমেইক নেতৃত্ব লৈ আগুৱাই আহিবলৈও মুখ্যমন্ত্ৰী শৰ্মাই আহ্বান জনায়। তেওঁ কয়, 'নিজৰ ভাষা-সাহিত্যৰ উপৰি অসমীয়া ভাষা-সাহিত্য আৰু অন্যান্য সমৃদ্ধিশালী পৰ্যায়ৰ ভাষা-সাহিত্যৰ চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাত কাৰবি লাম্মেত আমেই আত্মনিয়োগ কৰিব লাগিব।'

কাৰ্বি ভাষাৰ অস্তিত্ব চিৰকাললৈ ৰক্ষা কৰাৰ স্বাৰ্থত নিজা ভাষাত সাহিত্য সৃষ্টি কৰাৰ সমান্তৰালভাৱে কাৰ্বি ভাষাত গ্ৰন্থ প্ৰকাশ কৰি থকাৰ লগতে অসমীয়া ভাষাতো সাহিত্য সৃষ্টি অব্যাহত ৰাখিবলৈ কাৰ্বি ভাষাৰ নবীন লেখক-লেখিকাসকলৰ প্ৰতি মুখ্যমন্ত্ৰী ড° শৰ্মাই আহ্বান জনায়। কাৰ্বি ভাষা-সাহিত্যৰ উন্নয়ন তথা বিকাশৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা সকলো প্ৰচেষ্টা অব্যাহত ৰাখিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে কাৰ্বি ভাষা-সাহিত্য ৰাজ্যৰ আটাইতকৈ পুৰণি। কাৰ্বি জনগোষ্ঠীক অসমৰ কলম্বাছ বুলি অভিহিত কৰাৰ লগতে তেওঁ জনগোষ্ঠীটোৰ চহকী-গৰিমা বজাই ৰাখিবলৈ চৰকাৰে যথাসম্ভৱ সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে।

কাৰবি লাম্মেত আমেইৰ সভাপতি শুকুৰছিং ৰংপিৰ পৌৰোহিত্যত অনুষ্ঠিত আজিৰ মুকলি সভাত অসম বিধান সভাৰ উপাধ্যক্ষ নোমল মমিন, বিজেপি দলৰ ৰাজ্যিক সভাপতি তথা বিধায়ক ভবেশ কলিতা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়কসকল ক্ৰমে ৰূপসিং টেৰণ, বিদ্যাছিং ইংলেং আৰু দৰছিং ৰংহাং উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই পুৱা ১০ বজাত বিশেষ হেলিকপ্টাৰেৰে ডংকামোকামস্থিত ডন বস্ক'ৰ খেল পথাৰত অস্থায়ীভাৱে নিৰ্মাণ কৰা হেলিপেডত অৱতৰণ কৰি পোনে পোনে সাত গাঁওস্থিত নৱনিৰ্মিত জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ৰ উদ্বোধন কৰি দলীয় নেতা আৰু কৰ্মকৰ্তাক উদ্দেশি প্ৰদান কৰা ভাষণত ড° শৰ্মাই কয়, 'আগন্তুক কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচনত দলীয় নেতৃত্বই পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ পৰা সকলো দলীয় নেতৃত্বক বিৰত থকাৰ ইংগিত প্ৰদান কৰা ভাষণেই কাৰ্বি পাহাৰৰ বিজেপিৰ ভিতৰ চ'ৰাৰ ৰাজনীতিত এক বিৰূপ প্ৰভাৱ পৰিব বুলি চৰ্চিত হৈ পৰিছে।

# অসম চুক্তিৰ ছয় নম্বৰ দফা

*এক পৃষ্ঠাৰ পৰা* যথেষ্ট কাম কৰিব পাৰিব বুলি আশাবাদী। চুক্তি ৰূপায়ণ ৰূপৰেখা নিৰ্ণয়ৰ বাবে গঠন কৰি দিয়া উপ-সমিতিৰ বৈঠকত মন্ত্ৰী পীযুষ হাজৰিকাৰ উপৰি আছুৰ নেতৃবৰ্গ উপস্থিত থাকে। বৈঠকত চুক্তি ৰূপায়ণ বিভাগে ছয় নম্বৰ দফা ৰূপায়ণৰ বাবে চৰকাৰে ইতিমধ্যে বিভিন্ন আঁচনি তথা কামৰ বিষয়ে উপস্থাপন কৰে। বৈঠকত মন্ত্ৰী হাজৰিকাই কয় যে অসম চৰকাৰে ৰাজ্যখনৰ খিলঞ্জীয়া লোকৰ স্বাৰ্থত সকলো ধৰণৰ কাম কৰি আছে। বিশেষকৈ অসম চুক্তিত উল্লেখ থকা মতে ৰাজ্যখনৰ সত্ৰ ভূমি আৰু সত্ৰৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে। ভাৰতৰ অংগৰাজ্য হিচাপে অসমে উত্তৰ প্ৰদেশ, বিহাৰ আদি ৰাজ্যৰ সমানে কেন্দ্ৰীয় চৰকাৰৰ সকলো সুবিধা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ এই বৈঠকত নিশ্চিতি প্ৰদান কৰে। আনহাতে, খিলঞ্জীয়া লোকৰ হাতত ৰাজনৈতিক অধিকাৰ থাকিবই লাগিব বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মৰ নেতৃত্বত অসম চৰকাৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব। আনহাতে, চুক্তিৰ ছয় নম্বৰ দফাত উল্লেখ থকা দুই-এটা বিষয়ক বাদ দি চৰকাৰ আৰু আছু সহমতত আছে বুলি মন্ত্ৰীজনে কয়। সহমতত উপনীত হোৱা বিষয়ত চৰকাৰে ক্ষিপ্ৰতাৰে কাম কৰি যাব আৰু যিসমূহ বিষয়ত দ্বিমত আছে সেয়া পুনৰ আলোচনা কৰি সমাধানত উপনীত হ'ব পৰা যাব বুলি মন্ত্ৰীজনে সদৰী কৰে।

# বিশ্বনাথত টে'ট উত্তীৰ্ণ যুৱকৰ

*এক পৃষ্ঠাৰ পৰা* দক্ষতাৰে ভাগৱত ব্যাখ্যা কৰাৰ বাবে সুখ্যাতি থকা ৰিতুমণি বৰা নামৰ যুৱকজনৰ আত্মহত্যাৰ কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে যুৱকজনে হাইস্কুল টে'ট পৰীক্ষা আৰু এম ই টে'ট পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। অহা মে'ত বৰপেটা বা নগাঁও জিলাত টে'ট শিক্ষকৰূপে নিযুক্তি লাভৰ সম্ভাৱনা আছিল বুলি পৰিয়ালৰ সূত্ৰই জনাইছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যুৱকজনৰ আত্মহত্যাৰ ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে আজি পুৱা পিতৃ-মাতৃ ঘৰত নথকা অৱস্থাত যুৱকজনে চিপ লয়।

# ৰংজুলিত ২৩টা চোৰাং গৰুসহ

*এক পৃষ্ঠাৰ পৰা* আৰক্ষী থানাৰ অন্তৰ্গত মেজেংপাৰা গাঁৱত লোকে গৰুসমূহ লৈ গৈ থকা অৱস্থাতে বাহন দুখন জব্দ কৰাৰ লগতে গৰুৰ চোৰাং সৰবৰাহত জড়িত তিনিজন চোৰাং ব্যৱসায়ীকো কৰায়ত্ত কৰে। উত্তেজিত লোকসকলে দুয়োখন পিকআপ বাহনত আক্ৰমণ কৰি ক্ষতিসাধন কৰাৰ লগতে চোৰাং ব্যৱসায়ী তিনিজনক উত্তম-মধ্যম শোধাই আৰক্ষীক গতাই দিয়ে।

আৰক্ষী সূত্ৰই জনোৱা মতে, গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষীয়ে যোৱা নিশা এটা গৰু সৰবৰাহকাৰী চক্ৰই মাটিয়াৰ এক ভিতৰুৱা অঞ্চলৰ পৰা চোৰাং গৰু মেঘালয়লৈ নি থকাৰ এক গোপন খবৰ লাভ কৰে। লগে লগে মাটিয়া আৰক্ষীয়ে গাঁওৰক্ষী বাহিনীৰ সহযোগত গৰু সৰবৰাহ কৰা বাহন দুখন প্ৰথমে মাটিয়াত ৰখাবলৈ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। অৱশ্যে তেওঁলোকে বাহন দুখনক অনুসৰণ কৰি খেদি যায়। তাৰ পাছতে ৰংজুলি আৰক্ষী থানাৰ অন্তৰ্গত কুশধোৱাৰ মেজেংপাৰাত স্থানীয় লোকে বাহনসহ মুঠ ২৩টাকৈ গোধন জব্দ কৰিবলৈ সক্ষম হয়। লগতে তিনি সৰবৰাহকাৰীকো কৰায়ত্ত কৰে। লগে লগে উক্ত স্থানত এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয় আৰু উত্তেজিত ৰাইজে জব্দকৃত বাহন দুখনৰ ক্ষতিসাধন কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত ৰংজুলি আৰক্ষী উপস্থিত হৈ কৰায়ত্ত কৰা তিনিজন সৰবৰাহকাৰী, ২৩টাকৈ চোৰাং গৰু আৰু দুখন বলেৰ' পিকআপ, এখন টিভিএছ মটৰ চাইকেল নিজৰ জিম্মাত লৈ ৰংজুলি আৰক্ষী থানালৈ লৈ আনে। ৰাইজে কৰায়ত্ত কৰা চোৰাং গৰু সৰবৰাহকাৰী কেইজন ফজিয়ৰ ৰহমান, আব্দুল কালাম আজাদ আৰু ছফিকুল ৰহমান বুলি আৰক্ষী সূত্ৰই জনাইছে। আনহাতে, জব্দ কৰা পিকআপ বাহন দুখনৰ পঞ্জীয়ন নম্বৰ এএছ-২৫ চিচি-৯৫৩৫ আৰু এএছ-০১ এমচি-২৪৪৬। আনহাতে, টিভিএছ মটৰ চাইকেলখনৰ পঞ্জীয়ন নম্বৰ এএছ-১৮ এফ-৮৫০৬ বুলি আৰক্ষী সূত্ৰই জনাইছে। পৰৱৰ্তী পৰ্যায়ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি তিনি সৰবৰাহকাৰীক আদালতত হাজিৰ কৰায় আৰক্ষীয়ে। আদালতে তেওঁলোকক কাৰাগাৰলৈ প্ৰেৰণ কৰে।

# হেজাৰ হেজাৰ টে'ট শিক্ষকে

*এক পৃষ্ঠাৰ পৰা* আছে, য'ত এজনো শিক্ষক নাই; কিন্তু সেই কথা শিক্ষামন্ত্ৰীয়ে নস্যাৎ কৰিছে। সেয়ে আমি প্ৰত্যাহ্বান জনাইছো তেওঁক যে চৰকাৰে এটা দল নিয়োগ কৰক। আমাৰ প্ৰতিনিধি লওক। আমি দেখুৱাই দিম ক'ত শিক্ষক নাই।' শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক চোকা ভাষাৰে সমালোচনা কৰি তেওঁ আকৌ কয়, 'আজি ইয়ালৈ শিক্ষামন্ত্ৰী অহা উচিত আছিল। তেওঁ শিক্ষকৰ মৰ্মবেদনা উপলব্ধি কৰিব লাগিছিল। যদি শিক্ষামন্ত্ৰী হৈও শিক্ষকৰ মৰ্মবেদনা নুবুজে, ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ যদি পূৰণ কৰিব নোৱাৰে তেন্তে বিভাগটোৰ দায়িত্বত থাকি কি লাভ?'

নিজৰ প্ৰাপ্য বিচাৰি তথা শিক্ষা বিভাগৰ প্ৰতাৰণাৰ বিৰুদ্ধে ৰাজ্যৰ ২০ সহস্ৰাধিক টে'ট শিক্ষকে আজি কাহিলীপাৰাস্থিত সৰ্বশিক্ষা অভিযান মিছন সঞ্চালকালয়ৰ সন্মুখত ৰূপায়ণ কৰে 'গুৰু গৰ্জন' কাৰ্যসূচী। চাকৰি নিয়মীয়াকৰণ, অনাদায় মৰগীয়া বানচ আদায়ৰ লগতে কেতবোৰ দাবীৰে পঢ়াশালি এৰি এইদৰে ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা টে'ট শিক্ষক-শিক্ষয়িত্ৰীসকলে ঘেৰাও কৰে মিছন সঞ্চালকালয়ৰ কাৰ্যালয়। হাতচাপৰি বজাই প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰক তেওঁলোকৰ দাবীবোৰ দৃষ্টিগোচৰ কৰে। চাকৰি নিয়মীয়াকৰণ কৰা, ৩০ মাহে অনাদায় হৈ থকা পাঁচ শতাংশ মৰগীয়া বানচ মোকলাই দিয়া আৰু ২০২০ৰ কেবিনেটত অনুমোদিত সা-সুবিধা প্ৰদান কৰা দাবীত টে'ট শিক্ষকসকলে ৰূপায়ণ কৰা 'গুৰু গৰ্জন'ত কঁপি উঠে কাহিলিপাৰা। উল্লেখ্য যে আজি পুৱা ১১ বজাৰ পৰা টে'ট শিক্ষকসকলে এই প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে নিৰ্ধাৰিত সময়তকৈ বহু পূৰ্বৰে পৰা অহা শিক্ষকসকলক সঞ্চালকালয়ৰ বাহিৰত আৰক্ষীয়ে বাধা প্ৰদান কৰে। ইয়াৰ মাজতে কে'বা শতাধিক শিক্ষকক আটক কৰে আৰক্ষীয়ে। আৰক্ষীৰ এই বাধাকো নেওচি শদিয়াৰ পৰা ধুবুৰীলৈ সামৰি 'গুৰু গৰ্জন'ত অংশ লোৱা শিক্ষকসকলে একত্ৰিত হৈ আজি মুখে মুখে শ্ল'গান আৰু জাউৰিয়ে জাউৰিয়ে হাত-চাপৰি মাৰি এই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদত অংশ লৈ সদৌ অসম প্ৰাথমিক টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰ যুটীয়া সম্পাদক মিৰাজুল ৰছিদে কয়, '১১ মাৰ্চত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ স'তে আমি আলোচনাত মিলিত হৈছিলো। তেওঁ বাজেট অধিৱেশনত শিক্ষকসকলৰ বাবে ভাল খবৰ লৈ আহিব বুলি কৈছিল; কিন্তু ঘোষিত বাজেটত শিক্ষকসকলৰ বাবে কোনো ঘোষণা নকৰিলে।'

উল্লেখ্য যে টে'ট শিক্ষকসকলৰ এই প্ৰতিবাদত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে সমৰ্থন আগবঢ়ায়। সন্মিলনীৰ সাধাৰণ সম্পাদক গোস্বামীয়ে প্ৰতিবাদত অংশ লৈ শিক্ষামন্ত্ৰীক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে টে'ট শিক্ষকসকলক শীঘ্ৰে অনাদায় হৈ থকা মৰগীয়া বানচ আদায় দিয়া, তেওঁলোকৰ নিয়মীয়াকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰি ডাঃ পেগুক নিজৰ দায়বদ্ধতাৰ পৰিচয় দিবলৈ দাবী জনায়। তেওঁ লগতে সমগ্ৰ বিষয়টোত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপো দাবী কৰে। লক্ষ্যণীয়ভাৱে ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা আহি কাহিলি পুৱাতে মহানগৰীত উপস্থিত হৈ কোলাত কেঁচুৱা লৈ কে'বাগৰাকীও শিক্ষয়িত্ৰীয়ে প্ৰতিবাদত অংশ লোৱা দেখা যায়। ডেৰ বছৰীয়া সন্তানসহ প্ৰতিবাদত অংশ লোৱা লখিমপুৰৰ এগৰাকী শিক্ষয়িত্ৰীয়ে কয়, 'আমি আমাৰ প্ৰাপ্য বিচাৰি আহিছো। আমাক চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল সেয়া আজিলৈ পূৰণ কৰা নাই। আমাক প্ৰতি মুহূৰ্ততে অৱহেলা কৰি আহিছে চৰকাৰে। আমাক লৈ অপমানসূচক মন্তব্যও কৰি আহিছে। আইনৰ বাধা আছে বুলি কৈ আমাক প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে। আন্দোলন কৰাটো আমাৰ স্বভাৱ নহয় বা বৃত্তিও নহয়; কিন্তু আমি আজি বাধ্য।' ইফালে, প্ৰায় তিনি ঘণ্টাজোৰা প্ৰতিবাদৰ অন্তত শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই প্ৰতিবাদকাৰীসকলক সাক্ষাৎ কৰে। প্ৰতিবাদকাৰীসকলে কেতবোৰ দাবী সম্বলিত এক স্মাৰক পত্ৰ তেওঁক প্ৰদান কৰে। স্মাৰক পত্ৰ গ্ৰহণ কৰি তেওঁ অতি শীঘ্ৰে শিক্ষকসকলৰ বৈধ দাবীসমূহ পূৰণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। সংবাদ মাধ্যমৰ আগত আয়ুক্ত সচিব শইকীয়াই কয়, 'সৰ্বশিক্ষাৰ কৰ্মচাৰীসকলে অসম চৰকাৰৰ সমহাৰত দৰমহা পাই আহিছে; কিন্তু তেওঁলোকে ৩১ শতাংশ হোৱা নাই বুলি আপত্তি কৰি আছে। শেহতীয়াকৈ ১২ৰ পৰা যি ১৭ শতাংশলৈ তেওঁলোকৰ দৰমহা বৃদ্ধি হৈছে, সেয়া হ'ল পূৰ্বৰ এক প্ৰক্ৰিয়া যি কেবিনেটে অনুমোদন জনালে। এতিয়া তেওঁলোকে যি ৩১ শতাংশৰ কথা কৈছে সেয়াও আমি পৰৱৰ্তী সময়ত কেবিনেটত নিশ্চিতভাৱে সিদ্ধান্ত ল'ব পাৰিম। তেনেদৰে গৃহ জিলাত বদলিকৰণৰ যি দাবী জনাইছে, সেই সমস্যাও পৰৱৰ্তী সময়ত সমাধান কৰা হ'ব। নতুন 'ট্ৰেন্সফাৰ ৰুল' এখন অতি শীঘ্ৰে হ'ব। সেই মতে কামবোৰ আগবাঢ়িব।' ইপিনে, শিক্ষকসকলে দাবী পূৰণৰ বাবে ৩১ মাৰ্চৰ সময়সীমা বান্ধি দিয়া কথাটোত প্ৰতিক্ৰিয়া ব্যক্ত কৰি শইকীয়াই কয়, 'কিছুমান দাবী পূৰণ কৰিবলৈ সময় লাগিব। তথাপি তেওঁলোকৰ সকলো দাবী পূৰণৰ বাবে প্ৰক্ৰিয়া আৰম্ভ কৰিম; কিন্তু তেওঁলোকৰ মূল দাবী হ'ল ডিএ। সেইটো ৩১ শতাংশ হোৱাটো বিচাৰিছে। সেইটোৰ প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ হ'ব।' চাকৰি নিয়মীয়াকৰণৰ বিষয়টো আলোচনা কৰি থকা হৈছে বুলি সদৰী কৰি আয়ুক্ত সচিবে কয় যে ইয়াক মুখ্যমন্ত্ৰীয়ে যথেষ্ট গুৰুত্বসহকাৰে লৈছে।

### টে'ট শিক্ষকৰ আন্দোলন অনাকাংক্ষিত ঃ শিক্ষামন্ত্ৰী

'টে'ট শিক্ষকসকলৰ আন্দোলন অনাকাংক্ষিত। কাৰোবাৰ চক্ৰান্তত তেওঁলোকে আন্দোলন কৰিছে।' ইপিনে আজি এইদৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে শিক্ষামন্ত্ৰী ডাঃ পেগুৱে। আজিৰ আন্দোলনৰ প্ৰতিক্ৰিয়াত তেওঁ কয়, 'টে'ট শিক্ষকসকলে যিদৰে এটকাও নিদিয়াকৈ চাকৰি লাভ কৰিছে; ঠিক একেদৰে সমহাৰ বেতন, ডিএ আদিও লাভ কৰিব। কেৱল কেইটামান দিন তেওঁলোকে অপেক্ষা কৰক।'

# আলফা (স্বা)ত যোগদানৰ পূৰ্বে জালত

*এক পৃষ্ঠাৰ পৰা* সংগঠনৰ লগত জড়িত যুৱকজন নাজিৰা বৰতলাৰ ৰাহিম আহমেদ হাজৰিকা। আজি পুৱা বিশেষ সূত্ৰৰ পম খেদি শিৱসাগৰ আৰু নাজিৰা আৰক্ষীৰ এটা যুটীয়া দলে নাজিৰাৰ পৰাই আটক কৰে যুৱকজনক। আজিয়েই তেওঁ আলফাত যোগদান কৰিবলৈ যোৱাৰ কথা আছিল। ইফালে, পৰিয়ালৰ লোকে এই কথা অস্বীকাৰ কৰিলেও বৰ্তমান তেওঁক জেল হাজোতলৈ প্ৰেৰণ কৰা হৈছে।

# অধিবক্তা হত্যাৰ আঁৰত সুতত ধন ধাৰলৈ

*এক পৃষ্ঠাৰ পৰা* ডাঃ আলীৰ বাসগৃহৰ পৰা জব্দ কৰা অস্ত্ৰসমূহ ৰিণিমা হত্যাত ব্যৱহাৰ হৈছিল নে নাই, সেয়া ফৰেনচিক পৰীক্ষাতহে পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি আৰক্ষীয়ে জনায়। ইপিনে, বিগত সময়চোৱাত কোন কোন লোকৰ স'তে ডাঃ আলীয়ে যোগাযোগ ৰক্ষা কৰিছিল আৰু এনে যোগাযোগৰ আঁৰত ৰিণিমা হত্যাৰ কোনো যোগসূত্ৰ থাকিব পাৰে নেকি, সেই সম্পৰ্কীয় তথ্য উৎঘাটনৰ বাবেই আৰক্ষীয়ে তেওঁৰ বাসগৃহৰ পৰা চাৰিটাকৈ ম'বাইল ফোন জব্দ কৰে। উল্লেখ্য যে অধিবক্তাগৰাকীৰ হত্যাত জড়িত থকাৰ সন্দেহত ডাঃ আলী আৰু জুম্মা নামৰ দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে ৰিণিমাৰ বৌৱেকসহ আন চাৰিজনক আৰক্ষীয়ে সোধপোছৰ বাবে আটক কৰিছে। ইতিমধ্যে আৰক্ষীয়ে হত্যাকাণ্ডটোৰ বহু শুংসূত্ৰ উলিয়াবলৈ সক্ষম হৈছে বুলিও আৰক্ষী সূত্ৰই জনাইছে। দুই-এদিনতে ৰিণিমা হত্যাৰ সকলো ৰহস্য ফাদিল কৰিবলৈ সক্ষম হ'ব বুলি আৰক্ষী সূত্ৰই আশা কৰিছে। আনহাতে, হত্যাকাণ্ডৰ অভিযোগত গ্ৰেপ্তাৰ কৰা ডাঃ আলী আৰু জুম্মাক কালি বৰপেটাৰ আদালতত হাজিৰ কৰাৰ পাছতত আদালতে দুয়োকে ১০ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, ৰিণিমাই মাহেকীয়া সুতত বহুতক টকা ধাৰে দিছিল। ইয়াৰে বহুতো ঋণীয়ে সুতখোৰ ৰিণিমাৰ কবলত পৰি সৰ্বস্বান্ত হৈ নিজ গাঁও এৰি গুচি যাবলগীয়াও হৈছে। হত্যাকাণ্ডৰ স'তে টকা সুতৰ বিষয়টোও জড়িত আছে নেকি, তাক উদ্‌ঘাটন কৰাৰ বাবেও আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

# সোণাৰিত অজাযুছাপৰ নেতাক দাৰে

*এক পৃষ্ঠাৰ পৰা* চন্দন গগৈয়ে আজি পুৱা প্ৰায় ৭-৩০ বজাত এক ভয়ংকৰ আক্ৰমণৰ সন্মুখীন হয়। এজন লোকৰ দাৰ আক্ৰমণত গগৈ আঘাতপ্ৰাপ্ত হয়। ভূমিকেন্দ্ৰিক বিবাদৰ ফলতে এই আক্ৰমণৰ ঘটনা সংঘটিত হোৱা বুলি ধাৰণা কৰা হৈছে। লক্ষ্যণীয়ভাৱে দুদিনৰ পূৰ্বে গগৈৰ বাসগৃহত অগ্নিসংযোগ কৰি পৰিয়ালটোক হত্যাৰ অপচেষ্টা চলাইছিল দুৰ্বৃত্তই।

ঘটনাৰ বিৱৰণী মতে, কাকতিবাৰীৰ হাতীমুৰীয়াস্থিত নিজৰ ক্ষুদ্ৰ চাহ বাগিচাত থকা অৱস্থাতে আজি পুৱা গগৈক ভূপেন বৰগোহাঁই (৪৫) নামৰ এজন লোকে আহি 'তই কাৰ বাগানত কাম কৰিবলৈ আহিছ' বুলি প্ৰশ্ন কৰে। 'নিজৰ বাগানত কাম কৰিছো' বুলি চন্দনে উত্তৰ দিয়াত উগ্ৰমূৰ্তি ধাৰণ কৰি বৰগোহাঁয়ে চোঁচা লয় আৰু হাতত থকা চোকা দাখনেৰে যুৱ ব্যৱসায়ীজনক উপৰ্যুপৰি ঘাপ মাৰে। আত্মৰক্ষাৰ বাবে গগৈয়ে চেষ্টা চলায় যদিও প্ৰথম ঘাপটো সোঁ হাতত পৰে। দ্বিতীয় ঘাপটো তেওঁৰ ডিঙিৰ পাছফালে পৰে। এই আক্ৰমণৰ সময়ত উপস্থিত থকা বৰগোহাঁইৰ পুত্ৰ সঞ্জীৱ বৰগোহাঁয়ে পিতৃক বাধা দিয়াতহে গগৈৰ প্ৰাণৰক্ষা পৰে। এই ঘটনাক গুৰুতৰভাৱে আহত হোৱা গগৈয়ে ক্ষত-বিক্ষত অৱস্থাৰেই কাকতিবাৰী আৰক্ষী থানা আৰু পৰিয়াললৈ ফোন কৰি ঘটনাটো অৱগত কৰে। ততালিকে ঘটনাস্থলীত আৰক্ষী আৰু স্থানীয় লোক উপস্থিত হৈ সংকটজনক অৱস্থাত গগৈক উদ্ধাৰ কৰি চৰাইদেউ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। অৱশ্যে আঘাত গুৰুতৰ হোৱাত গগৈক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইপিনে, ঘটনাৰ সংক্ৰান্তত কাকতিবাৰী আৰক্ষীয়ে আক্ৰমণকাৰী বৰগোহাঁইৰ লগতে আক্ৰমণৰ ঘটনাত সাঙোৰ খোৱা পুত্ৰ সঞ্জীৱক গ্ৰেপ্তাৰ কৰে।

উল্লেখ্য যে, যুৱ ব্যৱসায়ী গগৈৰ তিনিজনীয়া পৰিয়ালটোক হত্যা কৰাৰ উদ্দেশ্যৰে দুৰ্বৃত্তই দুদিন পূৰ্বে অৰ্থাৎ যোৱা ২১ মাৰ্চৰ পুৱতি নিশা তেওঁলোকৰ বাসগৃহত অগ্নিসংযোগ কৰিছিল। গগৈৰ তিনিজনীয়া পৰিয়ালটোৰ কথমপি প্ৰাণৰক্ষা পৰে যদিও বাসগৃহটো সম্পূৰ্ণৰূপে জুইত জাহ যায়। লগতে তেওঁলোকৰ বলেৰ' পিক আপ গাড়ীখন ভস্মীভূত হয়। এই অগ্নিকাণ্ডত প্ৰায় ৪০ লক্ষাধিক মূল্যৰ সা-সম্পত্তিৰ ক্ষতিসাধন হয়। ইফালে, যুৱ ব্যৱসায়ী গগৈক হত্যাৰ উদ্দেশ্যৰে আক্ৰমণ চলোৱা বুলি বাতৰি প্ৰচাৰ হোৱাৰ পাছতে স্থানীয় লোক আৰু বিভিন্ন সংগঠন ক্ষোভিত হৈ পৰি কাকতিবাৰী আৰক্ষী থানা ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত। ক্ষুব্ধ ৰাইজ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আৰক্ষী প্ৰশাসনৰ চূড়ান্ত হেমাহিৰ বাবেই যুৱ ব্যৱসায়ীজন আজি আক্ৰমণৰ সন্মুখীন হ'ল বুলি অভিযোগ কৰে। দুদিন পূৰ্বে সংঘটিত অগ্নিকাণ্ড ঘটনাৰ ক্ষিপ্ৰ তদন্ত কৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰা হ'লেই আজিৰ ঘটনা নহ'লহেঁতেন বুলি তেওঁলোকে কয়। ইয়াৰ প্ৰতিবাদতে ক্ষুব্ধ লোকসকলে আৰক্ষীৰ বিৰুদ্ধে মুৰ্দাবাদ ধ্বনি দিয়াৰ লগতে আক্ৰমণকাৰীক কঠোৰ শাস্তি প্ৰদানৰ দাবীৰে থানা চৌহদ উত্তপ্ত কৰি তোলে। পাছত আৰক্ষী প্ৰশাসনে ঘটনাৰ সন্দৰ্ভত যথোচিত পদক্ষেপ গ্ৰহণ কৰিব বুলি আশ্বাস দিয়াতহে পৰিস্থিতি শান্ত হয়। মনকৰিবলগীয়া যে, দুৰ্বৃত্তৰ চক্ৰান্তত সকলো হেৰুওৱাৰ পাছতো গগৈয়ে পুনৰ চাহ বাগিচাৰ কাম-কাজ কৰাত নামিছিল। আজিৰ আক্ৰমণৰ ঘটনাৰ পাছত যুৱ ব্যৱসায়ী গগৈ আৰু তেওঁৰ পৰিয়ালৰ সদস্যই সম্প্ৰতি জীৱনৰ নিৰাপত্তাহীনতাত ভুগিছে।

# ডিজিটেল দুনিয়া

*এক পৃষ্ঠাৰ পৰা* টেলিভিছনত প্ৰদৰ্শিত হৈছে আৰু শিক্ষানুষ্ঠানখনৰ বদনাম হৈছে। এই সংক্ৰান্তত বিচাৰ কৰিবলৈ ঘটনাটোৰ লগত জড়িত কেইজনমান ছাত্ৰক মাতি অনা হ'ল আৰু কি কাৰণেনো এনেদৰে দুদল ছাত্ৰৰ মাজত এনেকৈ দলীয় সংঘৰ্ষ ঘটিবলগীয়া হ'ল, সেই কথাৰ শিপা বিচাৰিবলৈ চেষ্টা কৰা হ'ল। বহুত সোধ-পোছ কৰাৰ পাছত যিটো কাৰণ ওলালগৈ সেইটো থূলমূলকৈ এনে ধৰণৰ—

আটাইকেইজন ছাত্ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ। আটাইকেইজন ছাত্ৰৰেই মেট্ৰিকত নম্বৰ ভাল। প্ৰায় আটাইকেইজনেই ৮০ শতাংশৰ ওচৰে-পাঁজৰে নম্বৰ পাইছে। সিহঁতে এখন ব্যক্তিগত টিউছন কেন্দ্ৰত টিউছন কৰিবলৈ যায় গধূলিৰ ফালে। তাতেই এজন ল'ৰাই লগৰেই ছোৱালী এজনীক ভাল পায়। চাগে ছোৱালীজনীয়েও তাক ভাল পায়। সেইজনী ছোৱালীকে চাগে সিহঁতৰ লগৰে আন এজনে ভাল পায়। ইজনে ছোৱালীজনীক কৈছে— সিজন ল'ৰা ভাল নহয়। সি মদ-ভাং খায়। ল'ৰাটোৰ কথাত ছোৱালীজনীয়ে বেছি মন দিয়া নাই। সিহঁতৰ বন্ধুত্ব চলাই আছে। চাগে এই খঙতে এইজন ল'ৰাই ছোৱালীজনীৰ ম'বাইললৈ এটা অশ্লীল এছ এম এছ পঠিয়ালে। ছোৱালীজনীয়ে সেই এছ এম এছটো তেওঁৰ বন্ধুজনলৈ পঠিয়াই দিলে। সিজন ল'ৰা এই কাৰ্যত খঙত অগ্নিশৰ্মা হৈ এইজনক মাৰিলে। এইজনেও নিজৰ সমৰ্থনত আন দুজন মানক লৈ সিজনক মাৰিলে। সিজনে আকৌ বহুত ডেকা ল'ৰা লৈ এইকেইজনক মাৰিলে আৰু এনেকৈ ঘটনাটো ডাঙৰ হৈ গ'ল। শিক্ষানুষ্ঠানখনত ছাত্ৰৰ মাজত দলীয় সংঘৰ্ষ হ'ল।

এই ঘটনাৰ লগত জড়িত ছাত্ৰকেইজনৰ অভিভাৱকসকল তেনেই সাধাৰণ। কোনোবা দূৰৰ কোনো ঠাইৰ কৃষক, কোনোবা সৰু চাকৰিয়াল, কোনোবা সৰু ব্যৱসায়ী। আটায়ে ভালকৈ মেট্ৰিক পাছ কৰা বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীকেইটাক মহানগৰীৰ ভাল শিক্ষানুষ্ঠানলৈ পঠিয়াইছে ভালদৰে পঢ়া-শুনা কৰি যাতে ভাল হয়। এগৰাকী আহিছে ৰাজ্যখনৰ সুদূৰ পূব প্ৰান্তৰ পৰা, এগৰাকী আহিছে পশ্চিম প্ৰান্তৰ পৰা। এনেকৈ সংঘৰ্ষত জড়িত আটাইকেইজন ছাত্ৰই দূৰ-দূৰণিৰ পৰা, সাধাৰণ পৰিয়ালৰ পৰা আহিছে মহানগৰীৰ শিক্ষানুষ্ঠানখনলৈ। তেওঁলোকৰ অভিভাৱকসকলে বিশ্বাস কৰে শিক্ষানুষ্ঠানখন ভাল আৰু ইয়াতে পঢ়িলে তেওঁলোকৰ পুত্ৰ-কন্যাৰ ভাল হ'ব। শিক্ষানুষ্ঠানখনত নিয়মিত শ্ৰেণী হয়, শিক্ষকসকলে ভালদৰে পঢ়ায়। তথাপি ছাত্ৰসকলৰ ধাৰণা পৰীক্ষাত ভাল কৰিবলৈ হ'লে টিউছন লোৱা উচিত। সেইবাবেই প্ৰায় আটায়ে টিউছন চেন্টাৰত নাম লগাইছে আৰু পুৱা-গধূলি তালৈ টিউছন কৰিবলৈ যায়। যিহেতু তাত কোনো ধৰণৰ ডিছিপ্লিনৰ কথা নাহে, সেই বাবেই তাতেই এই প্ৰেম আৰু সংঘৰ্ষৰ বীজ ৰোপণ হয়। তাৰ ফলশ্ৰুতি হ'ল এই অশ্লীলতা আৰু দলীয় সংঘৰ্ষ। শিক্ষানুষ্ঠানৰ শৃংখলা ভংগকাৰী ছাত্ৰৰ বিচাৰ কৰা কমিটীখনে ছাত্ৰীজনীলৈ পঠোৱা এছ এম এছটো চালে। এই এছ এম এছটোৰ ভাষা দেখি সকলোৰে চকু কপালত উঠিল। এজন কম বয়সীয়া ছাত্ৰই কেনেদৰে ইমান অশ্লীল কথা নিজৰ সহপাঠী বান্ধৱীলৈ পঠিয়াব পাৰে, সেই কথাই শিক্ষকসকলৰ মনত ডাঙৰ প্ৰশ্ন হ'ল। ছাত্ৰ-ছাত্ৰীৰ মানসিকতা কেনেকৈ ইমান অশ্লীল হ'ব পাৰে। অশ্লীলতাৰ এই ভাষা, এই ধাৰণা তেওঁলোকে কেনেকৈ পাব পাৰে।

এই প্ৰসংগত এজন শিক্ষকে ক'লে, আজি-কালি বহুত ছাত্ৰ-ছাত্ৰীৰ ম'বাইলবিলাক দামী দামী। এই ম'বাইলবিলাকত অশ্লীল ভিডিঅ', অশ্লীল কথাৰ ৱেবছাইট যোৱাৰ সুবিধা থাকে। ছাত্ৰ-ছাত্ৰীবিলাকে এই অশ্লীলতাৰ সোৱাদ লয় ম'বাইলৰ দ্বাৰা অশ্লীল ৱেবছাইট চাই চাই। এবাৰ আন এজন উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ অতি কম বয়সীয়া ছাত্ৰ এজনক এজন শিক্ষকে ধৰি আনি ম'বাইলটোৰ স'তে গতাই দিছিল শিক্ষানুষ্ঠানখনৰ মুৰব্বীজনক। ছাত্ৰজনে শ্ৰেণীৰ ভিতৰতে বহি ম'বাইল চাই আছিল। শিক্ষকজনে তাক ম'বাইল চাই থকা দেখি তাক ধৰি আনিলে। ম'বাইলত কিনো চাই আছে বুলি ম'বাইলটো কাঢ়ি আনি শিক্ষকজনে ম'বাইলটোলৈ চাই এক অতি অশ্লীল ভিডিঅ' দেখি, ছাত্ৰজনক কেইচৰমান দি মুৰব্বীক গতাই দিলে। শিক্ষানুষ্ঠানখনৰ প্ৰধানজনে ম'বাইলটো চাই বিস্মিত হ'ল। ছাত্ৰজনৰ দ্বাৰা মাক-দেউতাকৰ ঠিকনা লৈ মাতি অনা হ'ল। দেউতাক আহিব নোৱাৰিলে, মাক নিজে আহিল। মাকক প্ৰশ্ন কৰা হ'ল— তেওঁৰ পুত্ৰক ইমান দামী ম'বাইল কিয় দিয়া হ'ল? মাকে ক'লে, ম'বাইল নিদিয়া বাবে তেওঁৰ পুত্ৰই কে'বাদিনো ভাতকে খোৱা নাছিল। উপায়হীন হৈ এই ম'বাইলটো দিয়া হ'ল। এতিয়া তেওঁৰ পুত্ৰই কি কামৰ বাবে ম'বাইলটো ব্যৱহাৰ কৰিছে, সেই কথা যেতিয়া মাকক দেখুৱাই দিয়া হ'ল, এগৰাকী শিক্ষয়িত্ৰীৰ দ্বাৰা ম'বাইলটো খুলি তেতিয়া পুত্ৰৰ ম'বাইলত থকা অশ্লীল ভিডিঅ' দেখি মাক মূৰ্ছা গ'ল। মূৰ্ছা যোৱা মানুহগৰাকীক ডাক্তৰ লগাই চিকিৎসা কৰিবলগীয়া হ'ল। চেতনা ঘূৰি অহাৰ পাছত ছাত্ৰজনৰ মাকগৰাকীয়ে এনেদৰে কান্দিব ধৰিলে যে তেওঁৰ পুত্ৰৰ মৃত্যুহে হ'ল।

দলীয় সংঘৰ্ষত লিপ্ত হোৱা ছাত্ৰজনৰ পিতৃয়ে শিক্ষানুষ্ঠানখনৰ পৰা পোৱা কাৰণ দৰ্শোৱা চিঠিখনৰ উত্তৰত এখন দীঘলীয়া চিঠি লিখিলে শিক্ষানুষ্ঠানৰ মুৰব্বীলৈ। চিঠিখন পঢ়িলে যিকোনো সংবেদনশীল লোকৰেই চকুপানী ওলাব। এইগৰাকী পিতৃয়ে এটা সৰু চৰকাৰী চাকৰি কৰে। তেওঁৰ জন্ম গাঁৱত, গাঁৱতেই ডাঙৰ-দীঘল হৈছে। তেওঁৰ চাকৰিও গাঁৱতেই। তেওঁ নিজেই কৈছে তেওঁ নিতান্তই এজন গাঁৱলীয়া মানুহ; কিন্তু ল'ৰাজনক চহৰৰ ভাল শিক্ষানুষ্ঠানত পঢ়াবলৈ তেওঁ গাঁৱৰ পৰা চহৰলৈ আহিল। বহুত কষ্টৰে চহৰত মাটি অলপ কিনি সৰুকৈ ঘৰ এটা সাজিলে। তেওঁ ভাবিছিল, চহৰত থাকিলে, চহৰৰ ভাল শিক্ষানুষ্ঠানত পঢ়িলে তেওঁৰ ল'ৰা-ছোৱালী ভাল হ'ব; কিন্তু তেওঁ ভবাৰ দৰে একো নহ'ল। তেওঁৰ একমাত্ৰ পুত্ৰই ভাল নম্বৰ পায়েই মেট্ৰিক পাছ কৰিলে; কিন্তু তেওঁ ভালদৰে বুজি পাইছে তেওঁৰ পুত্ৰই পৰীক্ষাতহে ভাল নম্বৰ পাইছে, সি কিন্তু ভাল মানুহ হোৱা নাই। তাৰ স্বভাৱ-চৰিত্ৰ ইতিমধ্যে তেওঁ দেখিছে আৰু তেওঁ নিশ্চিত হৈছে সি ভাল মানুহ হৈ থকা নাই। এতিয়া পুত্ৰৰ প্ৰতি তেওঁৰ অন্তৰত তিলমানো স্নেহ নাই। তেওঁ ধৰি লৈছে তেওঁৰ পুত্ৰ ৰসাতলে গৈছে। তেওঁৰ পুত্ৰক যদি শিক্ষানুষ্ঠানখনে বহিষ্কাৰো কৰে তথাপি তেওঁৰ অন্তৰত দুখ নাথাকিব। তেওঁৰ অন্তৰত এটাই মাথোঁ দুখ— তেওঁ গাঁৱৰ সহজ-সৰল মানুহ, গাঁও এৰি চহৰলৈ গুচি আহিল কিয়? তেওঁ কৰা এই ভুলটোৱেই তেওঁৰ জীৱনটো ধ্বংস কৰিলে। ধ্বংস কৰিলে তেওঁৰ পৰিয়ালটো।

এতিয়া বিমোৰত পৰিছে শিক্ষানুষ্ঠানখনৰ মুৰব্বীজন। তেওঁ ভালদৰে বিশ্লেষণ কৰি দেখিলে তেওঁৰ শিক্ষানুষ্ঠানখনৰ বিদ্যাৰ্থীসকলক ধ্বংসৰ মুখলৈ লৈ গৈছে অসুস্থ সমাজখনে, বিপথগামী সমাজখনে। বিদ্যাৰ্থীসকল নিজে বিপথগামী হোৱা নাই, তেওঁলোকক বিপথে পৰিচালিত কৰিছে সমাজখনে। বিদ্যাৰ্থীসকলৰ হাতে হাতে যদি সমাজখনে, পিতৃ-মাতৃসকলে, ম'বাইল কোম্পানীবিলাকে, চৰকাৰখনে এই ভয়ংকৰ ম'বাইলবিলাক তুলি নিদিলেহেঁতেন, তেওঁলোক বিপথগামী নহ'লহেঁতেন।

ম'বাইল কোম্পানীবিলাকে চৰকাৰখনকে দুৰ্নীতিপ্ৰৱণ কৰি তুলিছে। ভাৰতবৰ্ষৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ দুৰ্নীতিৰ ঘটনাটো ঘটিছে দূৰ সংযোগ বিভাগটোত। '২-জি স্পেক্‌ট্ৰাম' বুলি জনাজাত প্ৰায় দুই লক্ষ হেজাৰ টকাৰ কেলেংকাৰিটোৱে কেৱল চৰকাৰখনকে বিপথগামী কৰা নাই, সমাজখনকো বিপথগামী কৰিছে। এই '২-জি স্পেক্‌ট্ৰাম' বা কি সৰ্বসাধাৰণ ভাৰতীয়ই বুজি নাপায়। এইটো হ'ল ম'বাইল কোম্পানীবিলাকক চৰকাৰে দিয়া এক প্ৰযুক্তিগত ব্যৱসায়ৰ অনুমতি। এই অনুমতিতেই জড়িত হৈ পৰিল ডাঙৰ ডাঙৰ মন্ত্ৰী-বিষয়াৰ বিয়াগোম দুৰ্নীতিৰ অবিশ্বাস্য ঘটনা। সেয়া ধনৰ দুৰ্নীতি। এই বিয়াগোম দুৰ্নীতিৰ কাহিনীয়ে নতুন প্ৰজন্মৰ ওপৰত চিন্তাৰ কুপ্ৰভাৱ পেলাইছে। তাতোকৈ ভয়ানক ম'বাইল ফোনৰ প্ৰযুক্তি বিদ্যাই নতুন প্ৰজন্মৰ ভাৰতীয়ক চাৰিত্ৰিকভাৱে ধ্বংসৰ মুখলৈ ঠেলি দিছে।

এতিয়া ভাৰতবৰ্ষত বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এটাই সংস্কৃতি চলিছে, সেইটো হ'ল ম'বাইল সংস্কৃতি। কি গাঁও, কি চহৰ, কি বাতৰি কাকতৰ বিজ্ঞাপন, কি হ'ৰ্ডিং পোষ্টাৰ, কি টেলিভিছন, ৰেডিঅ'ৰ বিজ্ঞাপন সকলোতে মাথোঁ চলিছে ম'বাইলৰ গুণ-গান। এতিয়াৰ যুৱ প্ৰজন্মই কি গাঁও, কি চহৰ সকলোতে ম'বাইলহীন জীৱনৰ কথা ভাবিবই নোৱাৰে। এই ম'বাইলসৰ্বস্ব জীৱনেই এতিয়া বহুতৰে জীৱন দুৰ্বিষহ কৰি তুলিছে। ম'বাইলৰ বাবেই হৈছে চুৰি-ডকাইতি, হত্যা, লুণ্ঠন, চৰিত্ৰ হনন ইত্যাদি নানা ঘটনা-দুৰ্ঘটনা। ম'বাইলৰ লগতে এতিয়াৰ যুৱ প্ৰজন্মক বিশেষকৈ বিদ্যাৰ্থীসকলক বিপদগ্ৰস্ত কৰিছে কম্পিউটাৰ প্ৰযুক্তিয়ে। কম্পিউটাৰক লৈ চলিছে বিভিন্ন ধৰণৰ ঘটনা-দুৰ্ঘটনা। চুৰি-ডকাইতি লুণ্ঠন চলিছে কম্পিউটাৰ মাধ্যমেৰে। সৎ লোকৰো চৰিত্ৰ হনন হৈছে কম্পিউটাৰৰ মাধ্যমেৰে।

আটাইতকৈ ডাঙৰ কথাটো হ'ল এতিয়াৰ সমাজ, সামাজিক নেতৃত্ব, চৰকাৰ সকলোৰে বিচাৰে এই বিপজ্জনক প্ৰযুক্তিৰ প্ৰচাৰ আৰু প্ৰসাৰ হোৱাটো। আমি ক'ব খোজা নাই এই প্ৰযুক্তিয়ে মানুহৰ কোনো উপকাৰ সাধন কৰা নাই বুলি; কিন্তু কথাবিলাক দেখি-শুনি ভাবিবলৈ বাধ্য হৈছো ভালতকৈ বেছি বেয়া হৈছে। নতুন প্ৰজন্মক নৰকলৈ ঠেলি দিছে আমাৰ সমাজৰ মুৰব্বীসকলে কৰা এই নিয়ন্ত্ৰণহীন প্ৰযুক্তিৰ প্ৰসাৰে।

*ফোন ঃ ৯৮৬৪০-২০১১২*

# সূৰ্যগিৰি- লালাবড়ী পথৰ বিধ্বস্ত ৰূপে জ্বলা-কলা খুৱাইছে ৰাইজক

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৪ মাৰ্চ ঃ** যাতায়াত ব্যৱস্থা উন্নয়নৰ বাবে চৰকাৰে কোটি কোটি টকা খৰচ কৰি আহিছে যদিও গোৱালপাৰা জিলাৰ ঠাই বিশেষে ৰাইজে আশানুৰূপ সুফল পোৱা নাই। গোৱালপাৰা পূৱ সমষ্টিৰ অন্তৰ্গত তথা ঐতিহ্যমণ্ডিত সূৰ্য পাহাৰ মহাপীঠস্থানৰ সমীপৰ সূৰ্যগিৰি-লালাবড়ী পথৰ বিধ্বস্তৰূপে ৰাইজক জীয়াতু ভোগাইছে। ৩৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ ভিতৰত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত দুই কিলোমিটাৰ পথ পকীকৰণ কৰা হৈছে। কিন্তু বাকী থকা ১৬ কিলোমিটাৰ অৰ্থাৎ ১৬০০ মিটাৰ পথৰ ৯০ শতাংশ অংশতে প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে। ফলত উক্ত পথেৰে গাড়ী মটৰ চলাচল কৰাটো দুৰৰে কথা চাইকেল অথবা খোজ কাঢ়ি অহা-যোৱা কৰাটো অসম্ভৱ হৈছে। বিশেষকৈ বাৰিষাৰ বতৰত পথছোৱা বোকাময় হৈ পৰে। দহিকটা সংৰক্ষিত বনাঞ্চলৰ মাজেৰে যোৱা পথছোৱাৰে দৈনিক শ শ ৰাইজে নিউ কৃষ্ণাই ৰেলৰে ষ্টেছন, কৃষ্ণাই দৈনিক বজাৰ আদিকে ধৰি বিভিন্ন ঠাইলৈ অহা যোৱা কৰিব লাগে। কিন্তু পথছোৱাৰ দুৰৱস্থাৰ বাবেই কৃষি প্ৰধান অঞ্চলটোৰ ৰাইজে বিশেষকৈ বাৰিষাৰ বতৰত প্ৰায় সাত-আঠ কিলোমিটাৰ অধিক দূৰত্বৰ লালাবড়ীৰ পৰা দহিকটা-কোধালধোৱা হৈ



অহা-যোৱা কৰিব লগীয়া হয়।

ইপিনে, পথছোৱাৰ মাজেৰে দহিকটা সংৰক্ষিত বনাঞ্চলত আশ্ৰয় গ্ৰহণ কৰা বন্যহস্তীয়ে প্ৰায়ে অহা-যোৱা কৰি থাকে। উল্লেখ্য যে কিছুদিন পূৰ্বে সন্ধিয়াৰ ভাগত চাইকেল লৈ খোজকাঢ়ি অহা অৱস্থাত ভাটিপাৰা গাঁৱৰ মজিবৰ ৰহমান নামৰ এগৰাকী লোকে বন্যহস্তীৰ গচকত মৃত্যুবৰণ কৰিবলগীয়া হয়। এই সন্দৰ্ভত স্থানীয় তিনকোণীয়াৰ যুৱক ৰফিকুল ইছলামে কয় যে যি সময়ত অঞ্চলটোৰ প্ৰায় ভাগ ৰাস্তা পকীকৰণ হৈছে ঠিক সেই সময়তে মাজত মাত্ৰ ১৬০০ মিটাৰ পথ বিধ্বস্ত হৈ থকাত ৰাইজৰ ব্যাপক সমস্যা হৈছে। বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে অতি শীঘ্ৰেই পথছোৱাৰ মেৰামতিৰ কাম কৰিবলৈ চৰকাৰক দাবী জনাইছে ইছলামে।

ইপিনে, লালাবড়ীৰ দুলাল ৰয়ে কয় যে অতিকৈ গুৰুত্বপূৰ্ণ পথটোৰ মাজৰ অংশৰ বিধস্তৰূপে কৃষি প্ৰধান অঞ্চলটোৰ ৰাইজে সমস্যাৰ সন্মুখীন হৈ আহিছে। ইপিনে, নিশাৰ এন্ধাৰ নামিলেই বন্যহস্তীৰ আক্ৰমণৰ আশংকাত পথছোৱাৰে অহা-যোৱা বন্ধ হৈ পৰে। পথছোৱাৰ মেৰামতিৰ দাবীত স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক বাৰে বাৰে আবেদন কৰিও কোনো সুফল নোপোৱা বুলি ব্যাক্ত কৰে দুয়োগৰাকী যুৱকে। বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে উক্ত অঞ্চলটোৰ ৰাইজৰ প্ৰতি মাহী আইৰ দৃষ্টি নিক্ষেপ কৰাৰ পৰিৱৰ্তে অতি শীঘ্ৰে মেৰামতি কৰি যাতায়াত ব্যৱস্থা সুচল কৰি তুলিবলৈ পুনৰ দাবী জনাইছে ভুক্তভোগী স্থানীয় ৰাইজে।

## মান্দাকাটা কুমনগৰত ছহিদ ভগৎ সিঙৰ মৃত্যু তিথি পালন



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৪ মাৰ্চ ঃ** কামৰূপ জিলাৰ পূব কামৰূপ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা গোটৰ উদ্যোগত ছহিদ ভগৎ সিঙৰ মৃত্যু তিথি দিনজোৰা কাৰ্যক্ৰমণিকাৰে কালি উদ্‌যাপন কৰা হয়। জিলাখনৰ মান্দাকাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত কুমনগৰ গাঁৱৰ ৰাইজ আৰু কুমনগৰ প্ৰাথমিক বিদ্যালয়ৰ সহযোগত এই তিথি উদ্‌যাপন কৰা হয় । সেইমৰ্মে কালি কুমনগৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত স্বাধীনতা সংগ্ৰামী ছহিদ ভগৎ সিঙৰ মৃত্যু দিৱসৰ দিনটোত দেশপ্ৰেমমূলক বোলছবি প্ৰদৰ্শন, সমূহীয়া চাফাই, গছপুলি ৰোপণ আৰু একতাৰ শপত বাক্য গ্ৰহণৰে ছহিদ দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত পূব কামৰূপ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ আঁচনি বিষয়া তথা ভূগোল বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক মঃ আয়েজ আলীয়ে নিজৰ বক্তব্যত 'প্ৰকৃততে কোনো ছহিদৰ মৃত্যু নহয়, তেওঁৰ বিশ্বাস আৰু সাহস সহস্ৰজনৰ মাজত জীয়াই থাকে। তেওঁৰ মৃত্যুৱে স্বদেশৰ জনতাৰ হৃদয়ত সত্য আৰু ন্যায়ৰ পক্ষত মাৰ বান্ধি থিয় দিবলৈ স্ফুলিংগৰ উদ্‌গিৰণ ঘটায়।' বুলি উল্লেখ কৰে। কুমনগৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ভুবন চন্দ্ৰ দাস, গিৰিশ চন্দ্ৰ বড়ো, ছাত্ৰ সদস্য ভগৱান তালুকদাৰ, মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক গৌৰাংগ কিষাণ ডেকাই ছহিদ ভগৎ সিং শীৰ্ষক আলোচনাত ছহিদজনৰ জীৱন দৰ্শনৰ বিষয়ে আলোকপাত কৰে।

## হাজোৰ বৰ্ণি হাইস্কুলত শিশু সুৰক্ষা সজাগতা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ২৪ মাৰ্চ ঃ** অসম ৰাজ্যিক শিশু সুৰক্ষা অধিকাৰ আয়োগ আৰু ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেছনৰ সন্মিলিত উদ্যোগত যোৱা ২২ মাৰ্চত এখন সজাগতা সভা বৰ্ণি হাইস্কুলত অনুষ্ঠিত হয়। বৰ্ণি হাইস্কুলৰ তথা বিদ্যালয় পৰিকল্পনা আৰু উন্নয়ন সমিতিৰ সভাপতি আব্দুলি গনিখান চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে কামৰূপ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া। তেওঁ ভাষণত কয় যে অভিভাৱক আৰু শিক্ষাগুৰুসকলে শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আহ্বান জনায়। লগতে শিশু অধিকাৰৰ ওপৰত সমাজখনক সজাগ কৰিব লাগিব বুলি উল্লেখ কৰে। কামৰূপ মহানগৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব চাতুৰ্যপ্ৰসাদ তালুকদাৰে কয় যে আইনৰ বিষয় বিদ্যালয়ত পাঠ নথকাৰ বাবে আইনৰ বিষয় অৱগত নহয় শিশুসকল। শিশুসকলৰ পিতৃ-মাতৃক আইনৰ বিষয়ে সজাগ কৰাৰ বাবে বিনামূলীয়া আইন সেৱা প্ৰদানৰ বাবে ব্যৱস্থা থকাৰ কথাও উল্লেখ কৰে। লগতে ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ বাল্যবিবাহ কৰালে আইনৰ দৃষ্টিত শাস্তিৰ কথাও উল্লেখ কৰে। সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকৰে শিশুসকলৰ সুৰক্ষাৰ ওপৰত বক্তব্য আগবঢ়ায়। তেওঁ শিশুসকলৰ অধিকাৰৰ বিষয়ে সজাগ কৰাৰ বাবে সমাজৰ মুৰব্বী অভিভাৱকসকলক সজাগ হ'বলৈ আহ্বান জনায়। সভাত বৰ্ণি গাঁও পঞ্চায়তৰ সভাপতি নুৰমহম্মদ আলী, বৰ্ণি হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী মমতাজ আৰা বেগমৰ লগতে অভিভাৱক, শিক্ষক, ছাত্ৰ-ছাত্ৰী, ডঃ আৰতি কলিতা আৰু বাণী ফুকন আদি উপস্থিত থাকে।

## ছয়গাঁৱৰ মাজগুমীত এক লাখ টকাৰ গাঞ্জাসহ ধৃত এক



**ছয়গাঁও, ২৪ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত মাজগুমীত আজি পুৱতি নিশা গাঞ্জাৰ বিৰুদ্ধে ছয়গাঁও আৰক্ষীয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰে এজন লোকক। ধৃত লোকজনৰ নাম-কালু খান (৪২)। ছয়গাঁৱৰ মাজগুমীত দীৰ্ঘদিন ধৰি গাঞ্জাৰ ব্যৱসায় কৰি থকা খানৰ ঘৰত নিশা ছয়গাঁও আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জাসহ আটক কৰে গাঞ্জা বেপাৰী কালুক। সম্প্ৰতি ছয়গাঁও আৰক্ষী থানাৰ জিন্মাত থকা কালু খানক আৰক্ষীয়ে জেৰা চলাই আছে।




বিশ্ব যক্ষ্মা দিৱস উপলক্ষে মাজবাটত উলিওৱা সমদল, বৃহস্পতিবাৰে

## কালুগাঁৱত সতী সাধনী দিৱস আৰু ৰঙালী বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৪ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ কালুগাঁও অঞ্চলৰ কঁহাৰ গাঁৱত কাহমৰা সাধনী মহিলা সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ২১ আৰু ২২ এপ্ৰিলত সতী সাধনীৰ স্মৃতি দিৱসৰ লগতে ৰঙালী বিহু উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। তদুপলক্ষে অলপতে অনুষ্ঠিত এখন ৰাজহুৱা সভাত স্থানীয় বিধায়ক প্ৰদীপ হাজৰিকাক মুখ্য পৃষ্ঠপোষক, শিৱসাগৰ উত্তৰণ যাদুঘৰৰ সঞ্চালক দুৰ্লভ বড়াক মুখ্য উপদেষ্টা, ভোলা চুতীয়াক সভাপতি, অনুজ চুতীয়াক কাৰ্যকৰী সভাপতি, মুক্তি চুতীয়াক সাধাৰণ সম্পাদক আৰু প্ৰতিষা বুঢ়াগোহাঁইক কোষাধ্যক্ষৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। লগতে অনুষ্ঠিত হ'ব লগা ৰঙালী বিহু সন্মিলনৰ লগত সংগতি ৰাখি ঢোলবাদন আৰু বিহু নাচ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে সম্পাদক মুক্তি চুতীৰ ৮৬৩৮৯৯০৯৭৯ নম্বৰ ফোনত যোগাযোগ কৰিব পাৰিব।

## কামপুৰত বিদ্যুতৰ তাঁৰত লাগি জ্বলিল খেৰভৰ্তি ট্ৰাক

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৪ মাৰ্চ ঃ** কামপুৰৰ দেৱনাৰিকলীত আজি বিদ্যুতৰ তাঁৰত লাগি এখন খেৰভৰ্তি ট্ৰাকত অগ্নিকাণ্ড সংঘটিত হয়। অৱশ্যে চালকৰ উপস্থিত বুদ্ধিৰ বাবে কথমপি প্ৰাণ ৰক্ষা পৰে চালক, হেণ্ডিমেন আৰু গাড়ীখন। জ্বলি থকা ট্ৰাকখন চালকে পথাৰৰ পানী থকা ঠাইলৈ চলাই নিয়ে আৰু ইয়াৰ ফলত সৌভাগ্যক্ৰমে কে'বাটাও আৱাসগৃহ ৰক্ষা পৰে। পাছত স্থানীয় ৰাইজ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপিত কৰে।

## কমাৰবন্ধা অৰু কলিয়াপানী গাঁও পঞ্চায়তত বৃহৎ পৰিমাণৰ উন্নয়ন আঁচনিৰ ধনৰ শৰাধ

অগ্ৰদূত বাৰ্তা

**অঠখেলীয়া, ২৪ মাৰ্চ ঃ** গোলাঘাট জিলাৰ গোলাঘাট পূৱ উন্নয়ন খণ্ড, পদুমনিৰ অন্তৰ্গত কমাৰবন্ধা আৰু কলিয়াপানী গাঁও পঞ্চায়তত একাধিক গ্ৰামোন্নয়ন আঁচনিৰ ধনেৰে আঁচনি আনুযায়ী কাম নকৰাকৈ চৰকাৰী ধনৰ শৰাধ কৰাৰ আভিযোগ উঠিছে। স্থানীয় ৰাইজৰ আভিযোগ মতে, কমাৰবন্ধা গাঁও পঞ্চায়তৰ খাৰজান ৱাৰ্ডত চতুৰ্দশ বিত্ত অয়োগৰ ছয় লক্ষাধিক ধনেৰে এখন শ্মশান নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰি পঞ্চায়তীৰাজ আইনৰ অধীনত পঞ্চায়তখনৰ বৰ্তমানৰ সভাপতি, সম্পাদক, সংশ্লিষ্ট ৱাৰ্ডৰ ৱাৰ্ড সদস্য আৰু বৰ্তমান পদুমনি বিজেপিৰ ব্লক সমিতিৰ সভাপতি বিজয় বৰাৰ মূল নেতৃত্বত এখন কাৰ্য ৰূপায়ণ সমিতি গঠন কৰি শ্মশানখন নিৰ্মাণ আৰম্ভ কৰে। উক্ত আঁচনিৰ কাৰ্য ৰূপায়ণ সমিতিখনে শ্মশান নিৰ্মাণৰ নিৰ্দ্ধাৰিত স্থানত মাত্ৰ কেই ট্ৰাক মান মাটি দি টিনৰ চালিৰ সাধাৰণ এটা ঘৰ নিৰ্মাণ কৰি ভূমি খণ্ডত উপযুক্ত পকী বেৰা নিদিয়াকৈ আঁচনিৰ সৰহ পৰিমাণৰ ধন আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। তদুপৰি কলিয়াপানী গাঁও পঞ্চায়তৰ আঠ নম্বৰ ৱাৰ্ডত বিগত সময়ত চৰকাৰে দুইনৈমুখ চাৰিআলিৰ সমীপত এখন খেলপথাৰ নিৰ্মাণৰ বাবে ৩২ লাখ ৪০ হেজাৰ টকাৰ এখন আঁচনি গ্ৰহণ কৰি ন লাখ ৭২ হেজাৰ টকা মোকলাই দিয়ে। উক্ত ৱাৰ্ডটোৰ ৱাৰ্ড সদস্য দীপেন্দ্ৰ শইকীয়াৰ মূল তত্ত্বাৱধানত উক্ত খেলপথাৰ নিৰ্মাণৰ কাম আৰম্ভ হয় যদিও দায়িত্ব প্ৰাপ্ত ৱাৰ্ড সদস্যই প্ৰথম পুঁজি ব্যয় কৰাৰ বিধিগত তথ্য দিব নোৱৰাৰ বাবে আঁচনিৰ বাকীধন প্ৰশাসনে মুকলি কৰি নিদিলে। দায়িত্বত থকা ৱাৰ্ড সদস্যজনে ইতিমধ্যে খৰচ কৰা ধনেৰে নিৰ্মাণ কৰা খেলপথাৰৰ চিন মোকামো বৰ্তমান প্ৰায় নিশ্চিহ্ন। উক্ত দুয়োখন পঞ্চায়তত শাসকীয় পক্ষ তথা পঞ্চায়তৰে বিষয়ববীয়াসকলে গ্ৰামোন্নয়ণৰ পুঁজি ব্যৱহাৰত এনেদৰে ভেঁকোভাওনা কৰি উন্নয়নী প্ৰক্ৰিয়া বাধাপ্ৰাপ্ত কৰাটো সংশ্লিষ্ট পঞ্চায়ত দুখনৰ ৰাইজে সহজভাৱে লোৱা নাই আৰু এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা ল'বলৈ চৰকাৰৰ প্ৰতি দাবী জনাইছে।

## কামপুৰৰ পদুমনিত শক্তি বিভাগৰ বিৰুদ্ধে ৰাইজৰ উত্তাল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৪ মাৰ্চ ঃ** কামপুৰৰ বকুলগুৰি পদুমনিত মেট্ৰিক পৰীক্ষা চলি থকা সময়তে দুখন গাঁৱৰ বিদ্যুৎ কৰ্তনৰ বাবে যোৱা নিশা ৰাইজ ৰাজপথলৈ ওলাই আহি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কঠিয়াতলি বিদ্যুৎ বিভাগে পদুমনি গাঁৱৰ দুটাকৈ ট্ৰেন্সফৰ্মাৰৰ পৰা আগজাননী নিদিয়াকৈ বিদ্যুৎ কৰ্তন কৰিছিল। ৰাইজৰ অভিযোগ মতে, গাঁওখনৰ প্ৰায় ৭০ শতাংশ গ্ৰাহকে বিদ্যুতৰ মাচুল পৰিশোধ কৰি থকাৰ পাছতো বিভাগে সমগ্ৰ গাঁৱৰ বিদ্যুৎ কৰ্তন কৰাৰ বাবে ৰাইজ প্ৰতিবাদমুখৰ হৈ পৰে। ছাত্ৰ-ছাত্ৰীৰ মেট্ৰিক পৰীক্ষা চলি থকা সময়ত বিদ্যুৎ বিভাগে বিদ্যুৎ কৰ্তন কৰা কাণ্ডই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নিশা ক্ষুব্ধ ৰাইজে বিদ্যুৎ বিভাগ হায় হায়, পৰীক্ষা চলি থকাৰ সময়ত বিদ্যুৎ লাগিবই; ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা বন্ধ কৰক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ভুক্তভোগী ৰাইজে কঠিয়াতলি উপ-সংমণ্ডলৰ বিৰুদ্ধে গোচৰ তৰাৰ হুংকাৰ দিয়ে।

## বিহু নৃত্য-বাদ্য কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৪ মাৰ্চ ঃ** জাঁজীমুখ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ উদ্যোগত পহিলা এপ্ৰিল পৰা ১০ এপ্ৰিললৈকে ১২৫ নম্বৰ ভকতগাঁও প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ১০ দিনীয়া বিহু নৃত্য আৰু বাদ্য কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। এই কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে উপস্থিত থাকিব বাবুল বৰা আৰু সহকাৰী প্ৰশিক্ষকৰূপে উপস্থিত থাকিব প্ৰিয়ংকা কলিতা, বন্দিতা শইকীয়া, নিমিশা হাজৰিকা। ইচ্ছুক ছাত্ৰ-ছাত্ৰী যুৱক-যুৱতীসকলে ৮৬৩৮৩৩৩৫২২, ৬০০০৫৩৫১৪৭ ৬০০১৯৮০৯১১ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

## কঞা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৪ মাৰ্চ ঃ** কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তৰ্গত কঞা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰফুল্ল তালুকদাৰক আজি বৈল্লাপেৰা গোষ্ঠীয়ে বিদায় সম্বৰ্ধনা জনাই। দুপৰীয়া গোষ্ঠীৰ অধ্যক্ষ নৰেন শৰ্মাৰ নেতৃত্বত সদস্য দেৱজিত তালুকদাৰ আৰু অনুপ কলিতাৰ সহযোগত একাংশ সাংবাদিক আৰু স্থানীয় লোকৰ উপস্থিতিত থানাৰ ভিতৰতে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে অহা ৩১ মাৰ্চত ভাৰপ্ৰাপ্ত বিষয়াজনৰ কৰ্মজীৱনৰ অৱসান ঘটিব। চাকৰিকালত বিদায়ী তালুকদাৰ এজন সুদক্ষ তথা কৰ্মদক্ষতা থকা আৰক্ষী বিষয়া হিচাবে সকলো পৰ্যায়ৰ ৰাইজকে মৰম দিবলৈ সক্ষম হৈছিল। আজি অৱসৰ লোৱাৰ কেইটামান দিন আগতে বিষয়াজনক ফুলাম গামোচা, এটা অগৰু গছৰ পুলি আৰু এখন কিতাপৰে সম্বৰ্ধনা জনায়।

## অসম চাহ মজদুৰ সংঘ খোৱাং চাহ বাগিচাত সংঘৰ শাখা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৪ মাৰ্চ ঃ** মৰাণ শাখা চাহ মজদুৰ সংঘৰ অন্তৰ্গত খোৱাং চাহ বাগিচাত নতুন প্ৰাথমিক শাখা গঠন কৰা হৈছে বুলি মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক বিবৃতিত সদৰী কৰিছে। অলপতে চাহ বাগিচাখনৰ শ্ৰমিক বিনোদন কেন্দ্ৰত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ফেবিয়ানুচ কুজুৰক সভাপতি, কৃষ্ণ গোৱালাক সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন সমিতি গঠন কৰা হয়। যোৱা ২১ মাৰ্চত নতুন সমিতিখনক শপত ব্যাখ্যা পাঠ কৰোৱা হয়। মৰাণ শাখা চাহ মজদুৰ সংঘৰ সহকাৰী সম্পাদক প্ৰমোদ সিং তাঁতীয়ে আঁত ধৰা অনুষ্ঠানত শপত বাক্য পাঠ কৰোৱাই মৰাণ শাখা সংঘৰ সভাপতি মনোজ তাঁতীয়ে। অনুষ্ঠানত মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীৰ লগতে বিষয়ববীয়াসকলৰ উপৰি খোৱাং চাহ বাগিচাৰ শতাধিক শ্ৰমিকে অংশগ্ৰহণ কৰে।

## ফিল'বাৰীত মইনা পাৰিজাতৰ বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা সম্পন্ন



**ডুমডুমা, ২৪ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰী মইনা পাৰিজাতৰ উদ্যোগত ফিল'বাৰী শংকৰদেৱ শিশু নিকেতন প্ৰাংগণত যোৱা ১০ মাৰ্চৰ পৰা অনুষ্ঠিত বিহুনাচ আৰু ঢোলবাদন কৰ্মশালাৰ সামৰণি পৰিছে। ফিল'বাৰী মইনা পাৰিজাতৰ সম্পাদিকা বন্দিতা কৌশিকে আঁত ধৰা উক্ত সামৰণি অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম মইনা পাৰিজাতৰ শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণৰ লগতে ঢোলৰ ওজা বিশ্বনাথ চাৰিআলিৰ নিতুল বৰা, ফিল'বাৰী শংকৰদেৱ শিশু নিকেতনৰ পৰিচালনা সমিতিৰ সম্পাদক মৃণালজ্যোতি শইকীয়া, মুগ্ধ জ্যোতি শইকীয়া, সমুজ্জ্বল শইকীয়া আদি। উক্ত অনুষ্ঠানত মুখ্য প্ৰশিক্ষক উৎপল শইকীয়া আৰু শ্যামলী গগৈ, সহযোগী প্ৰশিক্ষক কল্পজ্যোতি গগৈ, পল্লৱ তামুলী আৰু অনুপ গগৈক সম্বৰ্ধনা জনোৱা হয়। শতাধিক মইনাই অংশগ্ৰহণ কৰা উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত হয় ডিব্ৰুগড়ৰ 'বৰ বিহুৱা আৰু বসন্ত কোঁৱৰ' জিতেন দাস। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে বিহুনাচ, ঢোল, পেঁপা আৰু বাঁহী বাদন প্ৰদৰ্শন কৰে।

## কৃষিৰ পৰা আৰ্তজনক ৰক্তদান কৰা ৰঞ্জিত

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৪ মাৰ্চ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মানস পুত্ৰ সেৱা বাহিনী যোৰহাট জিলা শাখাৰ প্ৰাক্তন অধিনায়ক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰক্তদান কোষ কেন্দ্ৰীয় সমন্বয়ক মধ্য যোৰহাটৰ ফেচুৱালৰ নিবাসী ৰঞ্জিত বৰাই ধান খেতি, চাহ খেতিৰ লগতে শাক পাচলি, ফল-মূলৰ খেতি কৰি বছৰত লাখ টকা উপাৰ্জন কৰি স্বাধীনভাৱে সাংসাৰিক জীৱনৰ দীঘ-বাণি পৰিচালনা কৰে। খেতি কৰাৰ সমান্তৰালকৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চাৰিওটা স্তৰত এজন দক্ষ সেৱক ৰূপেও সমাজলৈ অৱদান আগবঢ়াই গৈছে। এটোপাল তেজৰ বাবে মৃত্যুৰ ক্ষণ গণি থকা আৰ্তজনক জীৱন ৰক্ষা কৰিবলৈ ৰক্তদান কৰি জীৱন উদ্‌যাপন কৰাত সহায়ৰ হাত আগবঢ়ায়



একোটা পৰিয়ালৰ মুখত হাঁহি-বিৰিঙাই তোলা ৰঞ্জিতে নীৰৱে সমাজ সেৱা কৰি আহিছে। সদা হাস্য মুখি ৰঞ্জিতে জ্যেষ্ঠৰ পৰা কনিষ্ঠজনলৈকে প্ৰতিজনকে সমানে গুৰুত্ব দিয়ে আৰু সহায় সহযোগ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অসমীয়া জাতিৰ বাবে আগবঢ়োৱা অমূল্য অৱদান সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনটো দক্ষতাৰ পৰিচয় দিছে। সমাজৰ প্ৰগতিৰ বাবে নীৰৱে কাম কৰা বৰাই প্ৰতিজন লোকৰ লগত মিলা-প্ৰীতিৰে সম্পৰ্ক সুদৃঢ় কৰি ৰাখে । নিজৰ বসতিস্থল প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰাৰ লগতে উঠি অহা প্ৰজন্মৰ শৈক্ষিক বৌদ্ধিক জগতখনৰ উৎকৰ্ষ সাধনৰ অৰ্থে বিভিন্ন ধৰণৰ আঁচনিসমূহ ৰূপায়ণ কৰাটো উঠি পৰি লাগে। বৰাই পৰিয়াল, কৃষি, সমাজ সেৱা কোনো এটাতো বিশৃংখল নোহোৱাকৈ নিয়াৰিকৈ চলি গৈছে। চৰকাৰীভাৱে কোনো সহায়-সহযোগ নোপোৱাকৈ একমাত্ৰ কপালৰ ঘাম মাটিত পেলাই উপাৰ্জন কৰি জীৱন উদ্যাপন কৰিছে।

# ব্যতিক্ৰম ৰূপত উজ্জ্বলি উঠিব বজালী জিলা

### ■ বজালীত অভিভাৱক মন্ত্ৰী বিমল বৰা

**বিশেষ সংবাদদাতা,**

**পাঠশালা, ২৪ মাৰ্চ ঃ** 'বজালী জিলাত উপায়ুক্তৰ নেতৃত্বত সকলো বিভাগৰ বিভাগীয় মুৰব্বী, বিষয়া আৰু কৰ্মচাৰীয়ে এক উদ্দেশ্যৰে কাৰ্যক্ষেত্ৰত অগ্ৰসৰ হৈছে। জিলাৰ উন্নয়ন সকলোৱে এক মিছন হিচাপে গণ্য কৰিছে। জনসাধাৰণ পূৰ্ণ শতাংশই চৰকাৰী আঁচনিৰ দ্বাৰা উপকৃত হ'ব লাগিব। এনে লক্ষ্যৰে উপায়ুক্তই মিছন আগবঢ়াই নিছে। মুখ্যমন্ত্ৰীয়ে দিয়া সকলো নিৰ্দেশনা পূৰ্ণ ৰূপত উপায়ুক্তই কাৰ্যত ৰূপায়ণ কৰিছে। অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত জিলাখনৰ কৰ্মসংস্কৃতিৰ ৰূপৰেখা পৰিৱৰ্তন হৈছে। আমি সকলোৱে মিলি ঐক্যবদ্ধভাৱে বজালী জিলাক ব্যতিক্ৰমী ৰূপত সজাব লাগিব।' এই মন্তব্য বজালী জিলাৰ অভিভাৱক মন্ত্ৰী তথা শক্তি মন্ত্ৰী বিমল বৰাৰ। কালি জিলাখনৰ সকলো বিভাগৰ বিভাগীয় মুৰব্বীসকলৰ স'তে অনুষ্ঠিত এক পৰ্যালোচনা সভাত এইদৰে মন্তব্য আগবঢ়াই মন্ত্ৰী বৰাই কয় যে উৎপাদন আৰু আয়ৰ উৎস বৃদ্ধি আৰু সৃষ্টি কৰিবৰ বাবে বিষয়াসকলে চিন্তা কৰিব লাগিব। ৰাজ্যখনৰ জনসাধাৰণৰ মংগল আৰু অৰ্থনীতিৰ বুনিয়াদ টনকিয়াল কৰাৰ হকে কৃষি আৰু জলসিঞ্চন বিভাগে আৰু অধিক সময়ৰ মনোভাবেৰে কাৰ্য ক্ষেত্ৰত আগবাঢ়িব লাগিব। উপায়ুক্তৰ কাৰ্যালয়ৰ



সভাকক্ষত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত উপায়ুক্তই প্ৰথমে জিলাখনৰ ভিন্ন দিশৰ সামগ্ৰিক খতিয়ান আলোকপাত কৰি কয় যে আধাৰ, প্ৰতিষেধক প্ৰদান, মিছন বসুন্ধৰা, ৰেছন কাৰ্ডৰ লগত আধাৰ সংযোজন, ধান সংগ্ৰহ, আদৰ্শ বিদ্যালয়, সংহত উপায়ুক্ত কাৰ্যালয় জলজীৱন মিছন, গ্ৰামোন্নয়, জিলা পৰিষদৰ কাৰ্যালয় আদিকে ধৰি অনেক বিষয়ৰ ফলপ্ৰসূ কাৰ্য ৰূপায়ণ কৰা হৈছে। মন্ত্ৰী বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত উক্ত বৈঠকত মন্ত্ৰীজনে জনস্বাস্থ্য, জলসম্পদ, জলসিঞ্চন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা, পশুপালন, কৃষি, পৰিবহণ, সমাজ কল্যাণ, শক্তি, ক্ৰীড়া আৰু যুৱ কল্যাণ, উদ্যোগ, লোক নিৰ্মাণ, লোক নিৰ্মাণ গৃহ আদি বিভাগৰ খতিয়ান লৈ সন্তোষ প্ৰকাশ কৰে। উক্ত বৈঠকত ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে ভিন্ন বিষয়ত অভিমত আগবঢ়াই কয় যে বিদ্যুৎ বিভাগ শীঘ্ৰে ভৱানীপুৰ আৰু সৰুপেটাত দুটা উপ-সংমণ্ডল স্থাপন কৰিব লাগে। উপায়ুক্তৰ নেতৃত্বত জিলাখনৰ জনসাধাৰণৰ সামগ্ৰিক বিকাশৰ হেতুকে বিষয়া-কৰ্মচাৰীসকলক নিষ্ঠাৰে আৰু অধিক ক্ষিপ্ৰতাৰে সেৱা আগবঢ়াবলৈ মন্ত্ৰী বৰাই আহ্বান জনায়। সভাৰ আৰম্ভণিতে ক'ভিডত স্বামীহাৰা পাঁচগৰাকী মহিলাক মন্ত্ৰী বৰাই চৰকাৰী সাহায্যৰ ধনাদেশ প্ৰদান কৰে। উক্ত সভাত উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীৰ উপৰি বজালী আৰু বৰপেটা জিলাৰ কে'বাগৰাকীও অতিৰিক্ত উপায়ুক্ত, জিলা জনসংযোগ বিষয়া, বজালীৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাস, বিজেপিৰ বজালী জিলা সভাপতি আৰু অগপৰ বজালী জিলা সভাপতি উপস্থিত থাকে।

**জামুগুৰিহাটত আশাকৰ্মীৰ প্ৰতিবাদ**

# মন্ত্ৰী অজন্তা নেওগৰ বিৰুদ্ধে বিভিন্ন শ্ল’গানেৰে উত্তাল স্বাস্থ্য কেন্দ্ৰৰ চৌহদ



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৪ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটত আশাকৰ্মীৰ প্ৰতিবাদত আজি উত্তাল হ’ল উত্তৰ জামুগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ চৌহদ। শতাধিক আশাকৰ্মীয়ে উত্তৰজামুগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ প্ৰাংগণত মন্ত্ৰী অজন্তা নেওগৰ মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে চৰকাৰক মাহিলি প্ৰাপ্য মজুৰি বৃদ্ধিৰ দাবী জনায়। আশাকৰ্মীসকলে কয় যে সদনত মিছা মাতিলে বিত্তমন্ত্ৰী নেওগে। নিজৰ ভুল মন্তব্যৰ বাবে ক্ষমা খুজিবলৈ দাবী জনায়। প্ৰতিবাদকাৰীসকলে কয় যে বিধানসভাৰ বাজেট অধিবেশনত বিত্ত মন্ত্ৰী নেওগে ৰাজ্যত শিশু মাতৃৰ মৃত্যুৰ হাৰ কমাত অংগনৱাড়ী কৰ্মীসকলৰহে অৰিহণা অধিক বুলি মন্তব্য কৰাৰ লগতে আশাকৰ্মীসকলৰ বলিষ্ঠ ভুমিকাৰ কথা কোনো উল্লেখ্য নকৰিলে। আশাকৰ্মীসকলে পুনৰ কয় যে ১৫ বছৰ ধৰি আমি কেৱল ন্যূনতম মজুৰিত সেৱা আগবঢ়াই আহিছো। বিদত দুবছৰ ধৰি ক’ভিড পৰিস্থিতিৰ বিৰুদ্ধে যুঁজ দি গাঁৱৰ ৰাইজৰ ঘৰে ঘৰে গৈ প্ৰতিষেধক দিয়াৰ পৰা সকলো কাম দিনে-নিশাই কৰি আহিছো। স্বাস্থ্য বিভাগৰ সকলো প্ৰশিক্ষণ গ্ৰহণ কৰি আমি সকলো দায়িত্ব আৰু কৰ্তব্য স্বাস্থ্য বিভাগৰ নীতি নিৰ্দেশনা অনুযায়ীয়েই সম্পাদন কৰি অহা বুলি প্ৰতিবাদীসকলে উল্লেখ্য কৰে। চৰকাৰে চাকৰি নিয়মীয়াকৰণ কৰা আৰু নিযুক্তি পত্ৰ প্ৰদান কৰাৰ দাবী জনায়। আজি চিকিৎসালয় চৌহদত আশাকৰ্মীসকলে ‘বিত্তমন্ত্ৰী অজন্তা নেওগ মুৰ্দাবাদ’, ‘আশাকৰ্মীৰ প্ৰাপ্য মজুৰি আদায় দিয়ক’ আদি শ্ল’গান দিয়ে।

# বিশ্বনাথত বিহু কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৪ মাৰ্চ ঃ** বিশ্বনাথৰ লুইতপৰীয়া শিল্পী সমাজৰ উদ্যোগত যোৱা ১২ মাৰ্চৰ পৰা আৰম্ভ হোৱা বিহুৰ কৰ্মশালাত বিশ্বনাথৰ বিভিন্ন প্ৰান্তৰ কণ কণ শিশুসকলে মৌ কুঁৱৰী, বিহু কুঁৱৰী, ঢোল বাদন, পেঁপা আৰু গগনা বজোৱা প্ৰশিক্ষণ গ্ৰহণ কৰিছে। বিশ্বনাথৰ লুইতপৰীয়া শিল্পী সমাজে বিশ্বনাথত যোৱা ২০১৩ৰ পৰাই কৰ্মশালা আয়োজন কৰি প্ৰশিক্ষণ দিছে। কিন্তু যোৱা দুবছৰ কৰ’নাৰ বাবে এই কৰ্মশালা অনুষ্ঠিত কৰাৰ পৰা বিৰত থাকিব লগীয়া হৈছিল। বিশ্বনাথৰ গড়েহাগি গাঁৱৰ যুৱক ৰিণ্টু ৰাজখোৱাই বিহু গীতৰ সুৰৰ তালে তালে নচুৱাবলৈ সাজু কৰিছে বিভিন্ন বাদ্যযন্ত্ৰ।

# মৰিয়নিৰ ভেলাগুৰি চাহ বাগিচাক যোৰহাট জিলাৰ প্ৰথমখন যক্ষ্মা মুক্ত বাগিচা ঘোষণা

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ২৪ মাৰ্চ ঃ** মৰিয়নিৰ ভেলাগুৰি চাহবাগিচাক যোৰহাট জিলাৰ প্ৰথমখন যক্ষ্মা মুক্ত চাহ বাগিচাৰূপে ঘোষণা কৰিছে। যোৰহাট জিলা যক্ষ্মা দূৰীকৰণ বিভাগে। বিশ্ব যক্ষ্মা দিৱসৰ মাহজোৰা কাৰ্যসূচীৰ আজি অন্তিম দিনা বাগিচাখনত যোৰহাট জিলা ভিত্তিত অনুষ্ঠিত কৰা বিশ্ব যক্ষ্মা দিৱসতে এই ঘোষণা কৰা হয়। যক্ষ্মা দূৰীকৰণ বিভাগৰ ডাঃ ভক্তিময় ভট্টাচাৰ্যই আদৰণী ভাষণ আগবঢ়োৱা সভাখনৰ আঁত ধৰে দীপৰ হাজৰিকাই। চাহ বাগিচা উন্নয়ন সংস্থাৰ সভানেত্ৰী কবিতা তাচা, উজনি অসমৰ চাহ বাগিচাসমূহৰ মুখ্য চিকিৎসা বিষয়া ডাঃ পি খাওণ্ড, যোৰহাটৰ মহকুমা স্বাস্থ্য চিকিৎসা বিষয়া ডাঃ বীৰু বৰকাকতি, টি বি ৰোগমুক্ত হোৱাৰ বাবে চেম্পিয়ন, ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মী মিনতি নায়ক পুৰান, জিলা টি বি বিভাগৰ বিজু কামানে ভাষণ আগবঢ়োৱা সভাখনত ডাঃ অপূৰ্ব শৰ্মা, ডাঃ লপা দাস, ডাক্তৰ মাধৱ সৰকাৰ, চাহ বাগিচাখনৰ জনকল্যাণ বিষয়া ৰামেশ্বৰ কুৰ্মী, স্থানীয় পঞ্চায়তৰ সভানেত্ৰী ৰীণা বৰাইক, দেবেৰাপাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, আচ্ছাৰ সুৰেশ মিৰ্ধা, দীনেশ চাহু, অভিজিৎ টেলেঙা, দীনেশ গুঞ্জু, সুস্বৰী বৰা, কলেজৰ প্ৰবক্তা গীতিমল্লিকা দেৱী, বেচৰকাৰী সংগঠন সংকল্প শিখাৰ সম্পাদক জগন্নাথ অগ্নিবৰা, পশ্চিম যোৰহাট সাংবাদিক সংস্থা আৰু বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সৃষ্টিৰ সভাপতি ৰমেন শইকীয়া, পাৰ্থসাৰথি হাজৰিকা বিশিষ্ট অতিথিৰূপে উপস্থিত থকা সভাখনত চাহ জনগোষ্ঠীৰ শিল্পীসকলে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰে। যক্ষ্মা বিভাগৰ বিষয়া-কৰ্মচাৰী, ভালেকেইটা স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মী, চাহ বাগিচাখনৰ বিষয়া-কৰ্মচাৰী, বাসিন্দা আৰু সমীপৰৰ্তী গাঁওসমূহৰ লোকসকলে বিশ্ব যক্ষ্মা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সহযোগিতা আগবঢ়ায়।

# নামৰূপ সাৰ কাৰখানাৰ মানৱ সম্পদ বিভাগলৈ বঁটা



**নামৰূপ, ২৪ মাৰ্চ ঃ** ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প’ৰেছনৰ মানৱ সম্পদলৈ ‘২০২২ বৰ্ষৰ শ্ৰেষ্ঠ মানৱ সম্পদৰ দল’ বঁটা প্ৰদান কৰা হয়। ২১ মাৰ্চত মুম্বাইৰ তাজ লেণ্ড এণ্ডত ৱৰ্ল্ড এইছ আৰ ডি কংগ্ৰেছৰ দ্বাৰা আয়োজিত এক আড়ম্বৰ পূৰ্ণ অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰা হয়। সাৰ কাৰখানাৰ জ্যেষ্ঠ বিষয়া ক্ৰমে এম মিশ্ৰ আৰু পংকজ কুমাৰ গগৈয়ে সাৰ কৰ্তৃপক্ষৰ হৈ উক্ত বঁটা গ্ৰহণ কৰে।

# টিহু থানা নাগৰিক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৪ মাৰ্চ ঃ** ৰাজ্য চৰকাৰে যি সময়ত আৰক্ষী আৰু ৰাইজৰ মাজত সম্পৰ্ক দৃঢ় কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে তেনে সময়তে নলবাৰী জিলাৰ টিহু আৰক্ষী থানাত ‘টিহু থানা নাগৰিক সমিতি’ গঠনৰ উদ্দেশ্যে অনুষ্ঠিত এখন সভাত টিহু অঞ্চলৰ একাংশ দল-সংগঠন আৰু স্থানীয় অধিকাংশ সাংবাদিকক নিমন্ত্ৰণ নকৰাক কেন্দ্ৰ কৰি অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে কালি সন্ধিয়া টিহু থানাত অনুষ্ঠিত এক সভাত নগণ্য সংখ্যক লোকৰ উপস্থিতিত টিহু থানা নাগৰিক সমিতি গঠন কৰা হয়। কিন্তু উক্ত সভালৈ অঞ্চলটোৰ অধিকাংশ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠন আৰু টিহুত থকা সাংবাদিকসকলৰ দুটাকৈ সাংবাদিক সংগঠনৰ লগতে একাংশ জ্যেষ্ঠ সাংবাদিককো নিমন্ত্ৰণ কৰা নাই। এই বিষয়টো লৈ স্থানীয় দল-সংগঠন আৰু সাংবাদিকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে কালি অনুষ্ঠিত সভাখনত ড° সুৰজিত বৰ্মনক সভাপতি, ড° সুৰেশ চন্দ্ৰ শৰ্মাক কাৰ্যকৰী সভাপতি আৰু পৱন হালৈক সম্পাদকৰূপে লৈ টিহু থানা নাগৰিক সমিতিখন গঠন কৰে। কি পৰিস্থিতিত টিহু আৰক্ষী থানাই একাংশ সামাজিক সংগঠন আৰু স্থানীয় সাংবাদিকক সভালৈ নিমন্ত্ৰণ নকৰিলে এই বিষয়টো সন্দৰ্ভত নলবাৰী জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক অনুসন্ধান কৰিবলৈ সচেতন মহলে আহ্বান জনাইছে।

# গোলাঘাটৰ কৃষিমন্ত্ৰী প্ৰয়াত সোণেশ্বৰ বৰা স্মৃতিৰক্ষা সমিতিৰ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৪ মাৰ্চ ঃ** গোলাঘাটৰ প্ৰাক্তন কৃষিমন্ত্ৰী তথা ক্ষুদ্ৰ চাহ খেতিৰ প্ৰতিষ্ঠাতা প্ৰয়াত সোণেশ্বৰ বৰা স্মৃতি ৰক্ষা সমিতিৰ সৌজন্যত কালি গোলাঘাটস্থিত ৰাজহুৱা বাছ আস্থানৰ সভা কক্ষত সমাধিস্থলী নিৰ্মাণৰ সন্দৰ্ভত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উল্লেখ্য যে স্মৃতি ৰক্ষা সমিতিৰ সভাপতি পূৰ্ণ ৰাজখোৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত স্মৃতি ৰক্ষা সমিতিৰ উপদেষ্টা দেৱজিৎ ফুকন, পৰিক্ষীত দত্ত, দিজু গগৈ, ৰাটিং জিলা পৰিষদৰ সদস্য লোহিত গগৈ, হৰেশ্বৰ ৰাজখোৱা আদি উপস্থিত থাকে। উক্ত সভাত চলিত মাহতে সমাধি নিৰ্মাণ কাম পূৰ্ণগতিত চলাই নিবলৈ সৰ্বসন্মতিমৰ্মে সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ কাৰ্যসূচীসমূহৰ আঁত ধৰে স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক দেৱাশীষ বৰাই।

# আমগুৰিত গাঁওৰক্ষী বাহিনীয়ে উদ্ধাৰ কৰিলে গাঞ্জাসহ ড্ৰাগছ

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২৪ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গণক অভয়পুৰীয়া আৰু টিঙিৰীপাম অভয়পুৰীয়া গাঁওৰক্ষী বাহিনীয়ে লক্ষাধিক মূল্যৰ ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষাম হৈছে। টিঙিৰীপাম অভয়পুৰীয়া গাঁৱৰ বিশ্বকৰ্মা ৰবিদাস নামৰ লোকজনৰ গৃহত চাৰিজন যুৱকে ৰাগিয়াল দ্ৰব্য সেৱন কৰি থকা দেখা পাই গাঁওৰক্ষী বাহিনীৰ সদস্যই লগে লগে গাঁওবুঢ়াৰ উপস্থিতি ৰবিদাসৰ গৃহত অভিযান চলাই ১১ টাকৈ ড্ৰাগছ ভৰ্তি সৰু কন্টেইনাৰৰ লগতে এটা গাঞ্জা খোৱা ছিলিম আৰু এটা চিৰিঞ্জ উদ্ধাৰ কৰে। অৱশ্যে চাৰি যুৱকে গাঁওৰক্ষী বাহিনীৰ চকুত ধূলি দি পলাই যাবলৈ সক্ষম হয়। ঘটনাৰ লগে লগে দুয়োখন থানাৰ আৰক্ষী উপস্থিত হৈ ড্ৰাগছখিনি জব্দ কৰে।

# আজাৰা হাটুৱাপাৰাত শ্ৰীশ্ৰীমনসা পূজাত ভিৰ



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৪ মাৰ্চ ঃ** আজাৰা হাটুৱাপাৰা শ্ৰীশ্ৰীমনসা মন্দিৰত অনুষ্ঠিত মনসা পূজাত ভক্তপ্ৰাণ ৰাইজে ভিৰ কৰিছে। যোৱা ২১ মাৰ্চৰ পৰা পাঁচদিনীয়াকৈ ৰাইজে মনসা পূজা আৰম্ভ কৰে। আজি পূজাৰ চতুৰ্থ দিনাও বিভিন্ন ঠাইৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজে ধূপ-চাকি-নৈবেদ্যৰে দেৱীৰ আশীৰ্বাদ বিচাৰিছে।

# মৰাণ বিহু সন্মিলনৰ লাইখুঁটা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৪ মাৰ্চ ঃ** মৰাণ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সপ্তবিংশতিতম ব’হাগী মহোৎসৱ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মৰাণ আঞ্চলিক সমিতিৰ উদ্যোগত ত্ৰিংশতিতম সন্মিলিত ৰঙালী বিহু সন্মিলন আৰু সদৌ তাই আহোম ছাত্ৰ সন্থা মৰাণ আৰু মৰাণহাট আঞ্চলিক সমিতিৰ উদ্যোগত একাদশ বাৰ্ষিক কেন্দ্ৰীয় ব’হাগী সন্মিলন আয়োজন কৰা হৈছে। আজি মৰাণ উষাপুৰ খেলপথাৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মৰাণ আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত বিহু সন্মিলনখনৰ লাইখুঁটা স্থাপন কৰা হয়। উক্ত অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ নেতা কুশল দত্ত, সাংবাদিক বাছা বৰা, যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা ৰঞ্জিত চাংমাই, উদ্‌যাপন সমিতিৰ সভাপতি সূৰ্য বৰগোহাঁই, কাৰ্যকৰী সভাপতি দিগন্ত গগৈকে মুখ্য কৰি যুৱ ছাত্ৰ পৰিষদ মৰাণ আঞ্চলিক সমিতিৰ অৰ্ধশতাধিক কৰ্মী উপস্থিত থাকে।

# মৰাণত ড্ৰাগছসহ এজন যুৱকক আটক



**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৪ মাৰ্চ ঃ** ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰাণ আৰক্ষী থানাই ড্ৰাগছসহ এজন যুৱকক আটক কৰিছে। মৰাণ আৰক্ষী থানাই বিশেষ সূত্ৰৰ পম খেদি কালি মৰাণ পিয়লি নগৰৰ আকাশ মাহাতু (৩০) নামৰ যুৱকজনক আটক কৰে। ধৃত যুৱকজনৰ জেৰাৰ পাছত আজি আৰক্ষীয়ে ১৮.৯ গ্ৰাম ড্ৰাগছৰ লগতে তিনিটা কন্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি আৰক্ষীয়ে আৰু অধিক তথ্য উদ্ধাৰৰ কাৰণে যুৱকজনক জেৰা কৰি আছে। এই সন্দৰ্ভত আৰু লোকক আটক কৰাৰ সম্ভাৱনা আছে বুলি আৰক্ষীৰ সূত্ৰই জনাইছে।

# আজাদ গোহাঁই টেকেলা প্ৰাথমিক বিদ্যালয়ত যোগ সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৪ মাৰ্চ ঃ** সংস্কাৰ গ্ৰাম্য সামাজিক-অৰ্থনৈতিক বিকাশ সমাজৰ উদ্যোগত আজাদ গোহাঁই টেকেলা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আজি এখনি যোগ সজাগতা সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি লখিমপুৰ জিলা যোগ প্ৰশিক্ষক নৱজ্যোতি বৰাই আমাৰ ১৩ পৃষ্ঠাত চাওক

**বৰপেটাত বিনামূলীয়া পাঠ্যপুথি বিতৰণ আৰম্ভ**

# যিকোনো বস্তু বিনামূলীয়া হ’লে আদৰ কমে ঃ ভূষাল



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**বৰপেটা/কয়াকুছি, ২৪ মাৰ্চ ঃ** ৰাজ্য চৰকাৰে যোগান ধৰা বিনামূলীয়া পাঠ্যপুথি আজি জিলাৰ সদৰ বৰপেটাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বৰপেটা শিক্ষা খণ্ডৰ অন্তৰ্গত ৯১৮ নম্বৰ মেটুৰাকুছি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা এক সভাৰ জৰিয়তে বিদ্যালয়সমূহৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণ আৰম্ভ কৰে বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচালে। বৰপেটা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ভৱেশ তালুকদাৰৰ সঞ্চালনাত অনুষ্ঠিত এই সভাত বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা জিলা মিছন সমন্বয়ক লখিমী দত্ত, বৰপেটা জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া মনোৰঞ্জন কাকতি, জিলা আঁচনি বিষয়া চিতাংগ ডেকা, জিলা আঁচনি বিষয়া তথা বৰপেটা শিক্ষা খণ্ডৰ ভাৰপ্ৰাপ্ত আঁচনি বিষয়া ৰঞ্জন দাস, বিদ্যালয়সমূহৰ উপ- পৰিদৰ্শক হৰেন্দ্ৰ নাথ দাস, উপস্থিত থাকে। বিনামূলীয়া পাঠ্যপুথি বিতৰণ উদ্বোধন ১৩ পৃষ্ঠাত চাওক

# বৰঙা বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৪ মাৰ্চ ঃ** দক্ষিণ যোৰহাটৰ কৰঙা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত আজি এটি শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত পৌৰোহিত্য কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী ড° নিলীমা বৰাই। উক্ত সভাত বিধায়ক গোস্বামীয়ে কয় যে উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ নিৰ্মাণ আঁচনিৰ অধীনত নিৰ্মাণ হ’বলগীয়া বিদ্যালয় ভৱনটোৰ প্ৰকল্প ব্যয় হ’ব ৬৫ লাখ টকা। দুমহলীয়া ভৱনটোত ছটা শ্ৰেণীকোঠা থাকিব বুলি সদৰী কৰাৰ লগতে বিধায়ক গোস্বামীয়ে তেওঁৰ নিজা পুঁজিৰ দ্বাৰা আন এটা ভৱন নিৰ্মাণ কৰি দিব বুলিও ঘোষণা কৰে। শিক্ষয়িত্ৰী সংগীতা ফুকনে আঁতধৰা সভাত বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা নিলীমা দত্ত, গড়কাপ্তানী বিভাগৰ কাৰ্যবাহী অভিযন্তা উৎপল বৰঠাকুৰ আদি উপস্থিত থাকে।

# জুৰীয়াৰ পাঁচ কৃতী শিক্ষকক আদৰ্শ জাতীয় বিদ্যালয় সন্মান

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ২৪ মাৰ্চ ঃ** জুৰীয়া অঞ্চলৰ পাঁচজন কৃতী শিক্ষকক কালি আদৰ্শ জাতীয় বিদ্যালয় সন্মান ২০২২ প্ৰদান কৰা হয়। জৰীয়াৰ অগ্ৰণী শিক্ষানুষ্ঠান আদৰ্শ জাতীয় বিদ্যালয় দগাঁৱৰ উদ্যোগত আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ লগতে দগাঁও শিশু গ্ৰন্থমেলা উদ্‌যাপন সমিতিৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জ্ঞান মহোৎসৱ উপলক্ষে কালি অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত এই বঁটা প্ৰদান কৰা হয়। ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামে সঞ্চালনা কৰা সভাখনত আলিটাঙনী উচমানীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ১৩ পৃষ্ঠাত চাওক

# লখিমপুৰ জিলা স্বাস্থ্য বিভাগৰ বিশ্ব যক্ষ্মা দিৱস পালন



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৪ মাৰ্চ ঃ** লখিমপুৰত জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত লখিমপুৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ সভাকক্ষত আজি বিশ্ব যক্ষ্মা দিৱস উদ্‌যাপন কৰা হয়। যক্ষ্মা দূৰীকৰণ আঁচনিৰ অংশৰূপে ভাৰত চৰকাৰে ২০২৫ৰ ভিতৰত এখন যক্ষ্মামুক্ত ভাৰতৰ সপোন ‘যক্ষ্মা হাৰিব দেশ জিকিব’—এই শ্ল’গানৰে বিশ্ব যক্ষ্মা দিৱসৰ হাতে হাতে বেনাৰ, প্লে-কাৰ্ড লৈ সমদল উলিওৱা হয়। সমদলটো উদ্বোধন কৰে লখিমপুৰ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মনোজ কুমাৰ দাসে। দুপৰীয়া মুকলি সভাখন উদ্বোধন কৰে ডাঃ উপেন্দ্ৰ নাথ দত্তই। আনহাতে, বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি অতিৰিক্ত উপায়ুক্ত গীতালি দুৱৰাই যক্ষ্মা নিৰ্মূলৰ ক্ষেত্ৰত আশা কৰ্মীৰ ভূমিকাৰ কথা উল্লেখ কৰে। স্বাস্থ্য বিভাগৰ কৰ্মচাৰী পংকজ সভাপণ্ডিতে আঁত ধৰা অনুষ্ঠানটোত জিলা যক্ষ্মা বিষয়া ডাঃ জগদীশ গোস্বামী, লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ডাঃ যশবীৰ ৰয় প্ৰমুখ্যে কে’বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি যক্ষ্মা দূৰীকৰণৰ ক্ষেত্ৰত জিলা স্বাস্থ্য বিভাগে লোৱা বিভিন্ন কাৰ্যসূচী সম্পৰ্কে ব্যাখ্যা কৰে।

# ‘জাফা’ৰ ধেমাজি জিলা সমিতি গঠন


**ধেমাজি, ২৪ মাৰ্চ ঃ** সাংবাদিক সংগঠন জাৰ্ণেলিষ্ট এছ’চিয়েছন ফৰ আছাম (জাফা)ৰ ধেমাজি জিলা সমিতিখন কালি গঠন কৰা হয়। এই উপলক্ষে ধেমাজি জিলা জনজাতি জিৰণিচ’ৰা প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। জাফাৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক কুশল শইকীয়া আৰু লখিমপুৰ জিলা সমিতিৰ হেমন্ত হাজৰিকাৰ উপস্থিতিত অনুষ্ঠিত সভাত পৌৰোহিত্য কৰে সাংবাদিক বনমালি মহন্তই। উক্ত সভাত জিলাখনৰ গোগামুখ, ধেমাজি, চিচিবৰগাঁও, চিলাপথাৰ, জোনাই আদি বিভিন্ন অঞ্চলৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সাংবাদিকসকলে অংশগ্ৰহণ কৰে। সভাই বনমালি মহন্তক সভাপতি, ললিত শইকীয়াক কাৰ্যকৰী সভাপতি, লবিৰাম বড়ি আৰু সত্য হাজৰিকাক ১৩ পৃষ্ঠাত চাওক

# সোণতলী-নিছলামাৰীত ট্ৰেক্টৰ, চোৰাং কাঠ জব্দ ঃ ধৃত এক



**আলোপতি, ২৪ মাৰ্চ ঃ** কামৰূপ জিলাৰ পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত বিভিন্ন অঞ্চলত গঢ়ি উঠা অবৈধ চোৰাং কাঠ আৰু বালি-মাটিৰ ৰমৰমীয়া বেহাৰ বিৰুদ্ধে বন বিভাগে ধাৰাবাহিক অভিযান চলাই জব্দ কৰিছে লাখ লাখ টকাৰ মূল্যৱান চোৰাং কাঠ। এই অভিযানত অবৈধ বালি, মাটি খননত ব্যৱহৃত বহু যন্ত্ৰ, ট্ৰেক্টৰ আৰু এক্সকেভেটৰো জব্দ কৰিছে বন বিভাগে। অৱশ্যে ইমানৰ পাছতো পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ বিভিন্ন অঞ্চলত চলিয়েই আছে চোৰাং কাঠ, বালি, মাটিৰ অবৈধ বেহা। যোৱা নিশা এক গোপন খবৰৰ ভিত্তিত পশ্চিম কামৰূপ বন সংমণ্ডলৰ ডি এফ অ’ ডিম্পী বৰাই সোণতলীত অভিযান চলাই জব্দ কৰে বৃহৎ পৰিমাণৰ চোৰাং ফলা কাঠ। ডি এফ অ’ বৰাই জনোৱা মতে, সোণতলীৰ মাহতলী গাঁৱৰ চোৰাং কাঠ ব্যৱসায়ী নুৰ মহম্মদ আলীৰ ঘৰত কাঠ মজুত থকাৰ কথা জানিব পাৰি নিশা প্ৰায় ১২ বজাত লোকজনৰ ঘৰত অভিযান চলাই লক্ষাধিক টকাৰ মূল্যৱান কাঠ জব্দ কৰিবলৈ সক্ষম হয়। তদুপৰি চোৰাং কাঠ ব্যৱসায়ী আলীক আটক কৰি নিশাই বকো আৰক্ষীক গতাই দিয়ে বন বিভাগে। ইপিনে, যোৱা নিশা বন বিভাগে বকোৰ নিছলামাৰীত অভিযান চলাই জব্দ কৰে আন এখন ট্ৰেক্টৰ। অবৈধ মাটি সৰবৰাহত ব্যৱহৃত ট্ৰেক্টৰখন জব্দ কৰি নগৰবেৰা কাৰ্যালয়লৈ অনা হয়।

# ৰাজ্যসভাৰ দ্বিতীয়খন আসনত ৰিপুন বৰাৰ জয় নিশ্চিত ঃ ৰেকিবুদ্দিন



**ছয়গাঁও, ২৪ মাৰ্চ ঃ** কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিত ছয়গাঁৱৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ এখন বঁটা বিতৰণী সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে বিধায়ক ৰেকিবুদ্দিন আহমেদে। আহমেদে আজি ৰাজ্যসভাৰ দ্বিতীয়খন আসন সম্প... মিত্ৰজোঁটে লাভ কৰিব আৰু এখন আসন কংগ্ৰেছে লাভ কৰি ৰিপুন বৰা জয়ী হ’ব।’ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযুষ হাজৰিকাই দ্বিতীয়খন আসনো বিজেপিয়ে পাব বুলি দাবী কৰাৰ পাছত বিধায়ক আহমেদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে তেওঁলোকে নিজৰ পছন্দৰ প্ৰাৰ্থী জয়ী কৰোৱাৰ বাবে প্ৰচাৰ কৰাটো স্বাভাৱিক। আমিও দ্বিতীয়খন আসনৰ বাবে প্ৰচাৰ চলাই আছে।

# ৰাষ্ট্ৰজোৰা ধৰ্মঘটলৈ অসম চাহ মজদুৰ সংঘৰ সমৰ্থন

**অগ্ৰদূত বাৰ্তা**


**মৰাণ, ২৪ মাৰ্চ ঃ** কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি দলৰ চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা দেশৰ জনসাধাৰণৰ জীৱনলৈ অন্ধকাৰ নমাই বিভিন্ন ক্ষেত্ৰত শ্ৰমিক বিৰোধী, কৃষক বিৰোধী, জনগণ বিৰোধী আৰু জাতীয় স্বাৰ্থ বিৰোধী নীতি গ্ৰহণ কৰি লাখ লাখ শ্ৰমিক-কৰ্মচাৰী, কৃষকৰ অধিকাৰ সম্পূৰ্ণৰূপে খৰ্ব কৰি পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থত দেশৰ সম্পদসমূহ ক্ৰমান্বয়ে কৰ্প’ৰেটৰ হাতত গতাই দিয়া দেখা গৈছে। দেশৰ আগশাৰীৰ ট্ৰেড ইউনিয়নসমূহে যৌথভাৱে বহুবাৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক শ্ৰমিক বিৰোধী নীতি পৰিহাৰ কৰি শ্ৰমিক-কৃষক-কৰ্মচাৰীৰ হিতৰ বাবে কাম কৰিবলৈ দাবী জনাই গণতান্ত্ৰিকভাৱে আন্দোলন কৰি আহিছিল যদিও চৰকাৰ দুখনে কোনো ধৰণৰ গুৰুত্ব দিয়া নাই। যাৰ বাবে পুনৰ আই এন টি ইউ চিকে ধৰি দেশৰ অন্যান্য কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন, ফেডাৰেছন আৰু শ্ৰমিক সংগঠনসমূহৰ যৌথ মঞ্চৰ আহ্বানত অহা ২৮ আৰু ২৯ মাৰ্চত ৰাষ্ট্ৰজোৰা ধৰ্মঘটৰ আহ্বান জনাইছে। উল্লেখ্য যে আই এন টি ইউ চিৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত দেশৰ অন্যতম শক্তিশালী ট্ৰেড ইউনিয়ম অসম চাহ মজদুৰ সংঘই ২০২০ত ৰাজ্য চৰকাৰক চাহ শ্ৰমিকৰ স্বাৰ্থ জড়িত ১১ দফীয়া দাবী সম্বলিত দাবী পত্ৰ দাখিল কৰাৰ পাছতো আজি পৰ্যন্ত চৰকাৰৰ তৰফৰ পৰা কোনো ১৩ পৃষ্ঠাত চাওক

**ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ সম্পন্ন**

# ৰাষ্ট্ৰীয় শিক্ষানীতি সময়ৰ আহ্বান ঃবৰা

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৪ মাৰ্চ ঃ** ‘ভাৰতবৰ্ষত সুদীৰ্ঘ ৩৪ বছৰ পাছত শিক্ষানীতিৰ সলনি কৰা হৈছে। ভাৰতবাষ্ট্ৰত সম্প্ৰতি যিধৰণৰ শিক্ষাৰ প্ৰয়োজন হৈছে তেনেদৰেই সকলো শ্ৰেণীৰ বাবে গ্ৰহণযোগ্যকৈ ৰাষ্ট্ৰীয় শিক্ষিনীতি প্ৰস্তুত কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতি আজিৰ সময়ৰ আহ্বান। এই শিক্ষানীতিৰ বিৰোধিতা নকৰি প্ৰযোজ্য কৰিবহে লাগিব। তেতিয়াহে শিক্ষা ব্যৱস্থাৰ জটিলতা আঁতৰি যাব। সকলো শিক্ষাৰ্থীয়ে নিজৰ ইচ্ছানুসৰি শিক্ষা গ্ৰহণ কৰিব পাৰিব।’ এই মন্তব্য কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° দিলীপ বৰা আজি ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ওপৰত অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰত নিমন্ত্ৰিত মুখ্য সমল ব্যক্তিৰ ভাষণত এইদৰে কয়। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই সঞ্চালনা কৰা, মহাবিদ্যালয়খনৰ অধ্যাপকদ্বয় মোবাৰক হুছেইন আৰু ৰাজু কুমাৰ দাসে আঁত ধৰা ‘ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ঃ ইয়াৰ সম্ভাৱনীয়তা আৰু প্ৰত্যাহ্বান’ শীৰ্ষক বিষয়বস্তুৰ সন্দৰ্ভত অনুষ্ঠিত ৰাষ্ট্ৰীয় আলোচনাচক্ৰত আন এগৰাকী সমল ব্যক্তিৰূপে বক্তৃতা প্ৰদান কৰে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পৌৰাণিক অধ্যয়ন বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° মল্লিকা কলিতাই। ড° কলিতাই কয় যে ‘ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ ফলত শিক্ষা ক্ষেত্ৰখন সাংঘাতিক ধুনীয়া হ’ব। এই শিক্ষানীতিৰ ফলত দেশৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ১৩ পৃষ্ঠাত চাওক



### উদ্বোধনী সাংস্কৃতিক অনুষ্ঠানৰ বাবে গুৱাহাটী টাউন ক্লাব-আই টি বি পিৰ মেচ ৭০ মিনিটলৈ হ্ৰাস কৰিলে জি এছ এ

# ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল আৰম্ভ

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** জন্মস্থানতে পুনৰ আৰম্ভ হ'ল দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা 68 সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী। কিন্তু প্ৰতিযোগিতাৰ আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাৰ বেপৰুৱা তথা পালমৰা মনোভাবৰ বাবে স্বৰূপাৰ্থত ফুটবলৰ মান-সন্মান 68 সংখ্যক জন্মদিনৰ দিনাই হেৰুৱাই পেলালে বৰদলৈ ট্ৰফীয়ে। উল্লেখ্য যে আজি জজ খেলপথাৰত হোৱা বৰদলৈ ট্ৰফীৰ উদ্বোধনী মেচখন 90 মিনিটৰ পৰিবৰ্তে 70 মিনিটলৈ হ্ৰাস কৰা হয়। ইয়াৰ কাৰণ হ'ল প্ৰতিযোগিতা উদ্বোধন কৰাৰ সময়ত বিহু নৃত্যৰ লগতে অন্য সাংস্কৃতিক অনুষ্ঠান অধিক সময় কৰাৰ ফলত ফুটবল মেচে নিজৰ নিৰ্ধাৰিত সময়ৰ লগত আত্মসমৰ্পন কৰিলে। স্বাভাৱিকতে এয়া নিৰ্লজ্জ কাণ্ড। দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা বৰদলৈ ট্ৰফীত এই ঘটনা কোনো ক্ৰীড়াপ্ৰেমীয়ে আশা নকৰে। উল্লেখ্য যে আজি জজ খেলপথাৰত অনুষ্ঠিত হোৱা বৰদলৈ ট্ৰফীৰ উদ্বোধনী মেচত আই টি বি পি দল মুখামুখি হয় গুৱাহাটী টাউন ক্লাবৰ। মেচখনত একমাত্ৰ গ'লত জয়ী হৈ প্ৰতিযোগিতাত প্ৰত্যাশিত আৰম্ভনি কৰিছে আই টি বি পি দলে। খেলৰ প্ৰথমাৰ্ধত কোনো গ'ল হোৱা নাছিল যদিও দ্বিতীয়াৰ্ধত গ'ল কৰি প্ৰথমে অগ্ৰগতি লয় আই টি বি পি দলে। খেলৰ 60 মিনিটত আই টি বি পিৰ হৈ বিজয়সূচক গ'লটো কৰে হেমৰাজ ভূজেলে। বিপৰীতে গুৱাহাটী টাউন ক্লাবে প্ৰত্যাৱৰ্তন কৰিবলৈ সক্ষম নহ'ল। অৱশ্যে 90 মিনিটৰ মেচ হ'লে ফলাফল অন্য হোৱাৰ সম্ভাৱনা আছিল। আজি প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে মুকলি কৰে ক্ৰীড়া মন্ত্ৰী বিমল বৰাই। উল্লেখ্য যে প্ৰতিযোগিতাৰ আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিতো অনুষ্ঠিত কৰিছে। এইবাৰ প্ৰতিযোগিতাত অংশ লোৱা মুঠ 16 টা দলে 24 খন লীগ মেচত অংশ ল'ব যদিও বৰদলৈ ট্ৰফী ফুটবলৰ জন্মস্থান গুৱাহাটীত ইয়াৰে মাত্ৰ ছখন খেলহে অনুষ্ঠিত হ'ব। আনহাতে, গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত কেৱল এখন মেচহে (ছেমিফাইনেল) অনুষ্ঠিত হ'ব। জজ খেলপথাৰত ছখন লীগ মেচৰ লগতে এখন ছেমিফাইনেল আৰু 68 সংখ্যক বৰদলৈ ট্ৰফী ফুটবলৰ ফাইনেল মেচখনো অনুষ্ঠিত হ'ব।



### ৰেড হৰ্ণছ প্ৰিমিয়াৰ লীগ ফুটবল প্ৰতিযোগিতা

## ফাইনেলত ছানৰাইজ-উদাংশ্ৰী

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৪ মাৰ্চ ঃ** ভাৰতীয় সেনাৰ ৰেড হৰ্নছ ডিভিজনৰ উদ্যোগত নৱগঠিত তামুলপুৰ জিলাৰ দিঘিলীপাৰ সেনা ছাউনীস্থিত খেল পথাৰত চলি থকা ৰেড হৰ্নছ প্ৰিমিয়াৰ লীগ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অনুস্থিত পুৰুষৰ ছেমি ফাইনেল চানৰাইজ এফ চি, নাওবন্ধাই টাইব্ৰেকাৰত এ পি আৰ অ' গুৱাহাটীয়ক (5- 4) আৰু উদাংশ্ৰী, বৰমাই আৰ বি এফ চি, ডিমাকুছীক 3-1 গ'লত হৰুৱাই ফাইনেলত প্ৰবেশ কৰে। কাইলৈ আবেলি তিনি বজাত অনুস্থিত হ'ব মহিলা শাখাৰ ফাইনেল খেল। মহিলা শাখাৰ ফাইনেল খেলত অংশ গ্ৰহন কৰিব শুক্লাই চেৰফাং এফ চি আৰু কোকৰাঝাৰ এফ চিয়ে। আনহাতে, 26 মাৰ্চৰ আবেলি অনুস্থিত হ'ব পুৰুষৰ চূড়ান্ত খেলখন।

## তৃতীয় টেষ্টত পাকিস্তানৰ সন্মুখত ৩৫১ ৰ বিজয়লক্ষ্য অষ্ট্ৰেলিয়াৰ



**লাহোৰ, ২৪ মাৰ্চ ঃ** অষ্ট্ৰেলিয়া লাহোৰত চলি থকা চলিত তিনিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচত পাকিস্তানৰ সন্মুখত 351 ৰাণৰ বিজয়লক্ষ্য দিছে। ইফালে, এই লক্ষ্য অনুসৰণ কৰি দ্বিতীয় ইনিংছ আৰম্ভ কৰা পাকিস্তানে চতুৰ্থ দিনাৰ খেলৰ অন্তত কোনো উইকেট নেহেৰুৱাকৈ 73 ৰাণ কৰিছে। কাইলৈ জয়ৰ বাবে অষ্ট্ৰেলিয়াক 10 টা উইকেটৰ প্ৰয়োজন হোৱাৰ বিপৰীতে পাকিস্তানক প্ৰয়োজন 278 ৰাণৰ। টেষ্টখনত ফলাফল ওলোৱাৰ সম্ভাৱনাই দেখা দিছে। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন টেষ্ট নিৰস ড্ৰ হোৱাৰ পাছত এতিয়া উভয় দলৰ লক্ষ্য তৃতীয় টেষ্ট জয়ৰে শৃংখলা হস্তগত কৰা। উল্লেখ্য যে কেংগাৰু বাহিনীয়ে 391 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত তৃতীয় দিনা পাকিস্তানে 268 ৰাণত প্ৰথম ইনিংছ সামৰে। ফলত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত অগ্ৰগতি অৰ্জন কৰে। ঘৰুৱা দলৰ হৈ ছফিকে 81, আজাহাৰে 78 আৰু বাবৰে 67 ৰাণ কৰাৰ বাদে পাকিস্তানৰ বাকী বেটাৰসকল ব্যৰ্থ হয়। অষ্ট্ৰেলিয়াৰ কামিনছে পাঁচটা আৰু ষ্টাৰ্কে চাৰিটা উইকেট দখল কৰে। ইফালে, কালি অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ 11 ৰাণ কৰাৰ পাছত আজি তিনি উইকেটত 227 ৰাণত ইনিংছ ঘোষণা কৰে। দলৰ হৈ শতক অৰ্জন কৰে খাৱাজাই(104] ¼উল্লেখ্য যে টেষ্টৰ প্ৰথমদিনা টছত জয়ী হৈ বেটিং কৰা অষ্ট্ৰেলিয়াৰ হৈ প্ৰথম ইনিংছত উস্মান খাৱাজাই 91 আৰু ষ্টিফেন ষ্টিথে 59 ৰাণ কৰাৰ লগতে গ্ৰীনে 79 আৰু কেৰীয়ে 67 ৰাণ কৰে। পাকিস্তানৰ হৈ শ্বাহিন আৰু নাছিমে চাৰিটাকৈ উইকেট পায়।

### আজি দিল্লী এফ চি মুখামুখি হ'ব অসম পুলিছ ব্লুজৰ

## গ'লশূন্য ড্ৰ খেলিলে ওদালগুৰিৰ দৈমালু ক্লাব-অসম ৰাইফলছ দলে

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ২৪ মাৰ্চ ঃ** গুৱাহাটীৰ লগতে আজিৰে পৰা বাইহাটা চাৰিআলিতো আৰম্ভ হৈছে দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা 68 সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফীৰ খেল। আজি কৰৰা মিনি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰথম মেচত ওদালগুৰিৰ দৈমালু ক্লাব মুখামুখি হয় ছিলঙৰ অসম ৰাইফলছৰ। মেচখন গ'লশূন্য ড্ৰ ৰূপে সমাপ্ত হোৱাত উভয় দলে পইণ্ট ভগাই লয়। উল্লেখ্য যে বৰদলৈ ট্ৰফীৰ গ্ৰুপ 'বি'ৰ খেলসমূহ অনুষ্ঠিত হৈছে বাইহাটা চাৰিআলিৰ কৰৰা মিনি ষ্টেডিয়ামত। গ্ৰুপ 'বি'ত থকা দল চাৰিটা হ'ল দিল্লী এফ চি, অসম পুলিছ ব্লুজ, ওদালগুৰিৰ দৈমালু ক্লাব আৰু ছিলঙৰ অসম ৰাইফলছ। স্মৰ্তব্য যে এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিতো আয়োজন কৰা হৈছে। গুৱাহাটী আৰু বাইহাটা চাৰিআলিত আজিৰে পৰা প্ৰতিযোগিতাৰ খেল আৰম্ভ হয় যদিও চিৰাং আৰু ছিপাঝাৰত বৰদলৈ ট্ৰফী আৰম্ভ হ'ব কাইলৈৰ পৰা। উল্লেখ্য যে কাইলৈ বাইহাটা চাৰিআলিৰ কৰৰা মিনি ষ্টেডিয়ামত হ'ব লগা দ্বিতীয় গ্ৰুপ মেচত দিল্লী এফ চি মুখামুখি হ'ব অসম পুলিছ ব্লুজৰ। উল্লেখ্য যে কৰৰা যুথ এথলেটিকছ ক্লাবৰ সহযোগত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আজি প্ৰথমদিনা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া সংগঠক প্ৰেমধৰ শৰ্মাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই আজিৰ খেলখন মুকলি কৰাৰ লগতে প্ৰতিযোগিতাৰ পতাকাও উত্তোলন কৰে। আনহাতে গুৱাহাটী ক্ৰীড়া সন্থাৰ প্ৰাক্তন উপ সভাপতি ৰঞ্জন কুমাৰ মেধিয়ে আয়োজক সংগঠনটোৰ পতাকা, ক্লাৱৰ সভাপতি শৰৎ চন্দ্ৰ কাকতিয়ে সহযোগী সংগঠনটোৰ আৰু ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি কৰুণাকান্ত ডেকাই জিলা সংগঠনটোৰ পতাকা উত্তোলন কৰে। আজিৰ খেলখনৰ ৰেফাৰীৰ দায়িত্বত থাকে তহিদ উল্লাহ ,গকুল দাস,প্ৰবীন কলিতা আৰু প্ৰভাত কলিতা।

### খেলপথাৰ পৰিদৰ্শন আৰক্ষী অধীক্ষকৰ

## আজিৰে পৰা দৰঙৰ ঘিলাকুৰিত বৰদলৈ ট্ৰফী



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৪ মাৰ্চ ঃ** দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘিলাকুৰিত 68 সংখ্যক ভাৰত ৰত্ন লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ 'চি'ৰ ছয়খন খেল কাইলৈৰ পৰা অনুষ্ঠিত হব। চাৰিটা আগশাৰীৰ দলৰ মাজত 25- 30 মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া সন্মানীয় প্ৰতিযোগিতাখন সুকলমে অনুষ্ঠিত কৰিবলৈ আয়োজক জোন জ্যোতি প্ৰগতি সংঘই ইতিমধ্যে খেলপথাৰ সাজু কৰি তোলাৰ লগতে খেলুৱৈৰ বাবে সাজঘৰ, অতিথি-দৰ্শকৰ বাবে পেভিলিয়নৰ কাম সম্পূৰ্ণ কৰি তুলিছে। দৰ্শকৰ বাবে দৈনিক টিকটÂ 30 , 50, এশ আৰু ঋতুকালীন টিকটৰ বাবে পাঁচশ আৰু এহেজাৰ টকাকৈ নিৰ্ধাৰণ কৰিছে। আজি এই প্ৰস্তুতিৰ লগতে বিয়লিৰ ধুমুহাজাকত হোৱা ক্ষয়ক্ষতিৰ বুজ লয় দৰঙৰ আৰক্ষী অধীক্ষক তথা মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি সুশান্ত বিশ্ব শৰ্মাই। তেওঁ আয়োজক সমিতিৰ স'তে আলোচনাত মিলিত হৈ প্ৰয়োজনীয় সহায় আগবঢোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে ধুমুহাজাকত পেণ্ডেল, অস্থায়ী পেভিলিয়ন, তোৰণ আদিৰ ক্ষয়ক্ষতি হয় যদিও নিশাৰ ভিতৰতে সকলো ঠিক হৈ উঠিব বুলি উপ-সভাপতি ভূপেন ৰাজবংশীয়ে কয়। কাইলৈ প্ৰথমখন মেচ অইল ইণ্ডিয়া, দুলীয়াজান আৰু তিনিচুকীয়া বডোছা স্পৰ্টচ ক্লাৱৰ মাজত অনুষ্ঠিত হ'ব। ইপিনে পোন প্ৰথমবাৰৰ বাবে জিলাখনত ঐতিহাসিক বৰদলৈ ট্ৰফীৰ খেল উপভোগ কৰিবলৈ ফুটবলপ্ৰেমীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। প্ৰতিযোগিতাৰ আন দুটা দল হৈছে নগালেণ্ড পুলিচ আৰু চি আই এছ এফ, দিল্লী।




### চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেটৰ সামৰণি

## গুৱাহাটী চিটি ক্ৰিকেট ক্লাব চেম্পিয়ন

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাৰ তত্বাৱধানত অনুষ্ঠিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি সফল সামৰণি পৰে। আজি আমিনগাঁও ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হয় প্ৰতিযোগিতাখনৰ ফাইনেলৰ মহাৰণ। চূড়ান্ত মেচত গুৱাহাটী চিটি ক্ৰিকেট ক্লাবে 88 ৰাণত পৰাস্ত কৰিলে তেজপুৰৰ দলটো। চিটি ক্ৰিকেট ক্লাবে প্ৰথমে বেট ধৰি 20 অভাৰত 5 উইকেটৰ বিনিময়ত 191 ৰাণৰ লক্ষ্য বান্ধি দিয়ে। প্ৰত্যুত্তৰত তেজপুৰৰ দলটোৱে 17-4 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে 102 ৰাণ। বিজয়ী দলক 10 লাখ টকাৰ চেকসহ ট্ৰফী প্ৰদান কৰে অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্তই। আনহাতে ফাইনেলিষ্ট দলক 5 লাখ টকাৰ চেকসহ ট্ৰফী প্ৰদান কৰে সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াই। ইফালে প্লেয়াৰ অৱ দ্য ফাইনেল মেচৰ সন্মান লাভ কৰে চিটি ক্ৰিকেট ক্লাবৰ শিৱ শংকৰ ৰয়ে। বৰপেটাৰ ত্ৰিৰংগা ক্লাবৰ সন্দীপ পালে শ্ৰেষ্ঠ ফিল্ডাৰ, চিটি ক্ৰিকেট ক্লাবৰ অভিজোৎ সিং সিদ্ধুয়ে শ্ৰেষ্ঠ বলাৰ, শ্ৰেষ্ঠ বেটাৰ ক্লাৱ ত্ৰিৰংগাৰ পল্লৱ কুমাৰ দাস আৰু চিটি ক্ৰিকেট ক্লাৱৰ ৰাহুল হাজৰিকাই অৰ্জন কৰিলে প্লেয়াৰ অৱ দ্য টুৰ্ণামেন্টৰ সন্মান। সামৰণি অনুষ্ঠানত উপস্থিত থাকে অসম ক্ৰিকেট সন্থাৰ উপ সভাপতি পৰীক্ষিত দত্ত, কোষাধ্যক্ষ ত্ৰিদিপ কোঁৱৰ, প্ৰাক্তন ৰঞ্জি ক্ৰিকেটাৰ নৱ কোঁৱৰকে আদি কৰি সন্থাৰ বিষয়-

## আজি ইণ্ডিয়া ক্লাবে খেলিব বিদ্যুতৰ বিৰুদ্ধে

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা 68 সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফীৰ কাইলে জজ খেলপথাৰত হ'বলগা মেচত শিলচৰৰ ইণ্ডিয়া ক্লাবে খেলিব বিদ্যুৎ পৰিষদৰ বিৰুদ্ধে। উল্লেখ্য যে বিদ্যুৎ পৰিষদ বৰদলৈ ট্ৰফীৰ পূৰ্ব চেম্পিয়ন। এইবাৰ প্ৰতিযোগিতাত অংশ লোৱা মুঠ 16 টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ'ৰ মেচ অনুষ্ঠিত হৈছে জজ খেলপথাৰত। উল্লেখ্য যে গ্ৰুপ 'এ'ৰ চাৰিটা দল গুৱাহাটী টাউন ক্লাব, বিদ্যুৎ পৰিষদ, আই টি বি পি আৰু শিলচৰৰ ইণ্ডিয়া ক্লাব। সূচী অনুসৰি চাৰিটা গ্ৰুপৰ পৰা চেম্পিয়ন এটা দলে প্ৰতিযোগিতাৰ ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। অহা পহিলা এপ্ৰিলত বৰদলৈ ট্ৰফীৰ ছেমিফাইনেল দুখন হোৱাৰ বিপৰীতে তিনি এপ্ৰিলত অনুষ্ঠিত হ'ব ফাইনেল।

## ৰাষ্ট্ৰীয় ছেপাকটাক্ৰ'লৈ অসম দল ৰাওনা



**গুৱাহাটী, ২৪ মাৰ্চ ঃ** ৰাজস্থানৰ ৰাজধানী চহৰ জয়পুৰ এছ এম এছ ইনড'ৰ ষ্টেডিয়ামত অহা 27 ৰ পৰা 31 মাৰ্চলৈ অনুষ্ঠিত হ'ব 25 সংখ্যক জুনিয়ৰ আৰু 24 সংখ্যক ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় ছেপাকটাক্ৰ' চেম্পিয়নশিপ। প্ৰতিযাগেিতাখন ল'ৰা আৰু ছোৱালী উভয় শাখাতে অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ বাবে অসম দলটো আজি গুৱাহাটীৰ পৰা ৰাওনা হৈছে। দলটোত 36 গৰাকী সদস্য অন্তৰ্ভুক্ত হোৱা বুলি এক বিজ্ঞপ্তিৰে জনাইছে অসম ছেপাক টাক্ৰ' সন্থাৰ সাধাৰণ সম্পাদক ডঃ বিযুৎৰাম নুনিছাই। দলৰ খেলুৱৈসকল হ'ল ঃ ল'ৰা (ছাব জুনিয়ৰ) ঃ ৰুমাৰিঅ' ৰাজ বুঢ়াগোঁহাই, কে, ৰোহিত সিংহা, এম অভিজিৎ সিনহা, হিলেম্বা লেইচৰাম, এ প্ৰিন্স সিনহা, চি এইচ হেমানন্দ সিনহা, চি এইচ মালেমগংবা সিংহা, খুমানগাংবা সিংহ। (জুনিয়ৰ) দীপাংকৰ লাহন, এম প্ৰেম কুমাৰ সিনহা, মালেমগংবা সিনহা, সুৰচান্দ সিনহা, অমৰজিৎ সিনহা, এইচ চিংগিয়েম্বা সিনহা, বিকাশ সিনহা, আকাশ সিনহা। ছোৱালী (ছাব জুনিয়ৰ) ঃ ঋতিকা সিনহা, এচ মঞ্জুলা দেৱী, এছ সুমা সিনহা, এল সঞ্জিতা দেৱী, অ' জুলিয়া দেৱী, থাজামংবি সিনহা, পুষ্প ভূজেল। (জুনিয়ৰ) ঃ কে, দেৱিতা সিনহা, চি এইচ জৈফাটম্বি দেৱী, টি.এইচ. প্ৰেমিতা দেৱা, এইচ, সঞ্জিতা সিনহা, নম্ৰতা সিনহা, ইনুনগানবি চানু, পৰিটা সিনহা, প্ৰীতি মণ্ডা।

## আজি ইউনাইটেড চিৰাং মুখামুখি হ'ব নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ

**গুৱাহাটী, ২৪ মাৰ্চ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা 68 সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফীৰ মেচ কাইলৈৰ পৰা হ'ব চিৰাঙতো। উল্লেখ্য যে প্ৰতিযোগিতাৰ আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিতো অনুষ্ঠিত কৰিছে। গুৱাহাটীৰ লগতে আজিৰে পৰা বাইহাটা চাৰিআলিতো আৰম্ভ হৈছে দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা 68 সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফীৰ খেল। আনহাতে, চিৰাং আৰু ছিপাঝাৰত বৰদলৈ ট্ৰফী আৰম্ভ হ'ব কাইলৈৰ পৰা। 'ডি'ৰ মেচসমূহ অনুষ্ঠিত হ'ব চিৰাঙত। ইউনাইটেড চিৰাং এফ চি, নৰ্থ ইষ্ট ইউনাইটেড এফ চি, ছিলং লাজং এফ চি আৰু অসম ৰেজিমেণ্টল চেণ্টাৰে খেলিব চিৰাঙত। কাইলৈ প্ৰথম মেচত ইউনাইটেড চিৰাং এফ চি মুখামুখি হ'ব নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ।



## ৰত্নকান্ত-ললিতা পাঠক ক্ৰিকেটত অ'এমচিচি ফাইনেলত

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৪ মাৰ্চ ঃ** ওদালগুৰি ক্ৰিকেট কোচিং চেণ্টাৰৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰয়াত ৰত্নকান্ত পাঠক আৰু প্ৰয়াত ললিতা পাঠক সোঁৱৰণী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অন্তিমখন ছেমিফাইনেল খেলত অ'এমচিচি ওদালগুৰিয়ে জেনিথ ক্লাৱ ওৰাঙক 70 ৰাণত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে ওদালগুৰিয়ে নিৰ্ধাৰিত 20 অভাৰত তিনিটা উইকেট হেৰুৱাই প্ৰদীপ সৰকাৰৰ 49 ৰাণৰ বৰঙণিৰে 176 ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ওৰাঙে 16.5 অভাৰত 106 ৰাণতে ইনিংছ সামৰে। অ'এমচিচিৰ আমিনুল হাছানে পাঁচটা উইকেট দখল কৰে। প্ৰতিযোগিতাখনিৰ ফাইনেল খেলখন 27 মাৰ্চত অ'এমচিচি ওদালগুৰি বনাম বিকে চেলেঞ্জাৰ নলবাৰীৰ মাজত অনুষ্ঠিত হ'ব।



## দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ২-১ ত এদিনীয়া শৃংখলা জয় বাংলাদেশৰ

**চেঞ্চুৰিয়ন, ২৪ মাৰ্চ ঃ** বাংলাদেশে দক্ষিণ আফ্ৰিকাক তৃতীয় মেচত ন উইকেটত পৰাস্ত কৰি তিনিখনীয়া এদিনীয়া শৃংখলাটো 2-1 ৰ ব্যৱধানত দখল কৰিছে। যোৱানিশাৰ মেচত দাক্ষিণ আফ্ৰিকা 37 অভাৰতে অলআউট হয় 154 ৰাণত। বাংলাদেশৰ তাস্কিনে পাঁচটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে তামিম ইকবালৰ 87 ৰাণৰ সহায়ত 26.3 অভাৰত এক উইকেটত 156 ৰাণ কৰি মেচ তথা শৃংখলাত জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন এদিনীয়া মেচত বাংলাদেশক সাত উইকেটত পৰাস্ত কৰি চলিত তিনিখনীয়া শৃংখলাত 1-1 ত সমতা স্থাপন কৰিছিল। জোহান্সবাৰ্গত অনুষ্ঠিত হোৱা দ্বিতীয়খন এদিনীয়া মেচত পোনতে বেটিং কৰা বাংলাদেশে ন উইকেটত 194 ৰাণ কৰে। দলৰ হৈ আফিফ হুছেইনে 72 ৰাণ কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাৰ হৈ ৰাবাডাই পাঁচটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত, দক্ষিণ আফ্ৰিকাই তিনি উইকেটত 195 ৰাণ কৰি হেলাৰঙে জয় অৰ্জন কৰে। ডিক'কৈ কৰে 62 আৰু ভেৰেনিয়ে 58 ৰাণ কৰে। উল্লেখ্য যে তিনিখনীয়া শৃংখলাৰ প্ৰথমখন মেচত বাংলাদেশে জয়লাভ কৰিছিল।

## বিলাসনন্দন চ'ৰা



# গছে গছে কথা পাতে

**দুডাল** গছ। হাইৱে'ৰ কাষতেই থিয় হৈ আছে। ইটোৱে ক'ৰবাৰ পৰা উৰি অহা পেপাৰৰ টুকুৰা এটালৈ চালে। পেপাৰৰ টুকুৰাটো পঢ়ি কাষৰ গছডালক ক'লে—'হেৰা, দেখিছা নে নাই?'

ঃ কি?

ঃ হেডলাইন!

ঃ কিনো?

ঃ পঢ়ি নোচোৱানো কিয়?

ঃ তুমি পঢ়িছা, তুমিয়ে কৈ নিদিয়া কিয়?

ঃ বৰ টায়াৰ্ড হৈ গৈছোহে! কতদিন এটোপ বৰষুণ নাই।

ঃ হয় দিয়া। লিডাৰবোৰৰ কথা বেলেগ। কিন্তু এনেকৈ সকলোৰে দেখাকৈ নাঙঠ হৈ ৰাস্তাৰ দাঁতিত খাড়া হৈ থাকিবলৈ লাজ লাগে নহয়।

ঃ বৰ কষ্ট হৈছেহে! খাবলৈ পানী এটুপি নাই।

ঃ যোৱা বাৰিষাটোৰ কথা মনত আছে নে নাই?

ঃ কিয় মনত নাথাকিব? বাৰিষাত মাত্ৰ দুদিন ভালকৈ বৰষুণ দিছিল।

ঃ বৰষুণ লাহে লাহে কমি অহাটো হয়।

ঃ তাৰপাছতো দেখিছানে কি কৰিছে?

ঃ কি কৰিছে?

ঃ ৰজাঘৰে আমাৰ জ্ঞাতি-কুটুম্ববোৰক কাটি তহিলং কৰিছে।

ঃ কিহৰ কাৰণে?

ঃ সৰকা বিকাছৰ কাৰণে।

ঃ সেইটো আকৌ কি বস্তু?

ঃ নাজানো নহয়।

ঃ বিকাছ কাৰোবাৰ নাম নেকি?

ঃ নহয় নেকি?

ঃ কিবা নতুন প্ৰজাতিৰ কাছ ওলাইছে নেকি?

ঃ নাই, নহয়।

ঃ তেন্তে কিনো?

ঃ চলতি ভাষাত বিকা মানে বেচা! যিয়ে বেচি ভাল পায়, তাকেই বিকাছ বোলে নেকি?

ঃ হ'ব পাৰে।

ঃ নাইবা বিকাছটো চাব্বাছজাতীয় বস্তু হ'ব পাৰে। সাধাৰণতে ভাল কাম কৰিলেহে চাব্বাছ দিয়া যায়। যিয়ে একোকে নকৰে, তাক চাগে পিঠিত থপৰিয়াই বিকাছ বুলি কোৱা হয়।

ঃ হ'ব পাৰে।

ঃ কিন্তু বিকাছৰ কাৰণে যে আমাৰ জ্ঞাতি-কুটুম্বক কটা হ'ল, সেই পইণ্টটোহে বুজি নাপালো।

ঃ ময়ো বুজি নাপালো। এনেয়ে দেখোন বকিয়ে থাকে—আমি নাথাকিলে বোলে নেচাৰৰ বেলেন্স নাইকিয়া হৈ যায়।

ঃ ক'ৰবাত হয়তো বেলেন্স বাঢ়িব আমাক কাটি বিকাছ কৰিলে!

ঃ কিহত বেলেন্স বাঢ়িব?

ঃ বেংক একাউণ্টত।

ঃ কাৰ একাউণ্টৰ বেলেন্স বাঢ়িব?

ঃ যিয়ে সৰকা বিকাছ কৰি ফুৰে।



ঃ প্ৰকৃতিপ্ৰেমীবোৰেও একো মতা নাই যে!

ঃ আজিৰ দিনত কোনেনো এজনীৰ লগত প্ৰেম কৰি থাকে। সিহঁতেও চাগে প্ৰকৃতিক এৰি আকৃতি, বিকৃতি আদিক গোটাই লৈছে।

ঃ এটা কথা মই বুজি পোৱা নাই।

ঃ কি কথা?

ঃ ৰজাঘৰে দেখোন সৰ বেচি গৈ আছে।

ঃ অ' আছে। তাতে কি হ'ল?

ঃ কিন্তু আমাৰ বেলিকা সিদ্ধান্তবোৰ বেলেগ কিয় হ'ল?

ঃ কি বেলেগ হ'ল?

ঃ নহয় মানে আমাক নেবেচি যে এমূৰৰ পৰা কাটি সৰ চাফা কৰিব ধৰিছে।

ঃ এইটোৱে সেইটো!

ঃ কোনটো?

ঃ স্বচ্ছ ভাৰত অভিযান। চাফা কৰি গৈ আছে।

ঃ এনেকৈ চাফা কৰিলে দেখোন এদিন মৰুভূমি হ'ব!

ঃ এয়াই গুজৰাট-মডেল! গুজৰাটতো মৰুভূমি নাই জানো?

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# মৃতদেহ পচি বিষাক্ত কৰি তুলিছে ইউক্ৰেইন



## কে'বা হেজাৰ মৃত ৰুছ সেনাৰ শৰীৰ হৈছে চিলনী-শগুনৰ খাদ্য ঃ নিৰ্বিকাৰ পুটিন

**নিউজ ব্যুৰ'**

**কিয়েভ, ২৪ মাৰ্চ ঃ** ইউক্ৰেইনৰ আকাশ-বতাহ সম্প্ৰতি বিষাক্ত হৈ পৰিছে মৃত মানুহৰ পচন ধৰা শৰীৰৰ দুৰ্গন্ধত। ধ্বংসস্তূপত পৰিণত হোৱা ইউক্ৰেইনৰ অধিকাংশ চহৰতে এতিয়া চিলনী-শগুনৰ দপ্‌দপনি। য'তে ত'তে সিঁচৰতি হৈ থকা দুই পক্ষৰ সৈনিক তথা সাধাৰণ মানুহৰ পচা মৃতদেহসমূহৰ বাবে এতিয়া কাউৰী-শগুন-চিলনী আদিৰ মহাভোজ হৈছে। সম্প্ৰতি এয়াই যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ৰাস্তা-ঘাটৰ সুলভ দৃশ্য। স্থানীয় সংবাদ মাধ্যমে দাবী কৰিছে যে ৰাস্তা-ঘাটত সিঁচৰতি হৈ পৰি থকা মৃতদেহসমূহৰ সিংহভাগেই ইউক্ৰেইনত যুদ্ধ কৰিবলৈ অহা ৰুছ সেনাৰ। অথচ মস্কোৱে এতিয়াও যুদ্ধত তেওঁলোকৰ ক্ষয়-ক্ষতিৰ আনুষ্ঠানিক তথ্য সদৰী কৰা নাই। ফলত স্বাভাৱিকভাৱেই ইউক্ৰেইনৰ বিভিন্ন স্থানত পৰি ৰৈছে ৰুছ সেনাৰ মৃতদেহৰ স্তূপ।

নেটো আৰু আমেৰিকাৰ তৰফৰ পৰা প্ৰাপ্ত তথ্য বিশ্লেষণ কৰি সংবাদ মাধ্যম চিএনএনে জনাইছে যে ইউক্ৰেইনৰ ৰাস্তাত পৰি থকা মৃত ৰুছ সেনাৰ সংখ্যা তিনি হেজাৰৰ পৰা ১০ হেজাৰৰ ভিতৰত। যদিও ইউক্ৰেইন চৰকাৰে ইতিমধ্যে দাবী কৰিছে যে এই যুদ্ধত এই পৰ্যন্ত প্ৰায় ১৫ হেজাৰ ৰুছ সেনাৰ মৃত্যু হৈছে। ইয়াৰে সিংহভাগ মৃতদেহেই নিব বিচৰা নাই ৰাছিয়াই। সেইবোৰেই এতিয়া ৰাস্তাত পৰি থাকি পচন ধৰি বিষাক্ত পৰিৱেশৰ সৃষ্টি কৰিছে। উল্লেখ্য যে যোৱা ২৪ ফেব্ৰুৱাৰীত প্ৰায় ডেৰ লাখ ৰুছ সেনাই ইউক্ৰেইনত প্ৰৱেশ কৰি আক্ৰমণ আৰম্ভ কৰে। তেতিয়াৰ পৰাই বিগত ২৯টা দিনে ভয়ংকৰ ৰক্তক্ষয়ী যুদ্ধ অব্যাহত আছে। অৱশ্যে এই পৰ্যন্ত ৰাজধানী কিয়েভসহ ইউক্ৰেইনৰ গুৰুত্বপূৰ্ণ চহৰসমূহ ৰাছিয়াই দখল কৰিব পৰা নাই। বৰঞ্চ দুই-এক চহৰৰ দখল এৰি ৰুছ সেনাই পাছ হোঁহুকাৰ বাতৰিহে প্ৰকাশ পাইছে।

এক সূত্ৰই দাবী কৰিছে যে ক্ষয়-ক্ষতিৰ দিশত হিচাপত সামান্য খেলিমেলি কৰিছে ৰাছিয়াই। যুদ্ধ যেতিয়া আৰম্ভ হৈছিল, তেতিয়া আছিল বৰফ পৰাৰ ঋতু। অথচ দিন আগুৱাই যোৱাৰ লগে লগে ইউক্ৰেইনত আহি পৰিছে বসন্ত। প্ৰথমে প্ৰবল তুষাৰপাতৰ সময়ত যেতিয়া ৰুছ সেনাৰ মৃতদেহ, ৰাস্তা-ঘাটত পৰি ৰৈছিল, তেতিয়া মৃতদেহত পচন ধৰাৰ সম্ভাৱনা কম আছিল। অথচ বসন্ত ঋতুত সেই বিষয়টোৱেই প্ৰধান সমস্যাৰ কাৰণৰূপে দেখা দিছে।

কিয়নো ইতিমধ্যেই দেশখনত বৰফ পৰাৰ মাত্ৰা যথেষ্ট পৰিমাণে কমিছে। ইতিমধ্যে ইউক্ৰেইনে মৃতদেহসমূহ আঁতৰোৱাৰ বাবে ৰেডক্ৰছক আবেদন জনাইছে। যদিও ৰাছিয়াই নিজৰ সেনাৰ মৃতদেহ ঘূৰাই নল'লে ৰেডক্ৰছেও একো কৰিব নোৱাৰে বুলি জনাইছে। এই প্ৰসংগতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেন'স্কীয়ে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক কটাক্ষ কৰিবলৈ এৰা নাই। জেলেন'স্কীয়ে কয়, 'ৰুছসকলে যে লগত এটা সমাধিক্ষেত্ৰ আনিছে বুলি বাৰু আপোনালোকে জানেনে? আচলতে পুটিনে মৃত সেনাসকলৰ দেহ তেওঁলোকৰ ঘৰৰ মানুহৰ হাতত তুলি দিব নিবিচাৰে। আচলতে পুটিনৰ মৃত সেনাসকলৰ মাতৃসকলক জনোৱাৰ ক্ষমতা নাই যে তেওঁলোকৰ সন্তানৰ ইউক্ৰেইনত মৃত্যু হৈছে।'

# বৰছলাৰ পিৰাকটাৰ শ্ৰীশ্ৰীহৰিনাম মন্দিৰৰ অখণ্ড হৰিনাম সংকীৰ্তনৰ সামৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৪ মাৰ্চ ঃ** শ্ৰীশ্ৰীহৰিনামৰ ধ্বনিৰে মুখৰিত হ'ল বৰছলা বিধানসভা সমষ্টিৰ পিৰাকটা গাঁৱৰ আকাশ-বতাহ। বিশ্বজুৰি অস্থিৰতাৰ সৃষ্টি কৰা অপশক্তিৰ বিনাশ ঘটাই বিশ্বত ঐক্য, শান্তি, ভ্ৰাতৃত্ববোধ প্ৰতিষ্ঠা কৰাৰ মানসৰে পিৰাকটা গাঁও পঞ্চায়ত অঞ্চলৰ দুই নম্বৰ পিৰাকটা গাঁৱত অনুষ্ঠিত অখণ্ড হৰিনাম সংকীৰ্তনৰ আজি সামৰণি পৰিছে। ১৯৮৪ত পিৰাকটা গাঁও পঞ্চায়তৰ বাসিন্দা প্ৰয়াত অনিৰুদ্ধ সেন, ক্ষিতিশ ৰায়ৰ উপৰি বীৰেন্দ্ৰ চৰকাৰ, নিৰদ সেনৰ ত্যাগ আৰু অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজৰ প্ৰচেষ্টাত স্থাপিত শ্ৰীশ্ৰীহৰিনাম মন্দিৰত অনুষ্ঠিত কৰা হয় এই অখণ্ড হৰিনাম সংকীৰ্তনৰ। মন্দিৰৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজৰ প্ৰচেষ্টাত তপন কুমাৰ গোস্বামীৰ পৰিচালনাতে পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হয় শ্ৰীমৎ ভাগৱত অখণ্ড হৰিনাম সংকীৰ্তনৰ। ১৯৮৪ৰ পৰাই অবিৰতভাৱে ইয়াত আয়োজন কৰি আহিছে এই অখণ্ড হৰিনাম সংকীৰ্তনৰ।

৩৮ বছৰ গৰকা শ্ৰীশ্ৰীহৰিনাম মন্দিৰত বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো ৰাইজৰ দান বৰঙণিৰ দ্বাৰাই যোৱা ২০ মাৰ্চৰ পৰা আৰম্ভ হৰিনাম সংকীৰ্তনত আজি হেজাৰ হেজাৰ ভক্তৰ উপস্থিতিত আনন্দ-উলাহৰ মাজত সফল সামৰণি পৰে। মন্দিৰ পৰিচালনা সমিতিৰ আমন্ত্ৰণ ৰক্ষা কৰি অখণ্ড হৰিনাম সংকীৰ্তনৰ সামৰণি অনুষ্ঠানত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্য উপস্থিত হৈ সেৱা জনাই কয় যে যি সময়ত দেশজুৰি হিংসা, অত্যাচাৰ, হত্যাৰ দৰে অপৰাধজনিত ঘটনা দৈনিক বৃদ্ধি পাইছে আৰু একাংশ জনতাৰ মনত আক্ৰোশ, অশান্তি, প্ৰতিশোধৰ দাৰে মানসিকতাই স্থান লৈছে তেনে সময়ত দুই নম্বৰ পিৰাকটাৰ শ্ৰীশ্ৰীহৰিনাম মন্দিৰত অনুষ্ঠিত হৰিনাম সংকীৰ্তনে সকলোৰে মনলৈ শান্তিৰ বাৰ্তা কঢ়িয়াই আনক আৰু অপশক্তিৰ বিনাশ ঘটাওক।

অখণ্ড হৰিনাম সংকীৰ্তনৰ সামৰণি অনুষ্ঠানত শ্ৰীশ্ৰীহৰিনাম মন্দিৰৰ পৰিচালনা সমিতিৰ সভাপতি মৃণাল দত্ত, ২০২২ বৰ্ষৰ অখণ্ড হৰিনাম সংকীৰ্তন পৰিচালনা সমিতিৰ সভাপতি প্ৰিয়কুমাৰ ৰায়, সম্পাদক মৃদুল চৰকাৰ, সহকাৰী সম্পাদক ৰূপক দত্ত, উপদেষ্টা ৰাজকুমাৰ ৰায়, দীপক দত্ত, স্বপন হাজাৰী, সদস্য ক্ৰমে ঘনশ্যাম দত্ত, অতুল সেন, চিত্ত ৰায়, নিতেশ ৰায়সহ পৰিচালনা সমিতিৰ প্ৰতিগৰাকী সদস্যই এই অনুষ্ঠানটোত সহযোগিতা আগবঢ়ায়।

# শুকাই তলি উদং ব্ৰহ্মপুত্ৰত নিশাৰ ভিতৰতে ওফন্দি উঠিল বুকু



## অস্বাভাৱিক জলস্তৰ বৃদ্ধিত মাজুলীৰ পাৰঘাটত অথন্তৰ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৪ মাৰ্চ ঃ** 'হঠাতে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পালে। ধূলিৰে ধূসৰিত খৰাং বতৰে সমস্যাত পেলোৱা মাজুলীত ব্ৰহ্মপুত্ৰৰ অস্বাভাৱিক জলস্তৰ বৃদ্ধিত আতংকিত হৈছে নৈপৰীয়া ৰাইজ। ইয়াকে লৈ চিন্তিত হৈছে কৃষকসকল। খৰাং বতৰৰ বাবে বাওখেতিত হাত দিবলৈ নৌপাওঁতেই আবতৰীয়া বানে পেটৰ ভাত মুঠি কাঢ়ি নিয়াৰ আশংকা কৰিছে কৃষিজীৱী ৰাইজে। অৰুণাচলত কোনো বৰষুণ নোহোৱাকৈ কেনেকৈ বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰৰ জলস্তৰ ইয়াকে লৈ সৰৱ চৰ্চা চলিছে মাজুলীত। এয়া প্ৰকৃতিৰ পৰিবৰ্তন নে চীনে নিৰ্মাণ কৰা নদী বান্ধৰ প্ৰভাৱ তালৈ উৰাবাতৰি ওলাইছে মাজুলীত। ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পোৱাৰ বাবে ফেৰী চলাচল কৰাত যথেষ্ট বিপদসংকুল হৈছিল। কিন্তু নিশাৰ ভাগত অস্বাভাৱিকভাৱে প্ৰায় দুই মিটাৰ পৰ্যন্ত পানী বাঢ়ি যোৱাৰ ফলত নদীৰ মাজত ওপঙি ৰৈছে ফেৰী। মাজুলীৰ প্ৰতিটো পাৰঘাটৰ ৰেম্পবিলাক ডুব যোৱাৰ ফলত ঘাট স্থানান্তৰ কৰিবলগীয়া হৈছে। সেইবাবে সময়মতে যাত্ৰী পাৰাপাৰ কৰিব নোৱাৰাত যাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। পলমকৈ হ'লেও ফেৰী সেৱা অব্যাহত ৰাখিছে জলপৰিবহণ বিভাগে। বাতৰি লিখাৰ পৰলৈকে জলস্তৰ বৃদ্ধি পাই আছে। বৃদ্ধি অব্যাহত থাকিলে ফেৰী সেৱাকে ধৰি বহুকেইটা সমস্যা সৃষ্টি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

# তুলিৰাম ৰংহাঙৰ নেতৃত্বত কাৰ্বি আংলঙত কেৱল লুণ্ঠন হৈছে ঃ বৰা

**বিশেষ সংবাদদাতা**

**খেৰণি, ২৪ মাৰ্চ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই আজি পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকামত উপস্থিত হয়। ডংকামোকামৰ ব্লক কংগ্ৰেছ কাৰ্যালয়ত অনুষ্ঠিত এখন দলীয় সভাত অংশ গ্ৰহণ কৰি তেওঁ কয়, 'তুলিৰাম ৰংহাঙৰ নেতৃত্বত কাৰ্বি আংলঙত কেৱল লুণ্ঠন হৈছে, প্ৰাকৃতিক সম্পদৰ ছিণ্ডিকেট চলায় লুণ্ঠন কৰিছে। চৰকাৰী ধনৰ শৰাধ কৰাৰ লগতে উন্নয়নৰ ধন লুটপাট কৰিছে।' বিজেপি চৰকাৰ আৰু তুলিৰামৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি অনাগত কাৰ্বি পৰিষদৰ নিৰ্বাচনত কাৰ্বি আংলঙত বিজেপিৰ বিজয়যাত্ৰা নাইকীয়া হ'ব আৰু কংগ্ৰেছ দলেই কাৰ্বি পৰিষদীয় চৰকাৰ গঠন কৰিব বুলি দাবী কৰে বৰাই। উক্ত অনুষ্ঠিত সভাত শাসকীয় দলৰ অৰ্ধ শতাধিক লোকে কংগ্ৰেছত যোগদান কৰে। সভাখনত উপস্থিত থাকে ক্ৰমে প্ৰাক্তন মন্ত্ৰী অজিৎ সিং, খৰছিং ইংতি, অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সাধাৰণ সম্পাদক ক্ৰমে গোলাপ শইকীয়া, মং-ৰে ৰংপি, নিৰ্মল লাংথাছা, প্ৰাক্তন পৰিষদীয় সদস্য ইলিছ ইংতিপি, পশ্চিম কাৰ্বি আংলং জিলা কংগ্ৰেছ সভাপতি ছাৰ্থে ক্ৰামছা, জিলা যুৱ কংগ্ৰেছৰ অগষ্টীন ইংহি আদি।

# বৰম্বে ক্ষুদ্ৰ পশু স্বাস্থ্য কেন্দ্ৰৰ দুৰৱস্থা ঃ বিধ্বস্ত গৃহত চলাইছে স্বাস্থ্যসেৱা

## স্থায়ী গৃহ-আন্তঃগাঁথনিৰ দাবী স্থানীয় পশুপালক- কৃষক-ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৪ মাৰ্চ ঃ** পশু চিকিৎসা বিভাগৰ চৰম অৱহেলাত সম্প্ৰতি একাংশ পশু চিকিৎসা কেন্দ্ৰত নিয়োজিত চিকিৎসক-কৰ্মচাৰীয়ে ভীষণ অসুবিধাৰ মাজেৰে চলাবলগীয়াত পৰিছে চিকিৎসা সেৱা। একাংশ পশু ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰৰ বিপৰীতে চিকিৎসক-কৰ্মচাৰী নিয়োজিত হৈ আছে যদিও আন্তঃগাঁথনি আৰু স্থায়ী গৃহৰ অভাৱত চিকিৎসা সেৱাৰ নামত বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিছে। তেনে এখন পশু স্বাস্থ্য কেন্দ্ৰৰ জ্বলন্ত নিদৰ্শন হিচাপে চিহ্নিত হৈ পৰিছে কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰম্বে ক্ষুদ্ৰ পশু স্বাস্থ্য কেন্দ্ৰটো। উল্লেখ যে বৰম্বে ক্ষুদ্ৰ পশু চিকিৎসা কেন্দ্ৰটো দীৰ্ঘদিন পূৰ্বে বৰম্বে পাহাৰৰ দাঁতিত স্থাপন কৰিছিল। পশু চিকিৎসা কেন্দ্ৰটোৰ এটি স্থায়ী গৃহও আছিল। সেই স্থানতে দীৰ্ঘদিন ধৰি বৃহত্তৰ বৰম্বে অঞ্চলৰ পশুপালক, কৃষকসকলৰ গৰু, ম'হ, ছাগলী, হাহ, কুকুৰাৰ চিকিৎসাসেৱা অব্যাহত আছিল। কিন্তু সময়ৰ গতিত পশু স্বাস্থ্য কেন্দ্ৰটোৰ স্থায়ী গৃহটি জহি-খহি যাবলৈ ধৰে আৰু কালক্ৰমত জৰাজীৰ্ণ গৃহটি নিশ্চিহ্ন হৈ পৰে যদিও কেন্দ্ৰটোৰ বিপৰীতে নিয়োজিত চিকিৎসক, কৰ্মচাৰীসকলে বহু অসুবিধাৰ মাজেৰে চিকিৎসা সেৱা আগবঢ়াই আহিছে। সম্প্ৰতি স্থানীয় ৰাইজৰ সহযোগত বৰম্বে ক্ষুদ্ৰ পশু চিকিৎসা কেন্দ্ৰটো বৰম্বে খেলপথাৰস্থিত পাইকা গৃহলৈ স্থানান্তৰিত হৈছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় পশুপালক, কৃষক আৰু সৰ্বসাধাৰণ ৰাইজে প্ৰয়োজনীয় গৃহ তথা আন্তঃগাঁথনিৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# ৰেৱত চন্দ্ৰ মহন্তৰ সোঁৱৰণত বঁটা প্ৰদানৰ সিদ্ধান্ত নগাঁও জিলা সত্ৰ মহাসভাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ মাৰ্চ ঃ** নগাঁও জিলা সত্ৰ মহাসভাই গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণক সিদ্ধান্ত মৰ্মে চলিত বৰ্ষৰ পৰা সত্ৰীয়া সংস্কৃতিৰ সাধক, চিন্তাশীল লেখক তথা সমাজসেৱী ৰেৱত চন্দ্ৰ মহন্তৰ নামত বঁটা প্ৰদান কৰিব। নগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক উৎপল মহন্তই বঁটা প্ৰদানৰ সিদ্ধান্তৰ কথা সদৰী কৰিছে। নগাঁও চহৰৰ ফৌজদাৰী পট্টিৰ শ্ৰীমন্ত গোপাল দেৱ আতা মন্দিৰত আজি অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাই এই সিদ্ধান্ত গ্ৰহণ কৰে। সাহিত্য, সংস্কৃতি, সমাজৰ প্ৰতি অৱদান আগবঢ়োৱা আধ্যাত্মিক দিশৰ লগতে সত্ৰীয়া সংস্কৃতিৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যক্তিক আগবঢ়োৱা হ'ব ৰেৱত চন্দ্ৰ মহন্ত সোঁৱৰণী বঁটা। প্ৰয়াত ৰেৱত মহন্তৰ পৰিয়ালৰ লোকৰ সহযোগত নগাঁও জিলা সত্ৰ মহাসভাই প্ৰতি বৰ্ষৰ ১৫ নৱেম্বৰত সত্ৰীয়া সংস্কৃতি দিৱসৰ দিনা এই বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই বঁটাত থাকিব নগদ ধন, মানপত্ৰ, স্মাৰক, অংগবস্ত্ৰ আদি।

# মেৰাপানী সীমান্তত অব্যাহত চোৰাং কয়লাৰ অবাধ বেহা

## নিতৌ সৰবৰাহ হৈ আছে ট্ৰাকে ট্ৰাকৈ কয়লা, অবৈধ সৰবৰাহ নিয়ন্ত্ৰণ কৰিবলৈ ছাত্ৰ সন্থাৰ দাবী



**অগ্ৰদুত বাৰ্তা**

**মেৰাপানী, ২৪ মাৰ্চ ঃ** অসম-নগালেণ্ড সীমান্তৱৰ্তী মেৰাপানী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত গঢ় লৈ উঠিছে চোৰাং কয়লাৰ এক বিশাল সাম্ৰাজ্য। একাংশ ক'লা বেপাৰীয়ে ছিণ্ডিকেটৰ ৰূপ দি মেৰাপানী সীমান্তৰ পৰা নিতৌ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে বহিঃৰাজ্যলৈ অবাধে সৰবৰাহ কৰি আছে ট্ৰাকে ট্ৰাকে কয়লা। নীতিবৰ্হিভূতভাৱে নগালেণ্ডত কয়লা খনন কৰি মেৰাপানীৰ ক'লাজান, সৰুপানী, আপাৰ মেৰাপানী আদি স্থানত মজুত কৰি ট্ৰাকৰ সহায়ত ভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰি আহিছে চোৰাং ব্যৱসায়ীসকলে। বিশেষকৈ সন্ধিয়াৰ সময়ছোৱাত মেৰাপানী-গোলাঘাট পথেৰে নিতৌ একাধিক চোৰাং কয়লা বোজাই কৰা ট্ৰাকৰ চলাচলৰ দৃশ্য এতিয়া সুলভ হৈ পৰিছে মেৰাপানীবাসীৰ বাবে। ইয়াৰে অধিকাংশ ট্ৰাকেই ভুৱা নথিপত্ৰ অথবা নথিপত্ৰ অবিহনেই কয়লা সৰবৰাহ কৰি আহিছে বুলি অভিযোগ উত্থাপন কৰিছে অঞ্চলটোৰ সচেতন মহলে। আশ্বৰ্যকৰ বিষয়টো হ'ল, মেৰাপানী সীমান্তত আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে গিজ্‌গিজাই থকা সত্ত্বেও বিনাদ্বিধাই অবৈধভাৱে কয়লা বোজাই কৰা ট্ৰাকসমূহে প্ৰতিদিনে সন্ধিয়া চলাচল কৰি আহিছে।

উল্লেখ্য যে কোনো অদৃশ্য শক্তিৰ আশিসপুষ্ট কয়লা মাফিয়াসকলক আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিব নোৱৰা কাৰ্যক সন্দেহৰ দৃষ্টিৰে চাইছে মেৰাপানী সীমান্তবাসীয়ে। স্থানীয় সূত্ৰই জনোৱা মতে, জনৈক কোঁৱৰ, সেন, শৰ্মা আৰু থাপা উপাধিধাৰী চাৰি কয়লা মাফিয়াৰ পৃষ্ঠপোষকতাতে মেৰাপানী সীমান্তত কয়লাৰ বৃহৎ ছিণ্ডিকেট গঢ় লৈ উঠিছে। কোনো ধৰণৰ মজুতকৰণৰ অনুজ্ঞাপত্ৰ নথকাকৈ নগালেণ্ডৰ ভুৱা চালানকে সাৰথি কৰি এনেদৰে কয়লা সৰবৰাহৰ সময়ত একাংশ গুণ্ডা প্ৰকৃতিৰ লোকে ট্ৰাকসমূহ ৰাষ্ট্ৰীয় ঘাইপথ পৰ্যন্ত আগবঢ়াই নিয়া সততে পৰিলক্ষিত হয় বুলিও সূত্ৰই জনাইছে।

ইফালে, কয়লা বোজাই কৰা গধূৰ গধূৰ ট্ৰাকসমূহে অবাধে চলাচল কৰাত বিধ্বস্ত হ'বলৈ ধৰিছে মেৰাপানী সীমান্তৰ গ্ৰামাঞ্চলৰ বহুকেইটা বাট-পথ। শাসনাধিষ্ঠিত মিত্ৰজোঁটৰ চৰকাৰখনে ছিণ্ডিকেট নিৰ্মূলৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণৰ কথা ঘোষণা কৰিলেও ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বৰ্তমানেও অব্যাহত আছে বৃহৎ বৃহৎ ছিণ্ডিকেট। মেৰাপানী সীমান্তৰ চোৰাং কয়লাৰ এই অবাধ বেহা নিয়ন্ত্ৰণৰ বাবে গোলাঘাট জিলাৰ আৰক্ষী প্ৰশাসনক আহ্বান জনাইছে দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাই।

# পুনৰ অগ্নিসংযোগ বালিপৰা সংৰক্ষিত বনাঞ্চলত



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৪ মাৰ্চ ঃ** শোণিতপুৰৰ বালিপৰা সংৰক্ষিত বনাঞ্চলৰ অৱশিষ্ট অংশত অব্যাহত আছে দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰা ঘটনা। বিগত সময়ছোৱাত বছৰি এনে সময়ত বালিপৰা আৰু চেঙেলীমাৰি সংৰক্ষিত বনাঞ্চলত সংঘটিত হৈছে অগ্নিসংযোগৰ ঘটনা। এইবাৰ বালিপৰা সংৰক্ষিত বনাঞ্চলত পঞ্চমবাৰলৈ এনে ঘটনাৰ পুনৰাবৃত্তি ঘটে মাত্ৰ এপষেকৰ ভিতৰত। স্থানীয় বন বিভাগে এয়া কোনো লোকে অসাৱধানবশতঃ পেলাই দিয়া বিড়ি-চিগাৰেটৰ টুকুৰাৰ পৰা সংঘটিত হোৱা বুলি প্ৰকাশ কৰি আহিলেও স্থানীয় প্ৰকৃতিপ্ৰেমীসকলে এয়া পৰিকল্পিত কাৰ্য বুলি অভিহিত কৰি আহিছে। তদুপৰি এনে ঘটনা এবাৰ-দুবাৰ নহয়, কে'বাবছৰে ধাৰাবাহিকভাৱে তথা অগ্নিনিৰ্বাপণৰ পাছতে পুনৰ সংঘটিত কৰা কাৰ্যই এয়া পৰিকল্পিত আৰু উদ্দেশ্য প্ৰণোদিত বুলি মন্তব্য কৰিছে স্থানীয় একাংশ লোকে। উল্লেখ্য যে যোৱা নিশাও নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰে সংলগ্ন বালিপৰা সংৰক্ষিত বনাঞ্চলখনত একাংশ দুৰ্বৃত্তই অগ্নিসংযোগ কৰে। দাওদাওকৈ জ্বলি উঠা এই জুই বৃহৎ অংশলৈ বিয়পাৰ পূৰ্বেই ঘটনাস্থলীত উপস্থিত হোৱা বনকৰ্মীয়ে নিৰ্বাপণ কৰিবলৈ সক্ষম হয়।

উল্লেখ্য যে বনাঞ্চলখনৰ শালবাৰীতে একাধিকবাৰ এই ঘটনা সংঘটিত হোৱাৰ আঁৰত শালগছ কাটি নিয়াৰো পৰিকল্পনা থকা বুলি স্থানীয় প্ৰকৃতিপ্ৰেমীয়ে কৰি অহা মন্তব্যৰ সত্যতা প্ৰতিপন্ন হয় যোৱা নিশা অগ্নিসংযোগৰ ঘটনাৰ পাছতে। উল্লেখ্য যে বনাঞ্চলৰ জ্বলি থকা অংশৰ পৰা এজোপা কাটি থোৱা শালগছো উদ্ধাৰ কৰে বনকৰ্মীয়ে। ইতিমধ্যেই বেদখলৰ বাবে বৃহৎ অংশৰ বনভূমি নিঃশেষ হোৱা বালিপৰা সংৰক্ষিত বনাঞ্চলত সংঘটিত হৈ থকা ধাৰাবাহিক এনে দুষ্কাৰ্যৰ ফলত এইখন সংৰক্ষিত বনাঞ্চলৰ পাহাৰীয়া কিছু অংশৰ বাহিৰে আন অংশ শীঘ্ৰেই নিঃশেষ হোৱাৰ আশংকা বৃদ্ধি পাইছে যদিও এই ক্ষেত্ৰত নিৰ্বিকাৰ বন বিভাগ।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com